
সাহোন ২০১৬
স্মৰণিকা

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি, ২০১৬
বিষয়ববীয়া আৰু সদস্যসকল

Parag Jyoti Gogoi
Rukmini Nagar, Wirless
Dispur, Ghy-6

BRIHATTAR RUKMINI NAGAR SOCIO-CULTURAL CENTRE * RS/KAM/240/N/1706 OF 2004-2005

আহ্বান

ত্ৰি-ত্ৰিংশতিতম্ বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ,

গুৱাহাটী - ৭৮১০০৬

৩০ চ'ত ১ আৰু ২ ব'হাগ, ১৪২৩ ভাস্কৰাব্দ

ইং ১৩, ১৪, আৰু ১৫ এপ্ৰিল, ২০১৬

ৰঙালী বিহুৰ শুভেচ্ছা আৰু নতুন বছৰৰ ওলগ জনাই...

প্ৰতি,

[illegible]

বিহুৰ সেৱাৰে—

ভাৰতী ভট্টাচাৰ্য্য
সভানেত্ৰী

পাৰুল বৰুৱা
সম্পাদক

স্মৰণিকা সম্পাদনা সমিতি

ত্রি-ত্রিংশতিতম্ সংখ্যা

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সম্মিলনৰ স্মৰণিকা - ২০১৬

ৰঙালী বিহু উৎসৱৰ উদ্বোধনী গীত

ৰঙালী বিহুক জাতীয় মৰ্যাদা দি মঞ্চ বিহুৰ জন্মদাতা গুৱাহাটী বিহু সন্মিলনীৰ প্ৰথম বৰ্ষৰ (১৯৫২ চন) পতাকা উত্তোলনৰ সময়ত সমবেত কণ্ঠেৰে গোৱা এই গীতটি আজিৰ অসমৰ বিহুতলীসমূহে 'বিহু উদ্বোধনী' গীতৰূপে গ্ৰহণ কৰিছে। এই গীতটিৰ সুৰ আৰু কথা যশস্বী সুৰকাৰ আৰু সংগীতজ্ঞ প্ৰয়াত পুৰুষোত্তম দাসৰ—

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপ-বন।
ভেদাভেদ পৰিহৰি কত জাতি-উপজাতি
মহাপীঠ কৰে নিৰমান।
উলাহ অধীৰ ছন্দে কৌটি কৌটি কণ্ঠে
গায় সবে মিলনৰ গান।
সৰগৰ বহঘৰা ৰূপে-ৰসে-ৰঙে ভৰা
উচ্ছল যত প্ৰাণ-মন।
সৃষ্টিৰ সুৰ বাজে প্ৰীতিৰ পতাকা উৰে
নতুনৰ লই আৱাহন।



সম্পাদনা সমিতি

উপদেষ্টা	ঃ	শ্ৰীযুত ৰমেন কলিতা
সভাপতি	ঃ	শ্ৰীযুতা ভাৰতী ভট্টাচাৰ্য্য
উপ-সভানেত্ৰী	ঃ	শ্ৰীমতী মঞ্জুলা কাকতি
সম্পাদক	ঃ	শ্ৰীমতী পাৰুল বৰুৱা
সহকাৰী সম্পাদকদ্বয়	ঃ	শ্ৰীঅভিজিৎ নেওগ শ্ৰীঅলকেশ ভাগৱতী
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী অমৰ বৰুৱা, কল্পনা শৰ্মা, সুৱৰ্ণ হাজৰিকা, নিলীমা ডেকা, নিলীমা শইকীয়া দাস, হেপী গোস্বামী
প্ৰকাশক	ঃ	বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি, ৰঙ্গমঞ্চ পথ, হাউচিং ক'লনি গুৱাহাটী-৭৮১০০৬
মুদ্ৰণ	ঃ	পেচিফিক্ লেজাৰ প্ৰিণ্টচ্, গণেশগুৰি, কাহিলীপাৰা পথ, গুৱাহাটী-৬

V. K. Pipersenia, IAS
Chief Secretary

सत्यमेव जयते

GOVERNMENT OF ASSAM
Block-'C', 3rd Floor,
Assam Sachivalaya,
Dispur, Guwahati-781006
Tel.: 0361-2261120 (O)
2261403 (O)
2260900 (Fax)
E-mail : cs-assam@nic.in

শুভেচ্ছা বাণী

প্ৰকৃতিৰ কোমল কুঁহিপাতে, গছৰ ডালৰ কুলিৰ মাতে ধৰালৈ বহাগৰ বতৰা আনে। বহাগ আহিলেই সকলোৰে মাজত উথপ্‌থপ লাগে বিহুটিক আদৰিবলৈ। সকলোৱে আগবাঢ়ে মনৰ ৰং-আনন্দৰে সমন্বয় সাধিবলৈ। দিশপুৰৰ বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনৰ উদ্যোগত অহা ১৩ এপ্রিলৰ পৰা ১৫ এপ্রিললৈ ৰঙালী বিহু উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানি সুখী হ'লো।

এই ৰঙালী বিহু উদ্‌যাপনৰ লগত সঙ্গতি ৰাখি "সাহোন" নামৰ স্মৰণিকা এখনিও প্ৰকাশ কৰাৰ যো-জা চলোৱা বুলি জানি নথৈ আনন্দিত হ'লো। "সাহোনে" প্ৰত্যেকৰে হৃদয়লৈ সমন্বয়ৰ বাৰ্তা কঢ়িয়াই লৈ যোৱাৰ কামনাৰে—

(বিনোদ কুমাৰ পিপাৰচেনিয়া)

অসম সাহিত্য সভা

১৮৬০ চনৰ ২১নং আইন অনুসৰি ১৯২৪ চনত পঞ্জীকৃত আৰু ২০১৫ খ্ৰীষ্টাব্দত নবীকৃত

পঞ্জীয়ন নং - যোৰ/২৭৮/জি/১৪

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ▶ ☎(০৩৭৬)২৩২০৩৭৬

গুৱাহাটী কাৰ্যালয় : ভগৱতী প্ৰসাদবৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ ▶ ☎(০৩৬১)২৫১৫৮৩০

ডিফু কাৰ্যালয় : বাংহিনা ভৱন, ডিফু - ৭৮২৪৬০ ▶ ☎(০৩৬৭১)২৭২৫৯০

ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ▶ ☎(০৩৬৬২)২৩২৫২৮

ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩ ▶ ☎(০৩৭৩)২৩১৫১২৮

শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১ ফেক্স- ☎(০৩৮৪)২২৬৩৭৯৭

উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ- ৭৮৭০০১

নগাঁও আঞ্চলিক কাৰ্যালয়, কমলাদেৱী তোদী স্মৃতি ভৱন, মহিচন্দ্ৰ বৰা পথ, নগাঁও- ৭৮২০০১

জালাহ আঞ্চলিক কাৰ্যালয়, অচ্যুত-নিবেদিতা মেধি ভৱন, জালাহ, অঞ্চলী- ৭৮৩২৭

Website:www.asamsahityasabha.org ■ E-mail-asam.sahitya.sabha@gmail.com

শুভেচ্ছা বাণী

ৰঙালী বিহু মানে অসমৰ জনসাধাৰণৰ ঐক্য-সম্প্ৰীতি। বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি অসমত সকলো জনগোষ্ঠীয়ে এক বুজাব নোৱাৰা আনন্দত আপোনা-পাহৰা হৈ পৰিছে। আকাশ-বতাহ ৰজনজনাই আছে ঢোল-পেঁপা-গগনাৰ সুমধুৰ ঝংকাৰত। ইয়াতেই লুকাই আছে অসমীয়াৰ প্ৰাণ-অসমৰ মান। এই ৰঙালী বিহু উৎসৱটি আদৰিবলৈ সাজু হৈছে বৃহত্তৰ ৰুক্মিনী নগৰ ৰঙালী বিহু সন্মিলনে।

সম্প্ৰীতিৰ এনাজৰীস্বৰূপ এই বিহু উৎসৱৰ সোণসেৰীয়া স্মৃতি ধৰি ৰাখিবলৈ উদ্যোক্তাসকলৰ অকৃত্ৰিম প্ৰচেষ্টাৰে 'সাম্ৰেন' প্ৰকাশ কৰাৰো যো-জা চলাইছে। সেয়েহে স্মৃতিগ্ৰন্থ 'সাম্ৰেন' প্ৰকাশৰ চেষ্টা এক মহৎ কৰ্ম। এইবাৰ প্ৰকাশ পাবলগীয়া 'সাম্ৰেন' একাধিক উৎকৃষ্ট লিখনীৰে ভৰি পৰক আৰু এচাম নবীন লেখক-লেখিকাৰ সাহিত্য-কৰ্মই পাঠকৰ সমাদৰ অৰ্জন কৰক—ইয়াকেই কামনা কৰিলো।

আটাইলৈ বিহুৱৰীয়া ওলগ আৰু আন্তৰিক শুভেচ্ছাৰে—

চিৰ চেনেহী মোৰ ভাষা জননী

দিনাংক : ২০ চ'ত, ১৪২২ ভাস্কৰাব্দ
২ এপ্ৰিল, ২০১৬ খ্ৰীষ্টাব্দ

(ধ্ৰুৱজ্যোতি বৰা)
সভাপতি
অসম সাহিত্য সভা

সম্পাদকৰ বাটচ'ৰা

প্ৰকৃতিৰ চিৰাচৰিত নিয়মেৰে ফাগুনৰ সৰাপাত গছকি বসন্ত আহে প্ৰকৃতিৰ বুকুলৈ। বসন্তই আদৰি আনে ব'হাগ। ৰং আৰু সম্প্ৰীতিৰ বতৰা লৈ আহে ব'হাগৰ বিহু। তাহানিৰ গাঁৱৰ, গছ তলৰ বিহু চহৰৰ মঞ্চ গৰকিবৰ পৰা বিহুৰ ধ্যান ধাৰণালৈ বহু পৰিবৰ্তন আহি পৰিছে। অসমীয়াৰ জাতীয় চেতনা নিহিত হৈ থকা বিহুৰ মঞ্চখন হৈছে অসমৰ জাতীয় জীৱনৰ মঞ্চ, অসমীয়াৰ সমন্বয়ৰ মঞ্চ। বিহুৰ মঞ্চত কেৱল বিহুকেই প্ৰদৰ্শন কৰা নহয়, অসমৰ বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ উপৰি বিভিন্ন নৃত্য-গীতৰ মনোৰঞ্জনধৰ্মী সংগীতানুষ্ঠান আদিও পৰিৱেশিত হয়।

এই মঞ্চ বিহুক লৈ বৰ্তমান সময়ত বিজ্ঞজনৰ নানা চিন্তা চৰ্চাৰ উপৰিও বিভিন্ন সময়ত নানা বিতৰ্কৰো সৃষ্টি হৈ আহিছে। যোৱাবাৰ বিহুত জাতীয় পোছাক পৰিধান নকৰাৰ বাবে এগৰাকী প্ৰথিতযশা গায়িকাক বিহুৰ উদ্যোক্তাসকলে মঞ্চত গীত গোৱাত বাধা আৰোপ কৰিছিল। বহুতে ইয়াৰ বিপক্ষে মাত মতাৰ উপৰি অনেকে ইয়াৰ সপক্ষে মত পোষণ কৰিছিল। এইটো অনস্বীকাৰ্য যে অসমীয়া জাতীয় সাজপাৰ যোৰ অসমীয়া নাৰী সমাজেহে ধৰি ৰাখিছে। পূজা-পাৰ্বন বা তেনে মাংগলিক অনুষ্ঠানবোৰত মহিলাই নিজৰ জাতীয় সাজযোৰ (মেখেলা-চাদৰ)ৰ প্ৰাধান্য দিয়াৰ বিপৰীতে পুৰুষসকলে পেন্ট-চাৰ্ট চ্যুট আদিহে পৰিধান কৰে। নিপিন্ধিলে নহয় জাতীয় অনুষ্ঠানবোৰত পৰিধান কৰিলেও কৰ্ম সম্পাদনৰ পিছতে সলায় লয়। শিক্ষানুষ্ঠানবোৰৰ ইউনিফৰ্মত ছাত্ৰীসকলৰ বাবে মেখেলা-চাদৰৰ বিপৰীতে ছাত্ৰসকলৰ বাবে পেন্ট-চাৰ্টহে থাকে। ই জাতীয় জীৱনত কিবা ক্ষতি কৰিছে বুলি আমি নাভাবো। এইবোৰ সময়ৰ পৰিৱৰ্তনৰ ধাৰা বুলি আমি মানি আহিছো। অৱশ্যে জাতীয় সাজযোৰ মহিলাসকলেহে ধৰি ৰাখিছে বুলি মহিলাসকলৰ গৌৰৱ কৰাৰ থলো আছে। অসমীয়া মেখেলা চাদৰ যোৰে বিদেশতো প্ৰশংসা আদায় কৰি আহিছে। আমাৰ উত্তৰ-পূবৰ জনগোষ্ঠীসমূহৰ দৰে বৰ্ণাঢ্য আৰু আকৰ্ষণীয় সাজপাৰ পৃথিৱীৰ আন জনগোষ্ঠীসমূহৰ মাজত দেখা নাযায়।

কিন্তু বিশ্বায়নৰ প্ৰভাৱত, সময়ৰ পৰিবৰ্তনৰ সোঁতত বহু দেশৰ লগতে আমাৰ জাতীয় পেছাকযোৰলৈও তাৰতম্য আহিছে। এই ক্ষেত্ৰত বৈদ্যুতন মাধ্যম তথা আধুনিক ফেশ্বন ডিজাইনাৰৰ বিভিন্ন ফেশ্বনেও অৰিহণা যোগাইছে। আজিৰ নৱ প্ৰজন্মই বিশ্বায়নৰ প্ৰভাৱত বিশ্বৰ সংগীত ধাৰাটোৰ সৈতে একাত্ম হৈছে। মঞ্চত পশ্চিমীয়া বাদ্য-যন্ত্ৰেৰে সু-সজ্জিত হৈ ৰক সংগীত (বিহুলৈও ৰক্ আহিছে) ধূতি বা চুৰিয়া পিন্ধি পৰিৱেশন কৰিলে আচহুৱা যেনেই লাগিব। মঞ্চত এনে বাদ্য-যন্ত্ৰী বা বিহুলৈ নিমন্ত্ৰণ কৰা বিশিষ্ট অতিথিসকলৰ ক্ষেত্ৰত বিহুৰ উদ্যোক্তাসকলে বা কেনে পদক্ষেপ লয়। তথাপিও ক'ব পাৰি জাতীয় সংস্কৃতিৰ বাহক বিহুৰ মঞ্চত অনুষ্ঠান পৰিৱেশন কৰিবলৈ জাতীয় পোছাকযোৰ

পৰিধান কৰিলে ই নিশ্চয় এক আদৰ্শ হ'ব। উত্তৰ পূৰ্বাঞ্চলৰ বৰ্ণাঢ্য সাজ-পাৰৰ কথাও চিন্তা কৰিব পাৰি। এই ক্ষেত্ৰত 'বৃহত্তৰ গুৱাহাটী বিহু সন্মিলনী সমন্বয়ৰক্ষী সমিতি'য়ে সাজপাৰৰ ক্ষেত্ৰত প্ৰতিকূল পৰিৱেশত খাপ খাব পৰাকৈ এক সৰ্বসন্মত সিদ্ধান্তলৈ আহিব বুলি আশা কৰিব পাৰি।

বিগত বছৰবোৰৰ ধাৰাবাহিকতা ৰক্ষা কৰি এই বছৰো বৃহত্তৰ ৰুক্মিণীনগৰৰ ৰঙালী বিহুৰ স্মৰণিকা 'সাহোন' খনি বিহু উদ্‌যাপন সমিতিৰ তৰফৰ পৰা প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছোঁহক। 'সাহোন' খনি প্ৰকাশৰ বাবে বিভিন্ন দিশত সম্পাদনা সমিতিক সহায় কৰাৰ বাবে বিহু উদ্‌যাপন সমিতিৰ সকলো বিষয়ববীয়া তথা সদস্যসকললৈ কৃতজ্ঞতা জনালোঁ। 'সাহোন'ক শুভেচ্ছাবাণীৰে অলংকৃত কৰা পৰম শ্ৰদ্ধেয় ব্যক্তিসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। যিসকল লেখক-লেখিকাই 'সাহোন'ক সমৃদ্ধ কৰিলে সেইসকললৈও কৃতজ্ঞতা জনালো। বিজ্ঞাপন তথা দান-বৰঙণিৰে সহায় কৰাসকলৰ লগতে অতি কম সময়ৰ ভিতৰত প্ৰকাশ কৰি উলিওৱাৰ বাবে 'পেচিফিক লেজাৰ প্ৰিণ্টচ্'ৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সকলো কৰ্মকৰ্তালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সীমিত সময়ত প্ৰকাশ কৰি উলিওৱাৰ বাবে অনিচচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ক্ৰটিৰ বাবে ৰাইজৰ ওচৰত মাৰ্জনা বিচাৰিলোঁ।

শেষত যোৱা বছৰটোত বৃহত্তৰ ৰুক্মিণীনগৰ অঞ্চলৰ যিসকল ব্যক্তিয়ে আমাক এৰি গুচি গ'ল সেইসকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ আৰু সমূহ ৰাইজলৈ ৰঙালী বিহুৰ চেনেহ, ওলগ, শ্ৰদ্ধা আৰু সেৱা জনালো। আহক, আমি জাতীয় চেতনাৰে, ন-পুৰনিৰ সমন্বয়েৰে 'বাপতি সাহোন' বিহুটিক যেন সুস্থ ৰূপত আমাৰ মাজত জীয়াই ৰাখিব পাৰো।

নৱবৰ্ষৰ শুভকামনাৰে—

পাৰুল বৰুৱা

সভানেত্ৰীৰ দুআষাৰ

'সাহোন' সম্পাদনা সমিতি

"চেনেহীৰ ফটা ৰিহা
ফুলে জকেমকী
উৰি যায় বতাহৰ আগত
নেখায় চাৰিসাজি থাকিব পাৰো মই
ব'হাগত বিহুৰে লগত।"

স্বৰ্গীয় ভূপেন হাজৰিকাদেৱৰ মুখৰ এই বিহুগীত ফাকিয়ে ব'হাগৰ বিহু আৰু অসমীয়া মানুহৰ যি যুগমীয়া সম্পৰ্ক তাৰ আটাইখিনি কথা থোৰতে বৰ ধুনীয়াকৈ প্ৰকাশ কৰিছে। বিহুত আছে শ্ৰমজীৱি, কষ্টসহিষ্ণু কৃষক সমাজৰ প্ৰাণৰ আহ্বান, আছে অভাৱ-অনাটন, সুখ-দুখ, প্ৰেম-বিৰহ অনুভৱ কৰিব পৰা গভীৰ জীৱনবোধ। সেয়েহে চেনেহীৰ ফটা ৰিহাই মোলান কৰিব পৰা নাই বিহুৱলিয়া প্ৰেমিকৰ মন; বতাহত উৰা ফুলাম ৰিহাখনে তেওঁক বিহুৰ উলাহৰ ভাত-পানী এৰিবলৈহে উদগাইছে।

গাঁৱৰ পথাৰ, আহঁতৰ তল এৰি বিহু আহি চহৰৰ মঞ্চত উঠিলেহি। চহাৰ স্বভাৱসিদ্ধ বিহু এতিয়া শিকিব লাগে কৰিঅ'গ্ৰাফাৰৰ কৰ্মশালাত। জীৱন তথা কলা-সংস্কৃতিলৈ পৰিৱৰ্তন অহাটো অৱশ্যম্ভাৱী, কিন্তু পৰিৱৰ্তন যেতিয়া মসৃণ গতিৰে আহে, সমাজৰ সকলো মানুহে ইয়াক কম-বেছি পৰিমাণে মানি লয়। অসমীয়াৰ প্ৰাণৰ আপোন ব'হাগৰ বিহুটিলৈ অহা পৰিৱৰ্তনেও আমাক শংকিত নকৰিলেহেঁতেন যদি ই অসমীয়াৰ অস্তিত্বকে কক্ষচ্যুত কৰাৰ উপক্ৰম নকৰিলেহেঁতেন। নবৈ দশকৰ পৰা বিশ্বায়নৰ দুৱাৰেদি অহা উদাৰীকৰণৰ বতাহজাকে আমাৰ বিহুটিকো যেন চুলেহি। ব'হাগৰ বিহুটিৰ সম্পূৰ্ণ বাণিজ্যিকৰণ কৰা হ'ল। বিহুৰ মাজত তীব্ৰ প্ৰতিযোগিতা, বঁটা-বাহন, টকা-পইচাৰ হিচাপ আদি নানানটা বিহুৰ লগত খাপ নোখোৱা কথা সোমাই পৰিল। প্ৰকৃতিৰ জীয়ৰী স্বভাৱসুন্দৰী আমাৰ বিহু নাচনী ক'ৰবাত অন্তৰ্ধান হ'ল। ব'হাগৰ নতুন বতাহজাকত ফটা ৰিহা উৰুৱাই অহা চেনেহীৰ ৰূপত মুগ্ধ হোৱা বিহুৱলিয়া ডেকা ল'ৰাবোৰ ক'লৈ জানো গুচি গ'ল! এতিয়া হেজাৰ টকীয়া মুগাৰ সাজ, মুখত উগ্ৰ প্ৰসাধন নহ'লে বিহু নাচনী হ'ব নোৱাৰি। বিহুৱাই বিহুৰ ইউনিফৰ্ম পিন্ধি মঞ্চত উঠে। ওৰে ৰাতি বিহুৰ মঞ্চত বাৰে-বঙলুৱা গীত-মাত উপভোগত ব্যস্ত এচাম অসমীয়া মানুহে বিহুৰ লগত জড়িত লোকাচাৰসমূহ পালন কৰিবলৈ তথা নিজৰ ল'ৰা-ছোৱালীক এইবোৰ শিকাবলৈ আগ্ৰহ নকৰা হ'ল। বিহুৰ লগত জড়িত বিভিন্ন গছ-লতা, ফুল-ফল আজিৰ প্ৰজন্মৰ সৰহভাগেই চিনি নোপোৱা হ'ল।

স্বৰ্গীয় ভূপেন হাজৰিকাদেৱে কৈ যোৱাৰ দৰে বিহু অসমীয়াৰ আয়ুস ৰেখা, অসমীয়াৰ পৰিচয়। বিহু যিহেতু মঞ্চলৈ আহিল, বাণিজ্যিকৰণৰ আঘাতত বিধ্বস্ত হোৱা মৰমৰ বিহুটিৰ স্বকীয় বৈশিষ্ট ৰক্ষা কৰাৰ এটা গধুৰ দায়িত্ব বিহু সন্মিলন বিলাকৰো আছে। এই ক্ষেত্ৰত চিন্তাচৰ্চাবোৰ হৈ আছে, কিছু কিছু পদক্ষেপো লোৱা হৈছে। কিন্তু বলিষ্ঠ আৰু সাহসী পদক্ষেপ লোৱাৰ অৱকাশ আছে। আমাৰ বৃহত্তৰ ৰুক্মিণীনগৰ বিহু সন্মিলনখনিত গুৰিৰে পৰাই বহুকেইজন চিন্তাশীল তথা সমাজ সচেতন ব্যক্তি জড়িত হৈ আছে। তেখেতসকলে এই ক্ষেত্ৰত বাটকটীয়া হ'ব বুলি আশা ৰাখিলো।

শেষত বৃহত্তৰ ৰুক্মিণীনগৰ আৰু কাযৰিয়া অঞ্চলৰ ৰাইজলৈ বিহুৰ ওলগ যাচিলো লগতে আমাৰ মৰমৰ বিহুতলীখন আৰু 'সাহোন'ৰ দীৰ্ঘায়ু কামনা কৰিলো। নতুন বছৰটোৱে অসমবাসী ৰাইজলৈ নতুন আশা আৰু উদ্যম কঢ়িয়াই আনক, তাৰ কামনাৰে—

ভাৰতী ভট্টাচাৰ্য্য

সূচীপত্র

- বিহুগীত আৰু বিহুগীতত অসমীয়া নাৰী
  হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি / ৯
- বাপতি সাহোন 'বিহু' কোনদিশে
  .প্ৰদীপ কুমাৰ গগৈ / ১৩
- নাৰী ঃ এক মননশীল অনুভৱ.....
  চৰিফুল ইছলাম / ১৫
- ব'হাগ বিহুৰ এক পৰম্পৰা—সাতশাকী ব্যঞ্জন
  জুৰি বৰুৱা / ১৮
- কৈনো কৈ থাকোতে ওৰকে নপৰে...
  ইনু দত্ত / ২০
- আমাৰ লোক কৃষ্টিত তামোল-পাণৰ গুৰুত্ব
  মিনাক্ষী ডেকা / ২২
- ৰাজবোৱাৰী গান্ধাৰী আৰু বীৰ আলেকজেণ্ডাৰ
  অঞ্জলি দত্ত / ২৫
- THE BIG PICTURE....
  Rituparna Das / ২৭
- অসমৰ ভ্ৰাম্যমান থিয়েটাৰ
  হৃষিকেশ শৰ্মা / ২৯
- ব'হাগ
  মীৰা ঠাকুৰ / ৩০
- আগতকৈ চহকী হ'ল চহৰৰ মানুহবোৰ
  বিপুল চন্দ্ৰ মৰাণ / ৩০
- ব'হাগৰ কিশলয়ত পুনৰ তমি
  ৰমেন কলিতা / ৩১
- তগৰ ফুলা ৰাতি
  পৰিণীতা বৰুৱা / ৩২
- আহিলে যাবই লাগিব
  পশুপতি হাজৰিকা/৩২
- দুই সুঁতি
  কামেশ্বৰ হাজৰিকা / ৩৩
- ন ন কুঁহিপাতত জিলিকিছে...
  চন্দন বাচফোৰ (ওম) / ৩৪
- জীৱনৰ গীত
  মঞ্জুলা কাকতি / ৩৪
- ব'হাগ বিহুৰ বতৰা
  প্ৰতিমা বৰা / ৩৫
- স্মৃতিমালা
  গায়ত্ৰী গগৈ / ৩৫
- সমবেত সংগীত
  কল্পনা শৰ্মা / ৩৬
- এটি গীত
  জ্যোতিৰ্ময়ী ডেকা / ৩৬
- অচিন দেশলৈ
  মামনি দাস / ৩৭
- আদৰণি
  ৰীণা পূজাৰী / ৩৭
- ব'হাগৰা
  ৰিয়া খাতুন / ৩৮
- বাউলী ব'হাগ
  অঞ্জনা দেৱী / ৩৮
- মই এজনী ছাত্ৰী
  ধৰণী ৰাভা / ৩৯
- সংকল্প
  দীনবন্ধু বৈশ্য / ৩৯
- বগীৰাম ডাক্তৰ
  ৰেৱতী মোহন হাজৰিকা / ৪০
- সাঁথৰমূল তামিল ঃ
  গিৰীশ দত্ত / ৪৭
- স্মৃতিয়ে আমনি কৰে
  মীনাক্ষী শৰ্মা ৰাজখোৱা / ৫১
- সিদ্ধান্ত
  ইলামণি শইকীয়া / ৫৬
- মহিলাৰ সজাগতা সভা
  নিলীমা শইকীয়া দাস / ৬১
- অসমৰ লোকবিশ্বাস আমতী বা সাঠ
  অজন্তা বৰঠাকুৰ / ৬৩
- আমাৰ বিহু সন্মিলন ঃ তিনিটা স্নেপশ্বট
  গৌতম ওঁজা / ৬৪
- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন (২০১৬) / ৬৭

বিহুগীত আৰু বিহুগীতত অসমীয়া নাৰী

হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি

অসমৰ লোক সংস্কৃতিৰ মুকুতামণি সদৃশ ৰঙালী বিহুটিক কেন্দ্ৰ কৰি ৰচিত আৰু পৰিবেশিত গীতবোৰ অসমীয়া লোক সাহিত্যৰ অমূল্য সম্পদ। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা মানুহৰ মুখে মুখে বাগৰি অহা ধাইনাম, আইনাম, বিয়ানাম, ল'ৰাধেমালিৰ গীত, ওমলা গীত আদিয়ে যেনেকৈ অসমীয়া জাতিৰ আদিম আৰু মধ্যযুগৰ জীৱন সম্পৰ্কে পৰৱৰ্ত্তী যুগৰ লোকসকলক অৱগত কৰি প্ৰকৃত জ্ঞানৰ সঁফুৰা মুকলি কৰি দিছে ঠিক তেনেকৈ বিহুগীত সমূহেও জাতিটোৰ আবেগ অনুভূতি, লোক-বিশ্বাস, পৰম্পৰা, ৰীতি-নীতি, আচাৰ-বিচাৰ, প্ৰেম-বিবাহ, মিলন-বিচ্ছেদৰ খুটিনাতি সম্পৰ্কে অতি সহজ সৰল ভাবে লোক চক্ষুত উদঙাই দেখুৱাইছে। বিশ্বজনীন আবেদনৰে সমৃদ্ধ এই গীতসমূহ কাব্যিক সৌন্দৰ্যৰ ভৰত বলিষ্ঠ অথচ আলফুলীয়া। প্ৰতিটো যুগৰ বুৰঞ্জী তথা প্ৰতিচ্ছবিক বুকুত সাৱটি থকা বিহুগীতসমূহ অসমীয়াৰ প্ৰাণৰো প্ৰাণৰ, মনৰো মনৰ, অতিকৈ আপোন, অতিকৈ আদৰৰ।

অসমীয়া লোক সাহিত্যৰ সম্পদ স্বৰূপ এই বিহুগীতসমূহ কেতিয়া, কোনে ৰচনা কৰিছিল তাৰ প্ৰামাণ্য তথ্য নাই যদিও কোনোবা স্বভাৱ কবিৰ দ্বাৰাই যে বিভিন্ন সময়ত বিভিন্ন পৰিবেশত ৰচিত হৈছিল সেই কথা গীতসমূহৰ অন্তৰ্নিহিত অৰ্থই প্ৰকাশ কৰে। কোনো কোনো গবেষকে এই গীতসমূহ আহোম ৰাজত্বৰ কালছোৱাত ৰচিত বুলিও ক'ব খোজে। তেওঁলোকৰ মতে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে কীৰ্ত্তন আৰু নামঘোষা ৰচনা কৰাৰ পিছত কিছুলোকে এই গীতবোৰ প্ৰথমে মুখে মুখে ৰচনা কৰি পিছত লিপিবদ্ধ কৰে। সি যিয়েই নহওক বিহু সংস্কৃতিয়ে আহোম ৰাজতন্ত্ৰৰ পৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হৈছিল আৰু পথাৰৰ বিহু মঞ্চলৈ অহাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। বৰ্তমানৰ মঞ্চ বিহুৰ আৰম্ভণি সেয়েহে আহোম ৰাজতন্ত্ৰতে আৰম্ভ হৈছিল বুলি নিশ্চিত কৰিব পাৰি।

বিহুগীতসমূহত অসমৰ বৰ্ণাঢ্য প্ৰকৃতি সুৰক্ষিত হৈ আছে। অসমৰ সংস্কৃতি বাৰে বৰণীয়া। এই বাৰে বৰণীয়া সংস্কৃতিৰ লগত জড়িত হৈ আছে কৰ্ম সংস্কৃতি। কাৰণ বিহু হ'ল কৃষি ভিত্তিক উৎসৱ, কৃষিৰ লগত সম্পৰ্ক থকা উৎসৱ, এককথাত শ্ৰমজীৱী মানুহৰ উৎসৱ। সেয়েহে শ্ৰমজীৱী মানুহৰ সুখ-দুখ, আবেগ-অনুভূতিৰে সমৃদ্ধ বিহুগীতসমূহত প্ৰতিভাত হৈছে অসমীয়া জাতিৰ কৰ্মস্পৃহাৰ চিনাকি। আমি এই নিবন্ধত এগৰাকী অসমীয়া নাৰীৰ চিনাকি ৰূপটি বিহুগীতত কেনেকৈ প্ৰকাশ হৈছে সেই বিষয়েহে আলোচনা কৰিবলৈ লৈছোঁ।

অসমীয়া নাৰী কৰ্মশক্তিৰ প্ৰতীক। এনে কোনো কাম নাই যি কাম অসমীয়া নাৰীয়ে কৰা নাই। আহোম ৰাজতন্ত্ৰত দেশৰক্ষাৰ বাবে অসমীয়া বোৱাৰী মূলা-গাভৰুৱে শত্ৰুৰ বিৰুদ্ধে অস্ত্ৰ ধৰি সাহসী মৃত্যু বৰণ কৰাৰ কথা দেখোন বুৰঞ্জীয়েই প্ৰমাণ কৰিছে। জয়মতীৰ আত্মত্যাগৰ কথা সৰ্বজনবিদিত। যুদ্ধক্ষেত্ৰ, কৰ্মক্ষেত্ৰ সকলোতে দক্ষতা আৰু সাহসৰ পৰিচয়

দিবলৈ সক্ষম হোৱা অসমীয়া নাৰীৰ সেয়ে বিচিত্ৰ ৰূপ বিহুগীতসমূহত সুৰক্ষিত হৈছে। বিভিন্ন কামৰ মাজেৰে জিলিকি উঠা এই গৰাকী নাৰী যে এগৰাকী প্ৰেৰণাময়ী প্ৰেমিকাও সেই কথাও বিহুগীতত উল্লেখিত হৈছে।

লুইতৰ বালি   বগী চকেচকী
কাছই কণী পাৰে লেখি
গাত জুই জ্বলিছেসৰিয়হ ফুটিছে
চেনাইক পানী ঘাটত দেখি।

ৰাতি দুপৰলৈ   কাটি সুতলাহি
চেনাইলৈ বিহুৱান ব'লো
ৰঙাকৈ আঁচুৰে   বাচি পানেকটা
ধনলৈ লুকুৱাই থ'লো।

এই প্ৰেৰণাময়ী, চতুৰ প্ৰেমিকা গৰাকী প্ৰকৃততে এগৰাকী পাকৈত শিপিনী। প্ৰত্যেকগৰাকী অসমীয়া নাৰীয়েই এসময়ত শিপিনী আছিল। তেওঁলোকে প্ৰিয়জনক সপোনৰ দীঘ দি, চেনেহৰ বাণী বৈ, আশাৰ ফুলেৰে ফুলাম কৰি বোৱা বিহুৱান যাঁচি বিহুৰ ওলগ জনায়। জাতিৰ পিতা মহাত্মা গান্ধীয়েও অসমীয়া শিপিনীৰ ভুয়সী প্ৰশংসা কৰিয়েই কৈছিল অসমৰ শিপিনীয়ে তাঁতশালত সপোন ফুলাব পাৰে বুলি। অসমীয়া নাৰীৰ অতি মৰমৰ তাঁতশালখনৰ ছবি বিহুগীতে ধৰি ৰাখিছে বিভিন্ন ধৰণে। তাৰ লগে লগে প্ৰকাশ পাইছে শিপিনী তথা প্ৰেমিকাগৰাকীৰ মনৰ দুখ-সুখৰ বতৰা।

খিটিৰ খিটিৰ কৰি   তাঁত বৈ আছিলো
দোৰপতিৰ শুৱলা মাত।
তোমাৰে কাষলৈ   যামে কেনে কৰি
শতৰুৱে নিদিয়ে বাট।।

তিতাকৈ তিয়নী   যৌৱনৰ শুৱনি
গোহালি শুৱনি তাঁত।
লাহৰীৰ শুৱনি   চকুৰ চেলাউৰি
জামুকী বোলোৱা দাঁত।

দীঘে-কণি লেখি   তাঁত বাটি কৰোঁ মই
লেখে বুঢ়ী আয়ে বিহা।
ভালকৈ লেখিবা   বুকুৰে বুঢ়ী আই
সতিনী অহীয়া বিহা।।

কাজী শিপিনীৰ প্ৰতি আটাইৰে হেপাহ। এজনী শিপিনী দুখনি তাঁতৰ শাল দেখি বিহুৱা ডেকাৰ মুখত পৰা ওলাই আহে বিহুগীতৰ কলি-

বিৰাদি মাৰি যাম   বিঢ়াকৈ ওকণী
খুটিয়াই মাৰি যাম লেখি।
এখনি হাঁচতি   খুজিব খুজিছোঁ
দুখনি তাঁতৰ শাল দেখি।।

কিন্তু একাজী তিৰোতাক তেনে ডেকাই দুই আষাৰ শুনাই যোৱাৰ প্ৰমাণো বিহুগীতে দিছে-

যোৱা বছৰ খুজিলোঁ   এখনি হাঁচটি
এইবেলি কাটিছা পাজি।
সেইখনি হাঁচতি   আমাকে নেলাগে
তিৰোতা আনি ল'ম কাজী।।

এযুতি তাঁত এবছৰ বোৱা শিপিনী যে কাজী শিপিনী নহয় আৰু তেনে গৰাকী তিৰোতা যে অসমীয়া ডেকাৰ পছন্দৰ নহয় সেই কথা উল্লিখিত বিহুগীতৰ যোগেদি যেন আমাক সকীয়াই দিছে। আনহাতে থুপৰী বা অকাজী তিৰোতাৰ মনৰ দুখো যে কেনেকৈ প্ৰাণৱন্ত হৈ প্ৰকাশ হৈছে বিহুগীতত !

ল'বৰ মনে গ'লে   চিটিকি চেলেং ঐ
হাতেৰে নহ'লো কাজী।
খাবৰ মনে গ'লে   বগী হাঁহ এজনী
ভাইগত নাহিলোঁ সাধি।।

অসমীয়া নাৰী কৃষি কৰ্মৰ লগত সততে জড়িত। ইতিহাসেও কয় কৃষিৰ উদ্ভাৱিকা নাৰীহে। নাঙলটো ধৰাৰ বাহিৰে কৃষিক্ষেত্ৰৰ সকলো কামতে নাৰীসকল বিশেষকৈ উজনি অসমৰ নাৰীসকল ওতঃপ্ৰোতভাৱে জড়িত। ভুঁই ৰোৱা, কঠিয়া তোলা, ধান দোৱা, মৰণা মৰা, জাকৈ জুলুকি মৰা আদি প্ৰতিটো কামেই কৃষিজীৱী নাৰীসকলে অত্যন্ত আন্তৰিকতাৰে কৰে।

সেয়ে বিহুগীততো আছে-

জাকৈ বাই বাই আমনি লাগিলে
খালৈ বাৰেপতি চাওঁ।
তোমাক চাই চাই আমনি লাগিলে
ভাবো কাহানিকৈ পাওঁ।।
চাউল চালিবলৈ সূবৰ্ণ চালনি
বহি জাৰিবলৈ কুলা।
আমাৰ জীৱনলৈ আশা নকৰিবা
যেন শিমলুৰ তুলা।।
থুৰিয়াই কাটিলো তামোল তিনিখনি
নুৰিয়াই বান্ধিলো পাণ।
পথাৰে পথাৰে বিচাৰি ফুৰিলোঁ
ক'তে দাই আছিলা ধান?
জকাই ঘূৰি ঘূৰি বাবা ঐ লাহৰী
জকাই ঘূৰি ঘূৰি বাবা।
কোনোৱা শতৰুৱে কিবাটো কৰিব
তাকো মনে গুণি চাবা।।

ওপৰত উল্লিখিত গীত কেইটিয়ে যে অসমীয়া নাৰীৰ কৰ্মদক্ষতাৰ চিনাকি দিয়ে তাক দোহৰা নিস্প্ৰয়োজন। বহল পথাৰত ধান দোৱা, ভূঁই ৰোৱা, ঘূৰি ঘূৰি জাকৈ বোৱা, ঢেকীশালত ব্যস্ত থকা, আদি এগৰাকী কৰ্মঠ নাৰীৰ প্ৰেমত মতলীয়া ডেকাৰ উক্তি-

তোমাৰ বাৰীত ফুলিলে ইন্দ্ৰজিত মালতী
মোৰ বাৰীত পৰিলে ছাঁ।
দিনৰে দিনটো তোমালৈ ধাউতি
ৰাতি পুৱি মাৰে গা।

সকলো কামতে নিপুণ এই নাৰী কিন্তু সমনীয়াৰ প্ৰতি অতি সহানুভূতিশীল। কানীয়া সোৱোপাৰ লগত সংসাৰ পাতি কাৰোবাৰ জীৱন অসাৰ হৈ যোৱাৰ আশংকাত এই নাৰীয়ে সেয়ে লগৰীয়াক সকীয়নি দিছে এনেদৰে-

কানীয়ালৈ নাযাবি কানি দিব লাগিব
বাতি দিব লাগিব মাজি।
কানি তিতা মাৰিবলৈ পিঠা দিব লাগিব
তাকো দিব লাগিব ভাজি।।

মাক-দেউতাকৰ আলাসৰ লাৰু এনে জনী জীয়ৰীক বিয়া দিবলৈ মাক-বাপেকৰ সততে যেন মন নাযায়। সেয়ে বিহুগীতত আছে-

আগবাৰী শুৱনি কাকিনী তামোল ঐ
পিচবাৰী শুৱনি পাণ
ঘৰঘৰ শুৱনি গাভৰু ছোৱালী
উলিয়াই দিবলৈ টান।

লোকে বন কৰাই খাবলৈ তোলা ঘৰঘৰ শুৱনি এই জীয়ৰীজনীৰ ৰূপৰ জানো তুলনা হয়। প্ৰেমিক বিহুৱা ডেকাৰ কণ্ঠত এই বিহুৱতী নাৰীৰ কত যে ৰূপ প্ৰতিভাত হৈছে তাৰ যেন সীমা সংখ্যা নাই।

বাঁহৰ আগলৈ চাই পঠিয়ালোঁ
বাঁহৰ কোন ডালি পোন।
চেনাইৰ মূখলৈ চাবকে নোৱাৰি
যেন পূৰ্ণিমাৰে জোন।।

মুখৰ হাঁহি নগুচা, পূৰ্ণিমাৰ জোনৰ দৰে মুখৰ অধিকাৰী এই গাভৰুৰ শৰীৰৰ বিভিন্ন অংগৰ সৌন্দৰ্যৰ উদাহৰণ দেখাৰ। বিভিন্ন অংগৰ লগত প্ৰকৃতিৰ বিভিন্ন বস্তুৰ সৈতে তুলনা অপূৰ্ব। তেনে কেইটিমান মাত্ৰ উদাহৰণেই এই ক্ষেত্ৰত যথেষ্ট-

হাতো পদুমী ভৰিও পদুমী
ছোৱালীৰ পদুমী নাও।

* * *

শকতকৈ কলাফুল কঁকাল খামুচীয়া
বহলকৈ চেনাইৰে বুকু।

* * *

হাতো শুৱনি ভৰিও শুৱনি
বুকুতো পদুমৰ কলি।

আচুৰলী বিহাৰে   তুমি কি ঢাকিবা
আপুনি উঠিব ফুলি।।
হাতলৈ কি চাবা   হালধি বৰণে
চকু দুটি সৰগৰ তৰা।
মুখলৈ কি চাবা   দোলাৰে দাপোণে
কঁকালটি বীণৰে নলা।।

চতাই পৰেৱত, চিৰি লুইত আৰু লুইত বা বৰহমপুত্ৰ অসমীয়া বিহুগীতত প্ৰকাশিত চিনাকি ছবি। চতাই পৰেৱত আৰু চিৰিলুইত অবিহনে অসমৰ ডেকা গাভৰুৰ প্ৰেম-পীৰিতিৰ যুগমীয়া সৌধ যেন স্থাপিত নহয়। স্বভাৱ কবিৰ কল্পনাৰে উজ্জীৱিত ডেকা-গাভৰুৰ মনৰ ভাষা প্ৰকাশ কৰা এই প্ৰতীকসমূহে বিহুগীতসমূহৰ সোণত সুৱগা চৰাইছে যেন।

চতাই পৰেৱতত   ধুঁৱলী কুঁৱলি
কোনে ভাত ৰান্ধি খায়।
মাক নাই মাউৰা   তিৰী নাই বৰলা
হাতী ধৰিবলৈ যায়।

বিহু যেনেকৈ আমাৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক ঠিক তেনেকৈ এই বিহুৰ লগত জড়িত বিহুগীতসমূহ আনন্দৰ সঁফুৰা। দোহৰা নিস্প্ৰয়োজন অসমীয়া নাৰীক প্ৰেৰণাৰ প্ৰতীক হিচাবে প্ৰত্যয় জন্মোৱাত, কৰ্মদক্ষা হিচাবে প্ৰতিষ্ঠা কৰাত বিহুগীতসমূহৰ বৰঙণি অপৰিসীম। এতিয়া গুৰুত্বপূৰ্ণ কথা হ'ল অসমীয়া লোক সাহিত্যৰ সম্পদ এই বিহুগীতসমূহৰ অন্তৰালত থকা গৱেষণাৰ সমলক গুৰুত্ব দিয়া প্ৰয়োজন সেইসকলৰ যি সকলে অসমীয়া সংস্কৃতিক ৰক্ষা কৰিবলৈ বদ্ধপৰিকৰ হৈছে। সাহিত্যৰ ছাত্ৰ-ছাত্ৰীসকলে এই অনন্য সম্পদসমূহত নিহিত থকা বিষয়সমূহ গৱেষণা কৰিবলৈ আগবাঢ়ি আহক আৰু নতুন প্ৰজন্মৰ সমুখত এই বিলাকৰ সঁচা ৰূপ দাঙি ধৰক। শিল্পীসকলে গীতসমূহ শুদ্ধ সুৰ সংযোজনেৰে সংৰক্ষণ কৰিবলৈ যত্নপৰ হওঁক। ব্যঞ্জনা, চিত্ৰকল্প আৰু সাংগীতিক লয় সমৃদ্ধ অসমীয়া চহা কবিৰ অনবদ্য সৃষ্টিক মৰ্যদা দিয়ক জাতীয় সংস্কৃতিক ভালপোৱাসকলে। শেহত এযাৰ কথা ক'বই লাগিব যে অসমৰ সেউজ প্ৰকৃতিৰ কোলাত উমলি-জামলি ডাঙৰ হোৱা, অসমৰ কেঁচা মাটিৰ বুকু শইচ সোণোৱালী কৰি সজাই তোলা, অসমৰ মাটিৰ উমেৰে উমাল আৰু জীপাল এই সকল শ্ৰমজীৱী মানুহ তথা চহা কবি সকলৰ নিষ্ঠা, প্ৰেম আৰু আন্তৰিকতা তুলনাবিহীন।◆

With best Compliments from.....

M/S Shanti Traders & Construction

House No. 60, Dr. Zakir Hussain Path, Saru-Motoria,
Dispur, Guwahati-781006, Kamrup (M) Assam.

Class I (A) Contractor, Builders
&
General order Suppliers

বাপতি সাহোন 'বিহু' কোনদিশে....

প্ৰদীপ কুমাৰ গগৈ

বিহু হ'ল আমাৰ অসমীয়া জাতিৰ দাপোণস্বৰূপ। কেৱল অসমীয়া জাতিয়েই নহয়, সমগ্ৰ ভাৰততেই বহু জাতি-উপজাতিয়ে বসবাস কৰে আৰু প্ৰত্যেকৰে নিজৰ নিজৰ জাতীয় বৈশিষ্ট আছে। ঠাই বিশেষে ইয়াৰ নাম হয়তো বেলেগ বেলেগ হৈছে বা হ'বও পাৰে। বিভিন্ন নামেৰে ইয়াক পালন কৰা হয়।

বসন্ত কাল অহাৰ লগে লগে প্ৰকৃতিয়ে নতুন ৰূপ ধাৰণ কৰে, গছ-গছনীবোৰেও পাত সলাই নতুন ৰূপত উজলি উঠে। বিভিন্ন ৰঙৰ ফল-ফুলেৰে জাতিস্কাৰ হৈ বসুন্ধৰাখন সেউজ কৰি তোলে আৰু তাৰ লগে লগে কুলি-কেতেকীৰ মাতত প্ৰকৃতিৰ সীমাহীন আনন্দৰ জোঁৱাৰ উঠাৰ লগে লগে নতুন বছৰ ব'হাগক আদৰণী জনায়।

আমি পৃথিৱীৰ বা ভাৰতবৰ্ষৰ কথা নকৈও আমি বাসকৰা অসমখনৰ কথাকে ক'ব পাৰো যে অসমখন হ'ল বহুত জাতি-উপজাতিৰে সংমিশ্ৰণ। প্ৰত্যেক জনগোষ্ঠীৰে নিজৰ নিজৰ ভাষা-সংস্কৃতি আছে আৰু জাতি বিশেষে বেলেগ বেলেগ পদ্ধতিৰে ইয়াক পালন কৰা হয়। ইয়াৰ মূল বৈশিষ্ট একেই। কিন্তু বৰ্তমান যুগত দেখা যায়—এই সংস্কৃতিয়ে সময়ৰ সোঁতত পৰি আধুনিক তথা যান্ত্ৰিক যুগত সংস্কৃতিয়ে আধুনিকতাৰ ৰহণ সানি অপ-সংস্কৃতিলৈ ৰূপান্তৰ হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ ব'হাগ বিহুটিক যদি আমি সকলোৱে এই অপ-সংস্কৃতিৰ কবলৰ পৰা উদ্ধাৰ কৰিব নোৱাৰো তেতিয়া হ'লে অদূৰ ভৱিষ্যতে আমাৰ অতি মৰমৰ বাপতি সাহোন বিহুটিয়ে কি ৰূপ লয় তাক হয়তো সময়েহে ক'ব আৰু তাৰ লগে লাগে উঠি অহা নতুন প্ৰজন্মই কি শিকিব সেইটো কিন্তু সকলোৱে উপলব্ধি কৰক। সেয়েহে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱে লিখিছিল আৰু ৰাইজৰ আগত সুৰ দি গাইছিল।

অমি অসমীয়া নহওঁ দুখীয়া
বুলি শান্তনা লভিলেই নহ'ব,
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।

সংস্কৃতি হ'ল বোৱতী নৈ। এখন নৈ বৈ গৈ আছে সাগৰৰ ফালে, তাত পৰি যোৱাৰ পিছত নৈখনৰ অস্তিত্ব নোহোৱা হয়। নৈখনৰ শেষ সীমা হ'ল সাগৰ। সাগৰত পৰি ই বিলীনহৈ যায়। ঠিক তেনেকৈয়ে যদি আমাৰ সংস্কৃতিবিলাক বোৱতী নৈৰ লগত তুলনা কৰি এৰি দিয়া হয়, তেতিয়া ইয়াৰো নৈখনৰ দৰেই নহ'ব জানো? গতিকে ইয়াক (সংস্কৃতিক) ধৰি ৰখাৰ আমাৰ সকলোৰে কৰ্তব্য। ক্ৰমান্বয়ে আমাৰ সংস্কৃতিবিলাক পশ্চিমীয়া আদব-কায়দাৰে গঢ়লৈ উঠা পৰিলক্ষিত হোৱা দেখা যায়। এটা জাতি হিচাপে চিনাকি দিবলৈ হ'লে প্ৰথমে জাতিটোৰ ভাষা আৰু তাৰ লগে লগে আহি পৰে সংস্কৃতিটো। এই দুয়োটা জাতি এটাৰ অতি প্ৰয়োজন, তেতিয়াহে আনৰ আগত জাতি হিচাপে চিনাকি দিব পাৰিব।

গতিকে আমি সকলো অসমীয়াই চিন্তা-চৰ্চা কৰি ইয়াক ৰক্ষা কৰাৰ কৰ্তব্য, সময় আহি পৰিল। এই বিলাক ভাবি চিন্তিয়ে কিছু সংখ্যক অসমৰ বুদ্ধিজীৱী, সাহিত্যিক, শিক্ষাবিদ, শিল্পী আৰু সমাজ কৰ্মীসকলক আমন্ত্ৰণ জনাই এই বিষয়ত খৰচি মাৰি আলোচনাৰ পিছত সৰ্ব্বসন্মতভাৱে কিছু সিদ্ধান্ত গ্ৰহণ কৰি বৃহত্তৰ গুৱাহাটী বিহু সন্মিলনী সমন্বয় ৰক্ষী সমিতি নামেৰে নামাকৰণ কৰি এক পদক্ষেপ গ্ৰহণ কৰা হয়। যোৱা ডিচেম্বৰ ২০১৫ চনৰ ১২ আৰু ১৩ ত দুদিনীয়া কাৰ্যসূচীৰে অসম বিহু সন্মিলনী সমূহক ৰাজ্যিক অভিবৰ্তন গুৱাহাটীৰ জিলা পুথি ভঁৰালত অনুষ্ঠিত কৰা হৈছিল। এই অভিবৰ্তনত আমাৰ ৰুক্মিণীনগৰ বিহু সন্মিলনৰ ফালৰ পৰা আমি উপস্থিত আছিলো। উক্ত অভিবৰ্তনত বিহুৰ ওপৰত কিছুমান নিয়ম-প্ৰণয়ন আৰোপ কৰে। সেই নিয়মবিলাক আমাৰ বিহুৰ মুখপত্ৰ 'সাহোন'ৰ জৰিয়তে ৰাইজ তথা পাঠক/ পাঠিকাসকলৰ আগত ডাঙি ধৰা হ'ল।

বিহু সন্মিলনী সমন্বয় ৰক্ষী সমিতিয়ে

গ্ৰহণ কৰা কেইটামান গুৰুত্বপূৰ্ণ

সিদ্ধান্ত বিহুৰ অভিৱৰ্ত্তনত আলোচনা কৰি গ্ৰহণ কৰা হয়'—

তাকেই ইয়াত উল্লেখ কৰিলো।

(১) অসমৰ জাতীয় উৎসৱ 'ৰঙালী বিহু' চ'তৰ সংক্ৰান্তিৰ পৰা ব'হাগৰ ছয় তাৰিখলৈ অনুষ্ঠিত হ'ব লাগে আৰু সাতদিনৰ দিনা সামৰণী পেলাব লাগে যাক কোৱা হয়, সাতবিহু। কিন্তু এইক্ষেত্ৰত বহু বিহু সন্মিলনীয়ে বিভিন্ন কাৰণত সাতদিনৰ ভিতৰত বিহু সামৰা সম্ভৱ নহবওঁ পাৰে, গতিকে ব'হাগ মাহৰ ভিতৰত বিহু সামৰাৰ পোষকতা কৰে। তেতিয়া সৰ্বসন্মতভাৱে ব'হাগৰ ভিতৰতেই বিহু উৎসৱ সামৰণী মৰাৰ কাৰণে প্ৰস্তাৱটো গৃহিত হয়।

(২) ৰঙালী বিহু যিহেতু এক সাংস্কৃতিক উৎসৱ সেয়েহে পৰম্পৰাগত বিহু, বিহু হুঁচৰিকে প্ৰমুখ্য কৰি অসমৰ লোক-সংস্কৃতিক অধিক গুৰুত্ব প্ৰদান কৰিব লাগে।

(৩) অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুৰ মঞ্চত গীত-মাত পৰিৱেশন কৰাৰ সময়ত শিল্পীসকলে জাতীয় সাজপাৰ পৰিধান কৰিব লাগে। উদ্যোক্তাসকলৰ ক্ষেত্ৰতো এই নীতি প্ৰযোজ্য হ'ব।

(৪) বিহু মঞ্চত যি পৰ্যায়ৰ ব্যক্তি নহওক কিয়, নিচাসক্ত অৱস্থাত মঞ্চত প্ৰৱেশ কৰিব নোৱাৰিব।

(৫) যিসকল শিল্পীক বিহু মঞ্চত অনুষ্ঠান পৰিৱেশনৰ বাবে আমন্ত্ৰন জনোৱা হয়, তেখেতসকলে বিহু সন্মিলনীয়ে প্ৰস্তুত কৰা চুক্তি পত্ৰত স্বাক্ষৰ কৰিব লাগিব।

(৬) শিল্পীৰ মাননী সম্পৰ্কে বিহু সন্মিলনীয়ে আলোচনাৰ মাধ্যমেৰে সিদ্ধান্ত গ্ৰহণ কৰিব।

(৭) অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুটিক কিছু সংখ্যক বহুজাতিক প্ৰতিষ্ঠানে আৰু স্বেচ্ছাসেৱী সংগঠনে নিজৰ ব্যৱসায়িক লাভালাভৰ বাবে অনুষ্ঠিত কৰি অহা পৰিলক্ষিত হৈছে। এটা জাতিৰ 'জাতীয় উৎসৱ কেতিয়াও প্ৰচাৰৰ উৎস হ'ব নোৱাৰে। গতিকে ইয়াক বাধা দিয়াৰ সময় আহি পৰিছে।

(৮) জাতীয় উৎসৱ 'ৰঙালী বিহুৰ' কম পক্ষেও প্ৰথম দুদিন 'সুৰামুক্ত' দিন হিচাপে ৰাজ্য চৰকাৰে ঘোষণা কৰিব লাগে।

(৯) ৰঙালী বিহুৰ সাংস্কৃতিক কাৰ্যক্ৰমণিকা নিশা ১২ বজাৰ ভিতৰত সমাপ্ত কৰা বাঞ্ছনীয়। দূৰণিবটীয়া শিল্পীক 'আমন্ত্ৰণ জনালে তেখেতসকলক নিশা থকা-খোৱাৰ ব্যৱস্থা বিহু সন্মিলনীয়ে দায়িত্ব লোৱা উচিত।

(১০) জাতীয় উৎসৱ 'ৰঙালী বিহুৰ'—কেইদিন সকলো পক্ষই ব্যৱসায়িক দৃষ্টিভঙ্গী ত্যাগ কৰিব লাগে আৰু বৰ্দ্ধিত বাজেট হ্ৰাস কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে।'

এতিয়া দেখা গ'ল—উক্ত নিয়ম বিলাক পালন কৰি যদি বিহু সন্মিলনীবিলাকে বিহু উৎসৱ পাতে—তেতিয়া হয়তো আমাৰ বাপতি সাহোন ৰঙালী বিহুটি নিশ্চয়কৈ অটুট থাকিব আৰু আমি আনৰ আগত গৰ্ব অনুভৱ কৰিব পাৰিম।◆

নাৰী ঃ এক মননশীল অনুভৱ সকলো নাৰীলৈ শ্ৰদ্ধাৰে

চৰিফুল ইছলাম

এক/নাৰী পুৰুষ নহয়

কেৱল শাৰীৰিক সামঞ্জস্য হীনতাই নহয়, অন্যান্য বহু ক্ষেত্ৰতে নাৰী আৰু পুৰুষৰ মিল নাই। নাৰীয়ে গৰ্ভধাৰণ কৰিব পাৰে, সন্তান জন্ম আৰু স্তনপান কৰাব পাৰে। নাৰী স্বভাৱতে কোমলাঙ্গী, স্পৰ্শকাতৰ তথা মৰমিয়াল হয়। ইয়াৰ বিপৰীতে পুৰুষসকলে দৈনন্দিন জীৱনকালত কঠোৰ আৰু বাস্তৱবাদী মনোভাৱাপন্ন হোৱাৰ বাবে জীৱনৰ যিকোনো জটিলতকৈও জটিল কাৰ্যত নিজকে আত্মনিয়োগ কৰিব পাৰে। অৱশ্যে এই বিশ্ব চৰাচৰত নাৰী অবিহনে পুৰুষ অথবা পুৰুষ অবিহনে নাৰী অচল। সৃষ্টি ৰক্ষা কৰিবলৈকে নাৰী-পুৰুষৰ মিলন অপৰিহাৰ্য হৈ পৰে। তৎস্বত্বেও পুৰুষসকলে নাৰীহীন জীৱন এটা 'বেফিকিৰ' চলাই নিব পাৰে। কিন্তু নাৰীসকলে? এটা সংশয়হীন জীৱনৰ বাবে নাৰীক লাগে আশ্ৰয় তথা নিৰাপত্তাৰ নিশ্চয়তা। এইখিনিতে নাৰী হয় অসহায়। পুৰুষ সঙ্গী অবিহনে মুকলিমূৰীয়া মন লৈ নাৰীৰ ঘূৰা-ফুৰাত প্ৰতিবন্ধকতা আহি পৰে। এটি সঁচা কাহিনী মনলৈ আহিছে। বিহুৰ দিনত হুঁচৰি গোৱা দল এটিত নাচনী আছিল এজন সুদৰ্শন ল'ৰা। তেওঁ বৰ সুন্দৰকৈ মেখেলা-চাদৰ, বক্ষ-বন্ধনী তথা লগাই লোৱা চুলিৰ খোপা বান্ধিছিল। বহু নিশালৈ মানুহৰ ঘৰে ঘৰে বিহু গাই ঘৰা-ঘৰি হোৱাৰ সময়ত আমাৰ এই নাচনী অকলশৰীয়া হ'ল। অলপদূৰ যোৱাৰ পাছত তেওঁ লক্ষ্য কৰিলে কোনোবা দুজনে তেওঁৰ পিছ লৈছে। নাচনীয়ে প্ৰমাদ গণিলে। এটা সময়ত তেওঁ দৌৰিবলৈ আৰম্ভ কৰিলে। পিছ লোৱা দুজনেও দৌৰি খেদাত লাগিল। অৱশেষত ঘৰ গৈ পাইহে বপুৰাই উশাহ সলালে। তেতিয়াহে হুচ আহিল ছোৱালী নাচনী হোৱা কেনে বিপদ!

দুই/নাৰী স্বাধীনতাৰ অন্যপিঠি

ৰি-মিক্স কৰি নতুনকৈ বনোৱা 'কাঁটা লাগে' গানটোৰ দৃশ্যাংশ চাই আমি যিমান ৰোমাঞ্চিত হওঁ, 'দোলা ৰে দোলা ৰে' গানটোৰ দৃশ্যাংশ চাই তেনে অনুভৱে আমাক দোলা দি নাযায়। নতুন যুগৰ পৰিৱৰ্তনকামী সময়ৰ জনপ্ৰিয়তাৰ তুলাচনীত দুয়োটা গানেই শ্ৰুতিমধুৰ যদিও 'কাঁটা লাগে'ৰ দৃশ্যাংশই খলকনি তোলে ইয়াৰ আবেদনময়ী ৰূপৰ বাবেহে। পশ্চিমীয়া জীৱন যাত্ৰাৰ স'তে তালত তাল মিলাই নাৰীসকলে আজিকালি অধিক স্বাধীনতা ভোগ কৰি নিজক তুলি ধৰে। নাৰীৰ প্ৰতি থকা স্বভাৱজাত দুৰ্বলতাৰ বাবে পুৰুষে নাৰীৰ উন্মুক্ত শৰীৰ চাই অহেতুক তৃপ্তি অনুভৱ কৰে। ইয়াৰে সুবিধা লৈ 'নাৰী দেহ'ক পণ্য সামগ্ৰী কৰি তোলে ব্যৱসায়িক প্ৰতিষ্ঠান, বোলছবি, টি ভি ছিৰিয়েল আদিৰ অত্যুৎসাহী ব্যক্তি তথা অনুষ্ঠান বিশেষে। এতিয়া এইবোৰ তেনেই সহজ কথা হৈ পৰিল। নাৰীসকলেও লাজ-মান নোহোৱাকৈ সুৰা, ছিগাৰেট, চাবোন আদিৰ ৰঙীন বিজ্ঞাপন, মিউজিক কেছেট, মিউজিক, ব্যৱসায়িক ছেনেল, বোলছবি

আদিত অকৃপণভাৱে শৰীৰ প্ৰদৰ্শন কৰে। এগৰাকী অভিনেত্ৰী (মল্লিকা ছাৰাৱট)ৰ এই সংক্ৰান্তত নিঃসংকোচ মন্তব্য হ'লঃ 'দেউতাই যদি অন্য নাৰীৰ নগ্ন দেহ চাই সুখ অনুভৱ কৰে, মোৰ দেহ সৌষ্ঠৱ চোৱাত বা আনক দেখুওৱাত আপত্তি কিহৰ?'

আজি নাৰী স্বাধীনতাৰ এই অবাধ গতিয়ে আমাৰ সমাজ ব্যৱস্থাত তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। বিজতৰীয়া সংস্কৃতিৰ (বুগী-বুগী, অন্ত্যাক্ষৰী আদি) কোবাল সোঁতত পৰি উঠি অহা চামৰ যি অৱক্ষয় প্ৰত্যক্ষ কৰিছোঁ, সি আমাক কেতিয়াবা নিস্তাৰ দিবনে? সঁচাকৈয়ে ভাবিবলগীয়া কথা।

তিনি/কৰ্মৰত মহিলাৰ অধিকাৰ

কৰ্মৰত মহিলাসকলৰ বিভিন্ন সমস্যা চালি-জাৰি চাই ভাৰতীয় সংবিধানে যিবিলাক মৌলিক অধিকাৰ মহিলাসকলক দিছে, সেইবিলাক সময়োপযোগী তথা যুক্তিশীল হৈছে। অথচ এই অধিকাৰৰ গইনা লৈ মহিলাসকলে পুৰুষ প্ৰধান ৰাষ্ট্ৰৰ কাৰখানা, অফিচত যৌথভাৱে কাম কৰি কিছুমান নতুন সমস্যাৰ সৃষ্টি কৰিছে। এই সমস্যাৰ ভিতৰত সামাজিক স্তৰত নথকা কিছুমান কথা কাণ্ডও আছে। যেনে, অধিক মুকলি মন লৈ কাম কৰাৰ তাগিদা অনুভৱ কৰিলেও এগৰাকী পুৰুষ সহকৰ্মীয়ে এগৰাকী নাৰীক জৰুৰী অৱস্থাতো নিশা বহু সময়লৈ ৰাখি থ'ব নোৱাৰে। সংবিধানৰ ধাৰা ৬৫ অনুসৰি মহিলা কৰ্মচাৰীক সন্ধিয়া সাত বজাৰ পৰা পুৱা ছয়বজালৈ কামত ল'ব নোৱাৰি। আনহাতে এগৰাকী নাৰীৰ ক্ষেত্ৰত আমাৰ সমাজে সদনামতকৈ বদ্‌নামতহে বেছি গুৰুত্ব দিয়ে। কাৰণ ৰক্ষণশীলতাৰ পৰা আমাৰ তথাকথিত সমাজ এতিয়াও ওলাই আহিব পৰা নাই।

যদি পুৰুষৰ সৈতে মহিলাসকলে 'সমান কাৰ্য সমান বেতন' (সংবিধানৰ ৩৯ অনুচ্ছেদ অনুসৰি)ৰ আধাৰত কাৰ্যই কৰে, তেনেহ'লে পুৰুষে মহিলাৰ সৈতে মুকলি মন লৈ শালীনতা ৰাখি যিকোনো কথা পতাৰ অধিকাৰো পাব লাগে। অথচ দৃষ্টিকটু (!) দেখি বাবে পুৰুষৰ সৈতে নাৰীয়ে কৰ্মস্থানতো ব্যৱধান ৰাখি চলে। ফলত পুৰুষ কৰ্মীয়ে বেছিসময় অতিবাহিত কৰা কৰ্মস্থানত নাৰী সহকৰ্মীৰ সৈতে কিছুমান জৰুৰী যেন লগা কথাও (ব্যক্তিগত বা ৰাজহুৱা) ব্যক্ত কৰাত ইতস্ততৱবোধ কৰিব লগা হয়।

কৰ্মক্ষেত্ৰত নাৰীক লাগে অধিক নিৰাপত্তা আৰু সুযোগ। পুৰুষ প্ৰধান কৰ্মস্থানত ই অতীব জৰুৰী। কিন্তু কিছু বিবদামান নাৰী কৰ্মীয়ে সুযোগ বুজি নিজৰ স্বাৰ্থসিদ্ধিৰ হকে পুৰুষকৰ্মীৰ ওপৰতে মিছা অপবাদ জাপি দিয়ে, যিটো অক্ষমনীয়। বিচাৰ বিবেচনা নকৰাকৈ প্ৰতিষ্ঠানৰ নাৰী গোটসমূহে এইক্ষেত্ৰত কোনো উচ্চবাচ্য নকৰাই ভাল। নাৰীৰ অধিকাৰৰ হকে কেৱল নাৰীয়েই নহয়, পুৰুষেও যৎপৰোনাস্তি প্ৰচেষ্টা চলায়। গতিকে নাৰীসকলে নিজৰ লগতে পুৰুষ সহকৰ্মীৰ ওপৰতো নিৰ্বিঘ্ন বিশ্বাস ৰোপণ কৰা উচিত। নহ'লে অফিচৰ ডেক'ৰামে নাথাকিব।

চাৰি/বিষয়ঃ নাৰী

নাৰীৰ বিষয়ে অনেকে অনেক কথা লিখিছে। অনেক উপমাৰে নাৰী তথা নাৰীৰ সৌন্দৰ্যক প্ৰশংসা কৰিছে। যথা নাৰী মমতাময়ী, হৰিণীনয়নী, কেঁচাসোণ যেন, তিলোত্তমা ইত্যাদি। যুগে যুগে নাৰীক সজাই তোলা হৈছে সুন্দৰ প্ৰসাধনেৰে। সজাই তোলা হৈছে উত্তাল যৌৱনৰ এচাৰকনিৰূপে। কি ধৰণে আজি নাৰীৰ সৌন্দৰ্যক উপভোগ কৰিব পাৰি, বিশ্বৰ ব্যৱসায়িক মঞ্চত এই লৈয়ে নিতৌ প্ৰতিযোগিতা হৈছে। সাংস্কৃতিক তথা ৰাজনৈতিক মঞ্চত নাৰীৰ দ্বাৰাই গঢ়ি তোলা হৈছে এক আকৰ্ষণী চুম্বক। এতিয়া নাৰীৰ বাবে কেৱল সন্তান পালনৰ কাৰ্যই যথেষ্ট নহয়, আৰম্ভ হৈছে মনালিছা যাত্ৰা। নাৰীয়ে আগবাঢ়ে সুন্দৰতা চৰ্চাৰ মাধ্যমেৰে অথচ আধ্যাত্মিক জগততো নাৰী হয় সৰ্বমঙ্গলা জননী!

দুৰ্গাৰ শক্তি, আদ্য নাৰী শক্তি। এই শক্তিও নাৰী জীৱনৰে প্ৰতীক। নাৰীয়ে সৃষ্টিৰ সৈতে একাত্ম হৈছে। বিশাল

সৃষ্টিৰ আৰম্ভণি হৈছে। দুৰ্নীতি তথা দুষ্কৃতি নাশি হৈছে পৰিত্ৰাণকাৰী। শক্তি পূজাৰ আৰাধনা, প্ৰাৰ্থনা, অৰ্চনা আমাৰ সংস্কৃতিৰে উদাৰ দৃষ্টিভংগীৰ প্ৰতিভূ। আমাৰ ধৰ্ম তথা সমাজ জীৱনত নাৰী আৰু পুৰুষক সমান আসন দিয়া হৈছে। সমান ক্ষমতা প্ৰদানেৰে এই সম্বন্ধক সন্মান জনাইছে। আজিকালি বৌদ্ধিক দিশতো নাৰী-পুৰুষৰ তফাৎ নাইকিয়া হৈছে। নাৰী উচ্চশিক্ষিতা, উচ্চ পদত কৰ্মৰতা, উচ্চ আধ্যাত্মিক জ্ঞানপ্ৰাপ্তা, বৈজ্ঞানিক, মহাকাশযাত্ৰী, উচ্চ ক্ষমতাসম্পন্ন পুলিচ অধিকাৰী আদিত নাৰীক দেখা গৈছে। নাৰীয়ে এতিয়া চাইকেল চলায়, ৰিক্সা চলায়, গাড়ী চলায়, ৰেল চলায়, বিমান চলায় ইত্যাদি ইত্যাদি। নাৰীৰ বিষয়ে যথেষ্ট আলোচনা হৈছে যদিও নাৰীক প্ৰকৃতাৰ্থত পুৰুষৰ সৈতে সমমৰ্যাদা দিছোঁনে? নাৰীসকলে ইয়াৰ বাবে কেৱল প্ৰতিবাদ কৰিলেই নহ'ব। সঁচা অৰ্থত প্ৰমাণ কৰি দেখুৱাব লাগিব আমিও নাৰী। শক্তিৰ অধিকাৰিণী নাৰী। পুৰুষৰ সমানেই আমাৰ অধিকাৰ। ◆

ব'হাগ বিহুৰ এক পৰম্পৰা—সাতশাকী ব্যঞ্জন

জুৰি বৰুৱা

"চ'তে গৈয়ে ব'হাগে পালেহি,
ফুলিলে ভেবেলি লতা,
কৈ থাকো মানে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা"

ব'হাগৰ ৰঙালী বিহুৰ বাৰে ৰহনীয়া কথা কৈ শেষ কৰিব নোৱাৰি। বিহুৱে নিজৰ জোলোঙাত সময়ৰ ভালেখিনি সম্ভাৰ সুমাই লৈছে। আকৌ ইয়াৰে বুকুত নিহিত হৈ আছে অসমৰ ভালে মান লোক বিশ্বাস। বিহুৰ বতৰত সাতশাকী বা সাকশেতী (শাকতি) খোৱা প্ৰথা অসমৰ প্ৰায়বোৰ জনগোষ্ঠীৰ মাজতে আছে।

অসমীয়া খাদ্য-সংস্কৃতিত শাক-পাতবোৰৰ এক বিশেষ স্থান আছে। দিনটোৰ যিকোনো এসাঁজত শাকৰ আঞ্জা নহ'লে অসমীয়াৰে পেটৰলে ভাতেই নাযায়। ৰন্ধা-বঢ়াত নিপুণ অসমীয়া মহিলাসকলে এই সাধাৰণ বন শাকেৰে ব্যঞ্জন ৰান্ধিব পাৰে। শাক ৰান্ধিব পৰা জনহে আচল ৰান্ধনী। প্ৰবাদ আছে—'শাক ৰান্ধিবলৈ খুম নাই ভোজ ৰান্ধিবলৈ হুঁহু কৰে।' আকৌ "শাকে শোকোতাই ভক্ষণ সেই পুৰুষৰ লক্ষণ।" গাঁৱলীয়া সমাজত শাক পাতবোৰৰ বিশেষ সমাদৰ আছে। এই ঔষধি গুণযুক্ত শাকে কেইবাবিধ ৰোগৰ উপশম ঘটোৱাত সহায়কাৰী ভূমিকা পালন কৰে। এই শাকবোৰ এনেই শুদাকৈ ৰান্ধি খোৱাৰ উপৰিও মাছ-পুঠি দিও জুতি লগাই খোৱা হয়।

এই শাকবোৰৰ লগত আমাৰ অতিকৈ চেনেহৰ ৰঙালী বিহুটিৰ সম্পৰ্ক অতি ঘনিষ্ঠ। অসমীয়া জাতিৰ প্ৰাচীন আৰু পৰম্পৰাগত এই জাতীয় উৎসৱটিত অসমীয়াসকলে কিছুমান ৰীতি-নীতি, বিশ্বাস-পৰম্পৰা পালন কৰা দেখা যায়। তেনে এটা পৰম্পৰা হ'ল শাকখোৱা পৰম্পৰা। বিহুৰ বতৰত প্ৰায়বোৰ লোকেই সাতশাকী খায়। কোনোৱে গৰু বিহুৰ দিনা, কোনোৱে মানুহ বিহুৰ দিনা আৰু ঠাই বিশেষে সাতবিহুৰ দিনাখনো সাতশাকী খায়। ঠায়ে ঠায়ে শাকৰ আঞ্জা খোৱাৰ উপৰিও জ্বলা আঞ্জা খোৱাৰ নিয়মো আছে। নামনি অসমৰ ফালে 'শাকতোলা' গীত গাই গাই মহিলাসকলে শাক তোলে। তেনে এটি গীত হ'ল—

'খুদুনা শাকৰ গলে ধৰি
ভৌৱা শাকে কান্দে
আজি খুদুনাক নিবা আইচু
ভাজা খাবা লাগে।'

যদিও বিহুৰ ভিতৰত সাতবিধ শাক খোৱাকে 'সাতশাকী' বোলে, কিন্তু বিহু বলিয়া গ্ৰাম্য জীৱনৰ লোক সমাজে সেইদৰে নাভাবে। তেওঁলোকে খোৱাৰ উপযোগী সকলো প্ৰকাৰ শাককে সাতশাকীৰ ভিতৰত স্থান দিয়ে। উজনি অসমত সাতশাকী বুলিলে এশ সাত বা এশ আঠবিধ শাক বুজায়। কোনোৱে এশ এবিধ শাক সাতশাকীত ব্যৱহাৰ কৰে। সাতশাকীত ব্যৱহৃত কেইবিধমান শাক হ'ল—

টেকীয়া, নেফাফু, পদিনা, ভেদাইলতা, খুতুৰা, মানিমুনি, মাটি কাদুৰী, নৰসিংহ, জিলমিল, মছন্দৰি, পিৰালি পালেং, পচতীয়া, মৰলীয়া, সৰিয়হ শাক, ধতুৰা, বিশল্যকৰণি, মেথিশাক, জাতিলাউৰ আগ, ৰামতুলসী, কঁচু, দুপৰটেঙা, পিপলি, পনৌনৌৱা, আমৰ মল, চেংমৰা, পুৰৈ, বিয়নি সাবটা, লাইজাবৰী, ব্ৰাহ্মীশাক, সিদ্ধিলতা, ভৃংগৰাজ, চিৰতা, বৰ মানিমুনী ইত্যাদি। সাতশাকী নোখোৱাকৈ খেতিয়কসকল পথাৰলৈ হাল বাবলৈ নাযায়। তিতা শাক যেনে—শোকোতা, শেৱালি ফুল, বাহকা, নিম, বেতগাজ, ভেকুৰি, তিতা কেৰেলা—এইবোৰকো সাতশাকীত অন্তৰ্ভুক্ত কৰিব পাৰি। ঠাই বিশেষে ৰঙালী বিহুত সাততিতা খোৱাৰো নিয়ম আছে। ব'হাগ বিহুত সাততিতা খালে বছৰটোলৈ নিৰোগী হৈ থাকিব পাৰি বুলি বিশ্বাস কৰা হয়। সাততিতাৰ দৰে সাতশাকীয়েও মানুহৰ শৰীৰটোক ৰোগমুক্ত কৰি সুস্বাস্থ্যৰ অধিকাৰী কৰাত সহায় কৰে। কিন্তু দুখৰ কথা যে আজিৰ প্ৰজন্মই এই বনশাকবোৰ চিনিয়ে নাপায়। গাঁৱৰ অঞ্চলত এনেবোৰ ঔষধি গুণযুক্ত খাদ্য খায়েই বেমাৰ আজাৰ ভাল হৈছিল। ব'হাগ বিহুৰ দৰে আন কোনো উৎসৱতে গছ-বনৰ ইমান ব্যৱহাৰ নহয়।

মুঠৰ ওপৰত অসমীয়া সমাজত সাত বিহুৰ সাতশাকী, ভুত চতুৰ্দশীৰ চৈধ্য শাক খোৱা ৰীতি সকলোৰে বিদিত। সেয়েহে প্ৰবাদ মতে—

'মাংসত মাংস বাঢ়ে
ঘৃতে বাঢ়ে বল,
এৱাঁ দুগ্ধত চন্দ্ৰ বাঢ়ে
শাকত বাঢ়ে মল।'

ব'হাগ বিহুৰ খাদ্যাভাসৰ প্ৰতি অসমভূমিৰ জনগোষ্ঠীয় সম্প্ৰদায়ে স্বকীয় বিশ্বাস, পৰম্পৰা, ৰীতি-নীতি, আহাৰ আদি সমন্বয়ৰে বিহু উৎসৱটিত অনৈক্যৰ মাজত ঐক্যৰ কথাকে সূচায়।◆

With best Compliments from.....

State Bank of India

কৈনো কৈ থাকোতে ওৰকে নপৰে.....

ইনু দত্ত

চাওঁতে চাঁওতে ঋতুৰাজ বসন্ত আহি পালেহি। ফাগুনে ধৰাৰ বুকুত ৰং ছটিয়াই মেলানি মাগিলে। বসন্তৰ আগমনত গছ লতাই পুৰণি ৰূপ সলাই ন-সাজেৰে সাজিলে। গছে কুঁহিপাত মেলিলে। নানা ৰঙৰ ফুল ফুলিলে। কপৌ, কেতেকী, তেজৰঙা পলাশ, মদাৰ, নাহৰ ফুলৰ গোন্ধে বসন্তক আদৰণী জনোৱাৰ লগে লগে কুলি, কেতেকীয়েও গছৰ ডালত বহি নিজৰ মধুৰ সংগীত জুৰিলে।

ঋতুৰাজ বসন্তৰ আগমনত প্ৰকৃতি অন্তঃসত্বা হ'ল। এই বসন্তৰে এক অনুপম অৱদান হ'ল ব'হাগ। ব'হাগ অহাৰ লগে লগে অসমীয়া জাতিৰ প্ৰাণৰো প্ৰাণ ৰঙালী বিহুটি আহি পালেহি। প্ৰকৃতিৰ নিয়ম-নীতি সকলো একেই থাকিল? কিন্তু মানুহৰ ৰীতি-নীতি, সংস্কৃতি জানো একেই থাকিল। সময়ৰ লগে লগে এই ৰীতি-নীতি, সংস্কৃতিবোৰো যে সলনি হ'ব ধৰিছে। ফাগুনে সিঁচি দিয়া ৰঙীন মনবোৰ, কুলি-কেতেকীৰ মন জুৰোৱা বিননি শুনিবৰে পৰা, গছৰ তলত, উদং পথাৰত ঢোল-পেঁপা, গগণাৰ শব্দ জানো আজি শুনিবলৈ পোৱা যায়? সেই তাঁতশালৰ শিপিণীৰ মাকোঁৰ খিট্ খিটনি, ঢেঁকী শালৰ ঢেঁকীৰ দপ্‌দপনি শুনি বাপুকণ, হৰিধন, মনবৰহঁতৰ মনবোৰ জানো আজি বলিয়া হয়?

"বহো তাঁতৰ পাতত চকু আলি বাটত
মাকো সৰি সৰি পৰে।"

বুলি আজিৰ গাভৰুৱে জানো বিহুগীত গাই চেনাইধনলৈ বিহুৱান বয়?

সৌ তাহানি চ'ত সোমোৱাৰ লগে লগে অসমীয়াৰ প্ৰতি ঘৰে ঘৰে চেনেহৰ দীঘ দি, মৰমৰ বাণীৰে বিহুৱান বয়। এই বিহুৱান প্ৰিয়জনক, আপোনজনক, জ্যেষ্ঠজনক মৰম শ্ৰদ্ধাৰ চিন হিচাপে উপহাৰ দিয়ে। বিহুলৈ এসপ্তাহ থকাৰ আগৰে পৰা গাঁওবোৰত ঢেঁকীৰ শব্দই তোলপাৰ লগায়। প্ৰতি ঘৰে ঘৰে চিৰা, সান্দহ, পিঠা খুন্দে। বিধে বিধে পিঠা বনায়। তিলপিঠা, ঘিলা পিঠা, হুতুলি পিঠা, লুঠুৰি পিঠা আদিয়ে পাকঘৰ ভৰাই পেলায়। কিযে এটা আমোল-মোল গোন্ধে মোক খা, মোক খা কৰি তোলে প্ৰত্যেকৰে মন।

গৰু বিহুৰ দিনা গাঁৱৰ প্ৰতিঘৰৰে গৰু নৈ বা বিলত সকলোৱে একেলগে গা ধুৱাই 'লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা' বুলি লাউ, বেঙেনা, তিয়ঁহ গৰুৰ গালৈ দলিয়াই গোৱাৰ সেই আনন্দ, সেই মাদকতা আজি ঠায়ে ঠায়ে আছে যদিও আগৰ তুলনাত যেন বহু সীমিত। গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে বাৰীৰ চুকৰ পৰা চিঙি অনা জেতুকা জোপাৰ ৰঙেৰে দুহাত বোলাই পেলায়। পিছদিনা গছৰ তলত বিহু মাৰিবলৈ গৈ ইজনীয়ে সিজনীৰ দুহাত মিলাই চায় কাৰ হাতত বেছিকৈ জেতুকাৰ ৰং লাগিল। ঘৰৰ বাৰীৰ পৰা বুটলি অনা এশ এবিধ শাকৰে ৰন্ধা আঞ্জাখনৰো জুতিয়েই বেলেগ।

বিহুৰ দিনা ককাই-ভাই, ইষ্ট-কুটুম্ব সকলো মিলি জলপান

খোৱা আনন্দই সকলোকে একতাৰ দোলেৰে বান্ধে। সকলে বৰক সেৱা জনায়, বৰে আশীৰ্বাদ দিয়ে সকলোৰে মঙ্গল হ'বলৈ। গাঁৱৰ প্ৰতি ঘৰে ঘৰে হুঁচৰি গাই আৰম্ভ কৰে—

দেউতাৰ পদুলীত　গোন্ধাইছে মাধুৰী
কেতেকী মলে মলাই ঐ
গোবিন্দাই ৰাম।

ঢোল, পেঁপা, গগণাৰ মাজে গোটেই গাঁও ৰজনজনাই থাকে। সৰুতে হুঁচৰিৰ পাছে পাছে ইঘৰৰ পৰা সিঘৰলৈ যোৱা কিযে আনন্দ আছিল। মুঠতে—

কৈনো কৈ থাকোতে　ওৰকে নপৰে
আমাৰে বিহুৰে কথা।

আজিৰ বিহু গছৰ তলৰ পৰা মঞ্চ পালেহি। এই বিহুৱে অসমীয়াক বিশ্বদৰবাৰত তুলি ধৰিছে। কিন্তু বিহুৰ বাণিজ্যকৰণে যেন প্ৰাণ চঞ্চল কৰা জীপাল জীপাল আৱেগ অনুভূতিবোৰ ক'ৰবাত হেৰুৱাই পেলালে। আজি বহুতৰ বাবে বিহু স্বতঃস্ফূৰ্ত আনন্দৰ বৰ্হিপ্ৰকাশ নহৈ পুৰস্কাৰ লাভ আৰু সন্মান প্ৰাপ্তিৰ আখৰাথলী হৈ পৰিছে। তথাপি বিহু অসমীয়াৰ বিষুব ৰেখা, হিয়াৰ আমঠু হৈ ৰ'ব। ই চিৰদিন অসমীয়াৰ চালিকা শক্তি হৈ থাকিব। বিহুৱে প্ৰেৰণা দিয়ে সংস্কৃতিৰ পথাৰখনত সাহসেৰে আগবাঢ়ি যাবলৈ। বিহু নাথাকিলেও অসমীয়া জাতি জীয়াই থাকিব কিন্তু তাত প্ৰাণ নাথাকিব।

প্ৰকৃতিয়ে যেনেকৈ নিজস্বতা হেৰুৱাই নেপেলাই গছৰ কুঁহিপাত, কুলিৰ মিঠামাত জেতুকাৰ ৰং সলনি কৰা নাই ঠিক তেনেকৈ বিহু যেন অসমীয়াৰ মাজত সদায় জীয়াই থাকে, জীয়াই থাকিব সেয়া প্ৰত্যেকজন অসমীয়াৰে আশা। ◆

আমাৰ লোক কৃষ্টিত তামোল-পাণৰ গুৰুত্ব

মিনাক্ষী ডেকা

আমাৰ লোককৃষ্টিত তামোল-পাণৰ এক বিশেষ গুৰুত্ব আছে। তামোল-পাণ বুলি ক'লে সেলেঙী বোৱাই তামোল-পাণ খোৱা আইতাগৰাকীৰ প্ৰতিচ্ছবি মনলৈ আহে। প্ৰধানকৈ মুখ শুদ্ধিৰ বাবে তামোল-পাণ ব্যৱহাৰ কৰা হয় যদিও নাম-কীৰ্ত্তন, বিয়া-সবাহ, পূজা-সেৱা সকলোতে আদিৰ পৰা অন্তলৈকে তামোল-পাণৰ পয়োভৰ পৰিলক্ষিত হয়। ঈশ্বৰ সেৱাই হওঁক বা ভকত সেৱাই হওঁক প্ৰথমে তামোল-পাণ যুৰিৰ কথাই মনলৈ আহে। গাঁৱৰ সমাজত কোৱা শুনিছিলো— 'তামোল-পাণযুৰি আগবঢ়াই ৰাইজৰ ওচৰত সেৱা যাঁচিলে দায়-দোষ সাতখুন মাফ।'

দিনটোৰ কামৰ ব্যস্ততাৰ মাজে মাজে আইতা খুৰীহঁত লগতে ওচৰ চুবুৰীয়া লগলাগি তামোলৰ বটাখন আগত লৈ তামোল পাগুলি পাগুলি জ্যেষ্ঠজনৰ পৰা কামৰ দিহা-পৰামৰ্শ লোৱাৰ লগতে সুখ-দুখৰ কথা পাতি মনলৈ কিছু সজীৱতা আনি পুনৰ উদ্যমেৰে কামত লাগে। আমিও পিছে, আইতাহঁতৰ পৰা খুন্দা তামোলৰ ভাগলৈ ওঁঠ-মুখ ৰঙা কৰিছিলো। গাঁৱৰ প্ৰতিঘৰতে ভাতখোৱাৰ পাছত খাবলৈ তামোলখন যতনাই থ'বই লাগিব। ঘৰলৈ অহা অতিথি শুশ্ৰূষাৰ প্ৰধান সম্পদেই আছিল এই তামোলখন। এক কথাত এক মানী বস্তু। তামোল-পাণৰ বাৰীখনৰ সৈতে ঘৰখনৰ সৌন্দৰ্যই সুকীয়া। এই তামোল-পাণৰ বাৰীখনৰ সৈতে ঘৰখনৰ শুৱনিয়ে সুকীয়া। সেয়ে বিয়ানামত গায়—

আগাবাৰী শুৱনী কাকিনী তামোলে
পাছবাৰী শুৱনী পাণ,
বৰ ঘৰ শুৱনী গাভৰু ছোৱালী
উলিয়াই দিবলৈ টান।

তামোল-পাণৰ ব্যৱসায় কৰিয়ে বহু মানুহে পেট প্ৰৱৰ্ত্তাই আছে।

পুৰণি কালত গাঁৱৰ সমাজত চিঠিৰ প্ৰচলন নাছিল। বটাখনত তামোল-পাণযুৰি দি বিয়ালৈ নিমন্ত্ৰণী প্ৰথাও প্ৰায় নাইকীয়া হৈছে। ঠিক তেনেদৰে মৃতকৰ সকামলৈও বৰতীয়া দিবলৈ অহা মোনাখনতে তামোল-পাণ এযুৰি দি নিমন্ত্ৰণ কৰে। কাৰোবাৰ ঘৰত নাম-সকাম হ'লেও নামঘৰতে এনেদৰে তামোল-পাণ এযুৰি দি ভকতক নিমন্ত্ৰণ কৰে আৰু তেনেকৈয়ে ভকতসৱলৈ গৃহস্থক উদ্ধাৰ কৰে। বহু ঠাইত এই প্ৰথা এতিয়াও চলি আছে।

দুয়ো পক্ষই কথা-বতৰা পাতি বিয়াখন ঠিক কৰাৰ পিছত কইনাঘৰলৈ গৈ দৈ-কলৰ সৈতে তামোল-পাণৰ এখন ভাৰ দিয়া হয়। ইয়াকে তামোল-পাণ পেলোৱা বুলি কোৱা হয়। এই কথা বিহুগীততো প্ৰকাশ পাইছে—

এ ভনী জয়া মাই তোকে আনিবলৈ,
এ ভনী জয়া মাই তামোল-পাণ দিবলৈ,
ঐ মোৰ হ'লে, ককাই-ভাই নাই।

বিয়াৰ ৰভাতলীত মঙ্গলৰ চিনস্বৰূপে শৰাইত থোৱা থোক তামোল ৰখা নিশ্চয় সকলোৰে দৃষ্টিগোচৰ হৈছে। থোক তামোলৰ সৈতে জোৰণৰ ভাৰখনৰ সৌন্দৰ্যই সুকীয়া। এই তামোল-পাণক লৈয়ে কইনাঘৰীয়া নামতীয়ে ৰগৰ কৰি যোৱানাম গায় এইদৰে—

ফাগুণৰে পচোৱা

আয়তী বহি আছে শৰাই আগবঢ়োৱা

শৰাই দিয়াৰ পাছত গায়—

পাণো আনিছা মেকুৰী কণীয়া

তামোলো আনিছা ধেনা।

দোৱাত কলম চিঁয়াহী

আমাৰ আগত কেঁচা তামোল তৎক্ষণাৎ নিয়াহি।

পানী তোলাৰ সময়ত জলদেৱতাক তামোল-পাণ আগবঢ়াইহে পানী লয়। সেয়ে বিয়ানামত গোৱা হয়—

গুৱাপাণ আগুৱাই জললৈ নামিবা

সেৱা কৰি পানী ল'বা।

আকৌ দৰা-কইনা নোৱোঁৱাৰ সময়ত গায়—তামোল ঠিয় কৰি মূৰত তেলে দিবা সুগন্ধি মালতি হাতে।

তামোল-পাণৰ বটাখনৰ সৈতে নকইনাজনীৰ সৌন্দৰ্য্যই বেলেগ। ন-কইনাৰ হাতৰ পৰা তামোল এখন খাব নাপালে যেন গাঁৱৰ ডেকাইঁতৰ দেহ-মন জুৰ নপৰে। এই তামোলখন পাবলৈকে ন-কইনাৰ লগত কতযে ধেমালি। জ্যেষ্ঠজনক মান ধৰোতে কাপোৰ-কানিৰ লগতে তামোল-পাণ এযুৰিও দিয়া নিয়ম। সেয়ে কইনাজনীৰ লগত দিব লগা বস্তু-বাহানিৰ লগত এটোপোলা তামোল পাণও দি পঠোৱা হয়।

কামৰূপত দুৰ্গাপূজাৰ নৱমীৰ দিনা ৰঙা-নীলা কাগজেৰে কলগছৰ ওপৰত দেৱী সাজি গোটেই নিশা-গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে দেৱীৰ নামগুণ গাই দশমীৰ দিনা বিসৰ্জ্জন দিয়ে। দেৱী বিসৰ্জন দিয়া প্ৰসাদ ভাগৰ লগত তামোল থুৱিয়াই দিয়া হয় আৰু নাম গোৱা হয় এনেদৰে—দেৱী আই দেৱী আই ৰূপহী দেৱী আই দেৱী আই তামোল খাই বাকলি পেলাই যায় চোৱাই দি বান্ধি যায় আলি।

উক্ত নামফাঁকিৰ পৰা অনুমান কৰিব পাৰি দুৰ্গাদেৱী কিমান তামুলী আছিল।

আই ভগৱতীৰ বিদায় নামত যিখন আসন পতা হয় তাত বগা ফুলৰ লগতে ৯ খন তামোল দিয়া হয়। আইসকলে নাম গায় তোমাৰ পূজাৰ বস্তু বিচাৰি নাপায়।

অকল আইনাম, বিয়ানাম, দুৰ্গা গোঁসানীৰ নামতে নহয় দিহা নামতো তামোল-পাণৰ গুৰুত্বৰ কথা উল্লেখ আছে। যেনে—

গুৱা-পাণ আগুৱাই শৰাইখন সজাইলৈ

আগলি পাতলৈ থ'বা,

নামৰ অৰিহণা লাগে পাঁচে টকা

লখিমী ভঁৰালৰ পৰা।।

আকৌ ফঁকৰা-যোজনাত কৈছে—'গোপিনীৰ মাননি গুৱা।'—কিছুমান তামোল প্ৰিয় গোপিনী তামোলখন পালেই সন্তুষ্ট হয়। চাহ ভাত একো নালাগে। ভকত সন্তুষ্ট হ'লে ভগৱান সন্তুষ্ট হয়। সেয়ে তামোলখন পাই গোপিনী সন্তুষ্ট হোৱা মানে ভগৱান সন্তুষ্ট হ'ল।

পুৰণি কালত মানুহে সময়ৰ হিচাপো কৰিছিল এই তামোলখনেৰে। অৰ্থাৎ কিবা এটা কাম কৰিবিলৈ কিমান সময় লাগিছিল বুলি সুধিলে উত্তৰ দিছিল এখন তামোল খোৱাৰ জোখৰ সমান সময়।

তামোল-পাণৰ বোধহয় ঔষধি গুণো আছে। কাৰণ আমি সৰু থাকোতে কাৰোবাৰ কাণৰ বিষ হ'লে আইতাহঁতে চূণে-চাধাই পাগ উঠাই তামোলখন খাই পিকখিনি কাণত ঢালি দিছিল। বিজ্ঞানৰ যুগত পিছে সেয়া বিশ্বাস কৰা টান। কটা-চিঙা হ'লেও তেজ বন্ধ হ'বলৈ পাণৰ ৰস দিয়া দেখা যায়।

এইদৰে বিশ্লেষণ কৰি চালে দেখা যায় আমাৰ দৈনন্দিন জীৱনত তামোল পাণৰ গুৰুত্ব অপৰিসীম। পিছে তামোল-পাণৰ গুৰুত্ব লিখিলো যদিও ইয়াৰ অপকাৰিতা নথকা নহয়। বৰ্তমান চিকিৎসা বিজ্ঞানে তামোল-পাণ চুণ-চাঁধা খোৱা মানুহৰ দুৰাৰোগ্য কৰ্কট ৰোগ হোৱাৰ সম্ভাৱনা বেছি বুলি ঠাৱৰ কৰিছে। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি অতিমাত্ৰা তামোল খোৱা লোকসকল সাৱধান হোৱা উচিত। তাতে আকৌ বহুতে তামোল খাই য'তে ত'তে পিক্ পেলাই অফিচ-কাছাৰী, ৰাস্তা-ঘাট, দোকান পোহাৰৰ চুক কোণ সকলো অশুভনীয় কৰি তোলে। এই ক্ষেত্ৰত চিলঙৰ খাচিয়াসকল প্ৰশংসাৰ লগতে শ্ৰদ্ধাৰো পাত্ৰ। তেওঁলোকে যথেষ্ট তামোল খায় যদিও অসমৰ মানুহৰ দৰে য'তে ত'তে পিক্ পেলাই লেতেৰা নকৰে। আনে তেনেকুৱা কৰিলেও খুব বেয়া পায়। চিলঙত প্ৰায় ৩০ বছৰ আছিলো বাবে এই কথা ভালদৰে জানো। আজি এই লিখনিৰ জৰিয়তে তামোল খোৱাসকলক পিক্ পেলোৱাৰ ক্ষেত্ৰত কিছু সাৱধান হ'বলৈ অনুৰোধ কৰিলো। আমি আমাৰ থকা ঠাইখন দেশখন পৰিস্কাৰ পৰিচ্ছন্নকৈ ৰাখিব পৰাটো পৰম গৌৰৱৰ কথা। শেষত ভুল-ক্ৰুটিবোৰ সুধীবৃন্দই আঙুলিয়াই দিব বুলি আশা কৰি এই লিখনিৰ সামৰণি মাৰিলো। ◆

জানানে

সংগ্ৰহ—পিয়ানুজ কাশ্যপ

—ঢোল, পেঁপা, গগণা, সুতুলী আৰু টকাক পঞ্চবাদ্য বুলি কয়।

—সা, ৰে, গা, মা, পা, ধা, নি

—এই সাতোটা স্বৰক একেলগে সপ্তস্বৰ বুলি কয়।

—লাল বাহাদুৰ শাস্ত্ৰী, বাল গঙ্গাধৰ তিলক আৰু বিপিন চন্দ্ৰ পালক 'ত্ৰিমূৰ্ত্তি নামেৰে জনাযায়।

—পদুম ফুলৰ আন এটি নাম হ'ল 'অৰবিন্দ'।

—'শিঙৰি ঘৰ' হ'ল আহোমসকলৰ ৰাজাভিষেক পাতিবৰ বাবে বনোৱা এক শ্ৰেণীৰ ঘৰ।

—বাঁহ নৃত্য বা নাচ বা চেৰাৱ মিজোৰামৰ এবিধ নৃত্য।

—একেলগে দহখন ৰথ চলাব পৰা এজান যোদ্ধা হ'ল 'ৰজা দশৰথ'।

—গ্ৰীকসকলে পোন প্ৰথমবাৰৰ বাবে আইচক্ৰীম (Icecream) প্ৰস্তুত কৰিছিল।

—বিখ্যাত গণিতজ্ঞ পাইথাগোৰাছে Boxing খেলত প্ৰতিনিধিত্ব কৰিছিল।

—অসমৰ প্ৰথম ইংৰাজী বাতৰি কাকতখন হ'ল ASSAM TRIBIUNE।

'ৰাজীৱ ৰত্ন' সন্মান পোৱা প্ৰথমগৰাকী খেলুৱৈ হ'ল— 'বিশ্বনাথন আনন্দ'।

—ভাৰতৰ আটাইতকৈ ঠাণ্ডা ঠাইখন হ'ল Drass। ইয়াক দ্বিতীয় Leh বুলি কোৱা হয়।

ৰাজবোৱাৰী গান্ধাৰী আৰু বীৰ আলেকজেণ্ডাৰ

অঞ্জলি দত্ত

এগৰাকী ৰাজবোৱাৰী সুবেল ৰজাৰ কন্যা। পতি যে জন্মান্ধ, সেয়া হয়তো অজ্ঞাত আছিল। কিন্তু বিবাহৰ পাছত স্বামী ধৃতৰাষ্ট্ৰক অনুকৰণ কৰি তেওঁ চিৰজীৱন চক্ষু বন্ধন কৰি ৰাখিলে। গান্ধাৰী ৰূপৱতী আৰু গুণৱতী আছিল লগতে ৰাজ ক্ষমতাৰ অভিলাসী আছিল।

কুমাৰী কালৰ এটি দোষে গান্ধাৰীৰ সৌভাগ্যক দুৰ্ভাগলৈ টানি নিলে। কুন্তভোজ ৰজাৰ ঘৰত গান্ধাৰী আৰু কুন্তী দুয়ো দুৰ্বাসাক শুশ্ৰূষা কৰি বৰ লওঁতে গান্ধাৰীয়ে কানিমুনি বেলিকা নিজকে কুন্তী বুলি মুনিক সেৱা জনাওতে মুনিয়ে এশ পুত্ৰৰ জননী হ'বলৈ কৈ আশীৰ্বাদ কৰি গম পালে যে তেওঁ কুন্তী নহয় আৰু সেই অপৰাধৰ ফলতে হয়তো দুৰ্যোধন, দুশাসনৰ নিচিনা দুদান্ত অধৰ্মী পুত্ৰসৰৰ জননী হ'ল। কিন্তু গান্ধাৰী আছিল পতি-পৰায়াণা, পতিভক্তা, গান্ধাৰীয়েও সহযোগিতা কৰিছিল। নিজ ভাতৃ শকুনিৰ উচটনিত বোল গৈ ধৃতৰাষ্ট্ৰৰ পুত্ৰসকলে পাণ্ডৱসকলক ঘোৰ শত্ৰু জ্ঞান কৰিছিল। শকুনিয়ে হস্তিনাপুৰৰ অতুল ঐশ্বৰ্য সম্ভাৰ দেখি গান্ধাৰীক স্বামীগৃহত থ'বলৈ আহি নিজেও থাকি গ'ল। অৱশ্যে এশ ভাতৃৰ মৰণৰ প্ৰতিশোধ ল'বলৈহে গান্ধাৰীৰ পুত্ৰসকলক পাণ্ডৱসকলক হিংসা কৰিবলৈ সততে উচতনি দিছিল।

কিন্তু গান্ধাৰীয়ে নিজৰ দুৰ্ভাগ্যৰ কাৰণে গান্ধাৰবাসী বা হস্তিনাপুৰবাসীক জগৰীয়া কৰা নাছিল। গান্ধাৰীৰ যিহেতু সয়ম্বৰ পতা নাছিল, সেয়ে বিয়াৰ আগত দিয়া অমূল্য উপঢৌকন দেখি বিমুগ্ধ হৈছিল।

প্ৰত্যেকজন নৰ-নাৰীয়ে জীৱন দোষ গুণৰ সমাহাৰ। গান্ধাৰীও ইয়াৰ ব্যতিক্ৰম নহয়, অন্ধ স্বামী আৰু পুত্ৰসকলক সৎ পথলৈ আনিব নোৱাৰা দুখত অহৰ্নিশে ভগৱন্তক ধ্যান কৰিছিল। পতিৰ সুখ-দুখৰ সমভাগী হৈছিল। গান্ধাৰী অক্লান্ত দৃঢ়তা, ধৰ্মশীলা আৰু সতীত্বৰ তেজেৰে তেজস্বী আছিল, সেয়েহে অন্যায়, অবিচাৰ প্ৰতিবাদ কৰি এষাৰ কথাতে দুৰ্যোধনৰ বিজয়ৰ আশীৰ্বাদ প্ৰত্যাশাক স্তব্ধ কৰিলে এটি বাক্যই। 'যথা ধৰ্ম তথা জয়'। গান্ধাৰীৰ হয়তো স্মৃতি পৰ্বত ভাহি আহিল ভীমক মাৰিবলৈ খাদ্যত বিষ দিয়া, পঞ্চ পাণ্ডৱক মাৰিবলৈ জতুগৃহ জ্বলোৱা, ৰাজবোৱাৰী দ্ৰোপদীৰ বস্ত্ৰ হৰণৰ প্ৰয়াস, এই সকলো যেন দৃশ্যপটত ভাহি আহিল।

মহামতি বিদুৰ আছিল গান্ধাৰীৰ দেওৰেক, ধৃতৰাষ্ট্ৰৰ সুমন্ত্ৰণাকাৰী, যিজনক ধৃতৰাষ্ট্ৰই পুত্ৰ সবৰ সন্মুখত অপমান কৰি দেশৰ পৰা বাহিৰ কৰি দিছিল। বনে বনে ঘূৰি ফুৰাৰ সময়তেই কুৰুক্ষেত্ৰৰ যুদ্ধ হ'ল আৰু কৌৰৱ বংশ শেষ হ'ল। বনত ঘূৰি থাকোঁতে কুৰুক্ষেত্ৰ যুদ্ধৰ বাতৰি পাই ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীক অন্তিম সময়ত পৰম হিতাধিকাৰীৰূপে আহি দুয়োকে বনলৈ নি যোগাসন কৰালে, সেই যোগাসনতেই বনাগ্নিয়ে দুয়োৰে দেহা ভস্মীভূত কৰিলে। যুদ্ধৰ অন্তত ম্ৰিয়মাণ গান্ধাৰীয়ে পুত্ৰশোকত অধীৰ হৈ জগতৰ ঈশ্বৰ, কৃষ্ণক অভিশাপ দি মনৰ শোক পাতলালে 'হে দৈৱকী নন্দন কৃষ্ণ,

মই যিদৰে পুত্ৰশোকত ম্ৰিয়মাণ হৈ প্ৰাণত্যাগ কৰিম, তুমিও তোমাৰ যাদৱ কুল ধ্বংসৰ কাৰণ হৈ মৃত্যুবৰণ কৰিবা'। ভগৱান কৃষ্ণই হাঁহি মুখেৰে এই অভিশাপ আশীৰ্বাদ ৰূপে গ্ৰহণ কৰিলে। যিহেতু ভূমি ভাৰহৰণ কৰিবলৈ মাজকুলত অৱতাৰ গ্ৰহণ কৰি কৌৰৱ কুলৰ পতন ঘটাই ধৰ্মৰ প্ৰতিভূ পাণ্ডৱ বংশৰ অভ্যুত্থান ঘটাই যুধিষ্ঠিৰৰ হাতত ৰাজ্যভাৰ অৰ্পণ কৰিলে। কৌৰৱ কুল নিধন কৰি যদুবংশও সবংশে নাশ কৰি নিজেও বৈকুণ্ঠগামী হ'ল। কৰ্মতহে মানুহৰ অধিকাৰ আছে, ফলাফলত নাই। জ্ঞানী মনীষীসকলে এই কথা অবলম্বন কৰি সম্পূৰ্ণ নিকামী হৈ মোক্ষপদ লাভ কৰে।

বীৰ আলেকজেণ্ডাৰ

জীৱনত 'সত্য'ৰ সন্ধানত ব্ৰতী বীৰ আলেকজেণ্ডাৰে উপলব্ধি কৰিছিল যে মৃত্যুৱে হৈছে 'একমাত্ৰ সত্য' এখনৰ পাছত আনখন ৰাজ্য মহা প্ৰৱাক্ৰমেৰে জয় কৰি প্ৰচুৰ ধন সম্পদত বিশাল ভাৰখন কঢ়িয়াই বীৰ পুৰুষ মেচিডনিয়ালৈ প্ৰত্যাৱৰ্তন কৰাৰ সময়ত বিশ্বজয়ী আলেকজেণ্ডাৰ প্ৰাণঘাতী ৰোগত আক্ৰান্ত হৈ মৃত্যুশয্যাত আশ্ৰয় ল'বলগীয়া হ'ল। বীৰ আলেকজেণ্ডাৰে বুজি পালে যে তেওঁৰ অন্তিম কাল নিচেই ওচৰ চাপিছে। বীৰত্বৰে অৰ্জন কৰা প্ৰচুৰ ধনৰ ভাণ্ডাৰটোৰ অসাৰতাৰ কথা তেওঁ নিমিষতে উপলব্ধি কৰিলে। অনুভৱ কৰিছিল জীৱনৰ ক্ষণস্থায়িত্ব। মহান যোদ্ধাই নিজৰ প্ৰিয় সেনাপতিসকলক কাষলৈ মাতি আনি ক'লে "মোৰ অন্তিম প্ৰস্থানৰ সময় আহি পৰিছে। এইখিনি সময়ত মই তোমালোকক মোৰ তিনিটা ইচ্ছাৰ কথা জনাওঁ, সেইকেইটা অচিৰেই পালন কৰিবলৈ ব্যৱস্থা ল'বানে?" সেনাপতিসকলে কৈ উঠিল আমি আমাৰ জীৱন উছৰ্গা কৰি আমাৰ গুৰুৰ সকলো ইচ্ছা পূৰণ কৰিবলৈ সংকল্প গ্ৰহণ কৰিছোঁ।

মহাবীৰ আলেকজেণ্ডাৰে কৈ উঠিল মোৰ প্ৰথমটো ইচ্ছা হ'ল মোৰ মৃতদেহ বহনকাৰী কফিন যেন মোৰ ব্যক্তিগত চিকিৎসকেইজনেই কান্ধত তুলি লয়।

মোৰ দ্বিতীয় ইচ্ছা হৈছে যিপথেৰে মোৰ মৃতদেহটো লৈ পৰিভ্ৰমণ কৰা হ'ব সেই সমগ্ৰ পথটো যেন মই জীৱনত অৰ্জন কৰা ধন-দৌলতেৰে ওপচাই পেলোৱা হয়। মোৰ তৃতীয় ইচ্ছাটো হৈছে মোৰ কফিনৰ ভিতৰৰ পৰা মাথোন মোৰ হাত দুখন ওলমি থাকিব কফিনটোৰ দুয়োকাষে।

শোকাকুল সেনাপতি সকল তেওঁলোকৰ আৰাধ্য গুৰুৰ পৰা এই কেইটা ইচ্ছাৰ মৰ্ম জানিব বিচৰাত আলেকজেণ্ডাৰে ক'লে 'মই ভাবো সবাতোকৈ অনিবাৰ্য সত্য হৈছে 'মৃত্যু' পৃথিৱীৰ কোনো চিকিৎসকেই এই মৃত্যুক পৰাভূত কৰিব নোৱাৰে, সেয়েহে মোৰ মৃতদেহ কঢ়িয়াই লৈ যাব মোৰ এইসকল চিকিৎসকে।

দ্বিতীয়টো মৰ্ম হৈছে 'ধন সম্পদেৰে ওপচি পৰা পথ মোৰ গৌৰৱৰ প্ৰতীক নহয়, ৰাইজে গম পাওক মহা প্ৰস্থানৰ বেলিকা কোনো ব্যক্তিয়েই এপদো ধন সম্পদ নিজৰ সৈতে লৈ যাব নোৱাৰে। সেয়া ৰাজপথতেই পৰি ৰ'ব।

তৃতীয়তে মই কৈছো যে মোৰ হাত দুখন কফিনৰ পৰা ওলাই থাকিব, ৰাইজে সেইটোহে দেখা পাব, ইয়াৰ অৰ্থ হ'ল সকলোৱে বুজি পাব এই পৃথিৱীলৈ মই শূন্য হাতেৰে আহিছিলো আৰু যাওঁতেও শূন্য হাতেৰেই যামগৈ।

কৰ্মতহে মানুহৰ অধিকাৰ আছে ফলাফলত নাই। জ্ঞানী মণীষীসকলে এই কথা অবলম্বন কৰি সম্পূৰ্ণ নিৰাসক্ত হৈ মোক্ষ লাভ কৰে। ◆

THE BIG PICTURE....

Rituparna Das

Its is Rangali bihu again and apparently does not seem to be the right time to put up any issue with political intonation to it. But here we miss the point that any socio-cultural discourse of a society is functioned invariably, sooner or later by the concurrent politico-economic events taking place and vice versa. Therefore, on contrary, I think this is just about the right time to conscientiously put up any issue that can on face value be verdicted to be a trivial issue of 'choice' or for that matter even an important issue of 'liberty' but in the big picture camouflages a rather serious socio-cultural issue with hues of polity to it. Pin pointedly I am bringingupthe issue of whether the artists should commit to singing songs only in local languages of Assam in the bihu cultural functions that was doing the rounds in recent past. The two moot questions relevant here so as to enable us to weigh the idea in correct perspective are:

1. Why or why not should they make such a commitment?
2. Does making someone commit to it infringes into his/her liberty or freedom?

To answer the questions let me first highlight the fact that nothing is constant. Infact change is the most constant reality of life. And so does our behaviour changes or should change to accommodate the altering environment around us. But man innately endeavours to keep certain things unchanged or to atleast decelerate the pace of change.

It is only in this light that the questions can be answered. With economic globalization cultural globalization is also taking place. And therefore cultural dilution is an inevitable outcome. I am afraid, but it is the brutal truth that the younger generations may know Rihanna or Beyonce by heart but would fumble in '0 mur apunar desh .....' itself which I believe is quintessential to our very identity, let alone other songs or genres of songs in regional languages.

In the wake ofthis dilution is it unjust for any community to try to adhere to their own stuff? Does welcoming the new implies completing erasing the old? Or does loving your own translates to aversion to the new? The answers to all the three questions is certainly is no. Commitment to sing only in local languages atleast during the 'main' seven days of the Bihu if not in all other functions during the entire season of bihu celebrations certainly does not mean disliking songs of other languages or disrespecting other cultures. It only means celebrating ourselves, our languages, our culture

while still leaving 356 days to love respect and celebrate others.

On the confrontation that musical instruments used therein are not indigenous and playing them forbids us from making such a commitment is a farce idea. Borrowing things from a different culture does not force the borrowers into servitude nor does lending something bestows the lenders supremacism. In reality every culture and every society has contributed to the development of humanity whether directly or indirectly, on different fronts and of course in varying degrees.

There are claims that propelling for such a commitment from an artist is divisive in nature and gives rise to regionalism given the proposition- 'music knows no boundaries'. I believe as it will to any sensible mind that the dictum of 'regionalism is anti-nationalism' does not always hold good, atleast not in this case. Infact it is nationalism at play, the very nationalism that earned us our freedom from British. This seems to be radical especially in the backdrop of 'nationalism' being the currentpotboiler across the country. On a closer look, however, both stands clearly apart from each other. Because in our case, by and large, singing songs in languages other than local languages has not come from audience side but left to the discretion of the performers. And this alone explicitly explains the very essence-of this write up or the issue.

And of the latter, it is gospel truth that music knows no boundaries; it integrates. And it is this need to integrate ourselves with the rest of the world that we need to keep our languages alive and sustain our culture and not be wiped away in the whims of changing times. While not making such commitment would not bring conviction, commitment to the same would render in a big way in invigorating the essence of oneness and uniqueness of identity that Assamese have and deserve, especially during bihu when the state of Assam rejoices in one spirit of communal brotherhood of being 'Assamese' irrespective of whether he is a Hindu Assamese, Muslim Assamese, an Assamese speaking Sikh, a Bodo, a Missing, a Dimasa, or Kachari, a Tiwa, a Karbi, et al.

While nobody can be forced to make such a commitment in a free and democratic India, the idea also does not deprive one of his liberty when fitted in the big picture. It rather offers an opportunity to serve the cause of greatergood ofthe Assamese society. It is no exaggeration to say that our artists are the chosen and blessed ones who have upheld our pride and identity in national and international forums. So do they continue to inspire us and attract our best wishes as always. They are factors or rather such societal forces that can unfathomably inspire the growth and consolidation of an idea or demolish it altogether. They are stars, icons, role models and trend setters. If I had such a command I would have converged my energies towards activities that envisage to serve a cause, one that of greater good of society even if they contradicted my personal choices.

Now that the big picture is unfolded such a commitment seems to be small a cost in comparison to what it is capable of delivering. It should be idealized and should be undertakenfor the sole sake of being an Assamese for the Assamese yet contributing towards living up the pluralism of Indian society or even the world at large.◆

অসমৰ ভ্ৰাম্যমান থিয়েটাৰ

হৃষিকেশ শৰ্মা (সপ্তম শ্ৰেণী)

ভ্ৰাম্যমান থিয়েটাৰৰ অৰ্থ হ'ল ভ্ৰমণৰত থিয়েটাৰ তথা ঘুৰি ফুৰা থিয়েটাৰ। অসমত ভ্ৰাম্যমান নাট্যদলৰ জন্ম কেতিয়া হৈছিল তাক সঠিকভাৱে কোৱা টান যদিও থিয়েটাৰৰ ৰূপ আমি দেখিবলৈ পাইছো বুলি ক'ব লাগিব। ভ্ৰাম্যমান নাট্যদল হিচাপে পোন প্ৰথমে ১৯৬৩ চনত নটৰাজ থিয়েটাৰ নামেৰে আত্মপ্ৰকাশ ঘটিছিল। এই নাট্যদলৰ জন্ম দিছিল পাঠশালাৰ অচ্যুত লহকৰ নামৰ সংস্কৃতিবান ব্যক্তিজনে। ১৯৬৩ চনত জন্ম হোৱা ভ্ৰাম্যমান নাট্যদলে একলা-দুকলাকৈ বাঢ়ি আহি বৰ্তমান অসমত এক বিশেষ স্থান অধিকাৰ কৰিছে। পিছলৈ এই ধাৰা বৰ্তি ৰখাত বহুকেইজন নাট্যপ্ৰেমীয়ে বৰঙণি আগবঢ়াই আহিছে। তাৰ ভিতৰত কৃষ্ণ লহকৰ, ৰতন লহকৰ, কৃষ্ণ ৰয়, ধৰণী বৰ্মণ, প্ৰশান্ত হাজৰিকা আদিৰ নাম ল'ব পাৰি। অসমত বৰ্তমান দৰ্শকৰ সমাদৰ লাভ কৰা তথা জনপ্ৰিয় ভ্ৰাম্যমান নাট্যদলৰ ভিতৰত কহিনুৰ থিয়েটাৰ, হেঙুল থিয়েটাৰ, আৱাহন থিয়েটাৰ, ভাগ্যদেৱী থিয়েটাৰ, ৰাজতিলক থিয়েটাৰ, ৰাজশ্ৰী থিয়েটাৰ, বৰদৈচিলা থিয়েটাৰ উল্লেখযোগ্য। অসমীয়া সংস্কৃতিক অসমৰ ভ্ৰাম্যমান থিয়েটাৰে চহকী কৰি ৰাখিছে আৰু আৰ্থিক দিশতো বহু অৰদান আগবঢ়াইছে। বিশেষকৈ অভিনয় কৰি জীৱিকা অৰ্জন কৰি চলি থকা অভিনেতা অভিনেত্ৰীসকলৰ চিনেমা উদ্যোগক্ৰমে হ্ৰাস পোৱাৰ সময়তে একমাত্ৰ ভৰসা হিচাবে থাকিলে এই ভ্ৰাম্যমান থিয়েটাৰহে। সেইদৰে আন কলা-কুশলীসকলেও কৰ্মসংস্থান লাভ কৰিছে। আনকি উদীয়মান যুৱক-যুৱতীয়ে থিয়েটাৰৰ বিভিন্নধৰণৰ নাটক চাই বহু কথা জনাৰ লগতে নানা কলা-কৌশল শিকিবও পাৰে। ভ্ৰাম্যমান মঞ্চৰ জনপ্ৰিয়তা স্থায়ী মঞ্চতকৈ বেছি। সভ্যতা আৰু বিজ্ঞানৰ বিকাশৰ পথত ক্ৰমে কলা-সংস্কৃতিয়েও বিকাশ লাভ কৰিলে আৰু বিভিন্ন শাখা-প্ৰশাখাই পোখা মেলিলে। আধুনিক মঞ্চনাট অভিনয় আৰু অন্যান্য মাধ্যমৰ যোগেদি কলা-সংস্কৃতিৰ বৰ্ণময় জগতখনক ক্ৰমশঃ সমৃদ্ধ কৰি তুলিলে। বৰ্তমান সময়ত ইলেক্ট্ৰনিক মাধ্যমৰ বহুল প্ৰসাৰৰ মাজতো কলাৰ চৰ্চা চলি আছে। বিশ্বৰ বিভিন্ন থিয়েটাৰত মঞ্চাভিনয়ে দৰ্শকক এতিয়াও মনোৰঞ্জন যোগাই আহিছে। গতিকে এনেবিলাক দিশলৈ লক্ষ্য কৰি চৰকাৰেও ভ্ৰাম্যমান নাট্যদলবিলাকক অধিক দিশত প্ৰতক্ষ্য সহযোগিতা আগবঢ়োৱা উচিত। ◆

ব'হাগ

মীৰা ঠাকুৰ

উদাস প্ৰকৃতিক ৰঙৰ আবিৰ সানিবলে,
আগ ব'হাগত ঢপলিয়াই আহিল ফাগুন চঞ্চলমতী হৈ

তেজৰ ফাকু খেলা ঘৰপোৰা চুবুৰীৰ
নিবন্ন হমুনিয়াহ মুচি, কোনে লিখি থ'ব তেজত।
সূৰ্য্যোদয়ৰ গান?

যাৰ নাম কেৱল
ব'হাগ, ব'হাগ আৰু ব'হাগ।

আগতকৈ চহকী হ'ল চহৰৰ মানুহবোৰ

বিপুল চন্দ্ৰ মৰাণ

হয়,
আগতকৈ চহকী হ'ল চহৰৰ মানুহবোৰ....
পকী হ'ল
আলিবাটৰ পৰা চোতালখন
পিৰালীও নোহোৱা হ'ল
শাৰী শাৰী ঘৰ
মহলীয়া... কেবাতৰপীয়া
ঘৰে ঘৰে যানবাহনৰ ভিৰ
কম্পিউটাৰ, ৱাছিংমেচিন, ৰঙীন টিভি
আৰু কত যে কি...
চহৰীয়াৰ হাতে হাতে মোবাইল
লেপটপ, টেবলেট, মাইক্ৰ-কেমেৰা...
সকলোতে ব্যস্ততাৰ দৌৰ
ৱাটছ্-আপ, টুইটাৰ, ফেছবুকত বন্দী
চহৰীয়াৰ নতুন জীৱন সম্পৰ্ক
সুখ-দুখ, হাঁহি-কান্দোন
এতিয়া ইণ্টাৰনেটত ভাঁহি আহে
প্ৰেম, ভালপোৱা আৰু সপোন মধুৰ
হয়
আগতকৈ চহকী হ'ল চহৰৰ মানুহবোৰ।◆

ব'হাগৰ কিশলয়ত পুনৰ তুমি

ৰমেন কলিতা

চ'তালি বতাহত সৰাপাতৰ স'তে
মই ওভটাই ল'লো মোৰ সকলো কথা সকলো চিঠি
যদিওবা আচলতে সেইবোৰ তোমাৰেই হৈ ৰ'ল
কাৰণ কথাৰ ক্ষয় নাই
ক্ষয় নাই লিখনিৰও।
জীৱনত বহু অঙ্ক থাকে
কিছুমান অঙ্কৰ উত্তৰ থাকে কিছুমান অঙ্কৰ উত্তৰ নাথাকে
সেই নিমিলা অঙ্কবোৰেইটো আৱৰি থাকে ওৰেটো জীৱন
যাৰ উত্তৰ বিচাৰি অতিবাহিত কৰো দিন প্ৰতিদিন।
ঘটনা এটা ঘটাৰ এশ এটা কাৰণ থাকে
আৰু ঘটনা নঘটাৰও থাকে এশ এটা কাৰণ।
সামাজিক ভয়ত তুমি নিয়তিক মানি ল'লা
অকণমান স্বস্তিৰ বাবে নীতি কথা মানি ল'লা
সৰল অঙ্কৰ যি উত্তৰ তুমি মিলাইছা
তাৰ প্ৰতি গভীৰ স্নেহে তোমাক স্তম্ভিত কৰি ৰাখিছে
তুমি ভয় খোৱা বিচ্ছেদৰ যন্ত্ৰণা
আধা ভালপোৱা, জন্ম-জন্মান্তৰবাদ
এইবোৰ ভাৱনাৰে তোমাক আৱৰি ৰাখে
কোনোবাই তোমাক
সুদীৰ্ঘ পথ আগুৰাই আনিছে বুলি মানি লৈছা
পৰম স্নেহেৰে কিশোৰী ছোৱালীজনীৰ পৰা মহিলালৈ
যেনেকৈ কাৰোবাৰ হাতত ধৰি বালিকাৰ পৰা
আহি আহি হৈ পৰিছিলা যুৱতী
নাৰীত্বৰ পুলক হৰ্ষ ভালপোৱাৰ অন্তৰ্গত তাপৰ
দুৱাৰ দলিত উপস্থিত হ'লা।
উত্তৰ নোপোৱা অঙ্কবোৰৰ মাজত
এশ এটা কাৰণৰ সৈতে
লুকাই আছে সকলো ভালপোৱা, সকলো সংশয়
পোৱা নোপোৱাৰ বেদনা, আদৰ অহঙ্কাৰ
ৰাগ-অনুৰাগ উচাহ উল্লাস
কেতিয়াবা ভাঙি পৰে
কেতিয়াবা খোল খায়
মনৰ আকাশ
মেঘ-বাদল মাটি-পানী পোহৰ-বতাহ
আকাশী গঙ্গাত স্নান কৰি
মাহ-হালধি, মাটিৰ গোন্ধ গাত সানি
জোনাকৰ পোহৰ বুকুত লৈ
কপালত নীহাৰিকাৰ ফোঁট আঁকি
মেঘমল্লাৰ হৈ হাত ধৰা ধৰি
সপোনৰ নানা ৰং
প্ৰকৃতাৰ্থত তোমাৰ অস্তিত্ব আৱৰি মই
মোৰ অস্তিত্ব আৱৰি তুমি
ব'হাগৰ কিশলয়ত পুনৰ তুমি।।

তগৰ ফুলা ৰাতি

পৰিণীতা বৰুৱা

এনেকৈয়ে,
ক্ৰমশঃ বাঢ়ি যায় দূৰত্ব
হৃদয়ৰ পৰা হৃদয়লৈ
এনেকৈয়ে
সময়ৰ শত্ৰুতাত
বিচ্ছিন্ন পূৰঠ প্ৰেম
জোন মৰে
বাগৰে বছৰ
কথাবোৰ হয় সাধু
সোঁৱৰণিত,
যেতিয়া জী-উঠা
বুকুত
গুপুতে গুপুতে সৰে
বিষাদৰ এজাক বৰষুণ
হেৰুৱাৰ শোকত
ধৰাশায়ী শৰীৰ, মন।
হেঙুল-হাইতাল বোলোৱা সেই
আৱেগবোৰে আজিও উচুপে
তগৰ ফুলা ৰাতি।

আহিলে যাবই লাগিব

পশুপতি হাজৰিকা

সংসাৰ সাগৰত
সকলো হেৰুৱাৰ পিছত
এতিয়া আৰু বিচাৰিবলৈ একো নাই
আনকি মন নাই হৰিনাম ল'বলৈও
যি বুজি পালো হৰি হ'ল কল্পনা
নাম হ'ল মনে সজা ৰচনা।
পৃথিৱীত
অহা যোৱাৰ সোঁতটোৱেই
সম্ভৱ সৃষ্টিৰ গোপন ৰহস্য
আহিলে যাবই লাগিব
গ'লে আৰু ঘূৰি নাহে
কোন গ'ল কোন আহিল
চিনাচিনি নাই
ইজন সিজনৰ
কিন্তু আচৰিত
মানুহৰ সমাজ ব্যৱস্থা।
বিশাল পৃথিৱী
অনন্ত ভাণ্ডাৰ
মানুহৰ খোৱা-কামোৰাৰ ফলত
সকলো অসাৰ।
আমাৰতো ইয়াত আৰু
নাই একো কাম
আহিছো যিদৰে
সেইদৰেই গুচি যাম
অহা যোৱাৰ বাটত
মাথো ক্ষন্তেক বিৰাম।
কবিতা কল্পনাৰ বস্তু
কল্পনাতে ই
হাঁহেও কান্দেও
তুলাপাততে ইয়াৰ বিলাপ।

দুই সুঁতি

কামেশ্বৰ হাজৰিকা

ধূলিৰে ধূসৰ এটি নিজম সন্ধিয়া
এটি দুটি অসংখ্য তৰাবোৰে হাঁহে
ইজি চোফাখনত নীৰলে বহি অকলে অকলে
বিগত দিনৰ স্মৃতিৰ, টুকোৰাবোৰ
মনৰ দাপোনত ভাঁহে।
সন্মুখৰ ফুলনিৰ ফুলবোৰ জীৱনৰ কৰি অহা ভূলবোৰ
মাটিৰ মানুহ মই মাটিতেই বালিঘৰ কত যে সাজিছো
কত শীত কত বৰ্ষা কত যে কল্পনাৰ বিন্যাস
আহিল, গ'ল তাৰো যে কোনো সীমা সংখ্যা নাই।
পানীৰ কণিকাবোৰ কোনে বাৰু লিখিব পাৰে?
সভ্য জগতৰ সভ্য মানুহ আমি
আজিকেই লৈছো সাৰতি
আজিৰ যুগৰ বিকলাঙ্গ হৃদয়ৰ
শিক্ষিত, গুণী-জ্ঞানী সাগৰৰ মুকুতা।
আজিৰ একবিংশ শতিকাই ৰিঙিয়ায়
বুৰঞ্জীয়ে কি কয় অস্ফুট ভাষা নিফুট সুৰত
পঙ্গু আজি আমাৰ সমাজ।
সত্যৰ অপচয়, ধৰ্মৰ বিপৰ্যয়
বিশ্বাসৰ সাগৰত লম্পটালি ঢৌ খেলে
মই বৰভাৰ, আপোনপৰ, লোজেন বিস্কুত যেন
সমাজবোৰত নিয়মিত বেচা-কিনা চলে।
সমাজবোৰত নিয়মিত বেচা-কিনা চলে।
আমি অতিকৈ জুৰুলা এই ধনতন্ত্ৰৰ তাপত।
আজিৰ এই নিমজ নিমজ লগা ধুনীয়া সন্ধিয়াত
মোৰ মনৰ মাজত কিভাৱে ঠাই ল'লে ক'ব নোৱাৰো
জাগীৰ 'লাহৰী' ধনবন্তৰ ঘৰৰ দুলালী
যৌৱনৰ দুপৰ বেলাত আহিছিল মোৰ কাষলৈ
'কলং আৰু কপিলী'—এই দুই সুঁতি পাৰৰ দুবৰিত বহি
কৰিছিলো কত যে খেলা যৌৱনৰ মেলা
ৰচিছিলো সোণৰ কাৰেঁ থাপিছিলো হিয়াৰ বেদীত
ভালপোৱাত ছলনা, মৰীচিকা, প্ৰণয়, শঠ প্ৰণয়
বুজা ভুল হ'ল—সেয়া আছিল যৌৱনৰ কথা।
ঐশ্বৰ্য্য বিভূতি নাই মৰম বিহীন, মান সন্মানো নাই
শিক্ষাৰ জানো মূল্য আছে?
হাঁহি হাঁহি গুছি যোৱা বহুত দিন হ'ল
স্মৃতি তাৰ চিৰদিন ৰ'ল
মৰমবোৰ উৰলি গ'ল
সভ্যসমাজৰ গ্লানি কি হ'ল
মৰহা দিনৰ মৰহা পাপৰিবোৰ
লেখি জানো কিবা লাভ আছে?
অব্যক্ত ঈশ্বৰৰ প্ৰেম
অপৰিসীম অপাৰ মধুৰ
অক্ষয় ভাণ্ডাৰ, বিৰাট সাগৰ
পিৰ জানিলে সদায়েই থাকে
ডেকা-বুঢ়া জীৱনৰ সকলো কালতে।

ন ন কুঁহিপাতত জিলিকিছে...

চন্দন বাচফোৰ (ওম)

বৰদৈচিলাৰ একা বেঁকা গতিত
বহল পথাৰৰ আঁহতজোপাৰে সৰা
ন ন কুঁহিপাতত জিলিকিছে....
বিহুৱতীৰ কোমলীয়া দুহাতৰ স্পৰ্শ আৰু
তাঁতশালৰ খিট্‌খিটনিৰ সুমধুৰ শব্দৰ মাজে মাজে
পহিলা ব'হাগৰ দিনাখন
আপোনজনক নতুন বৰ্ষৰ ওলগৰ সৈতে দিয়া
গামোচাই প্ৰাণ পাই উঠিছে.... ।
বছৰীয়া বিৰতিৰ অন্তত
বিহুৱা ককায়েও ঢোল, পেঁপাক
পৰিপাটিকৈ সাজু কৰি
নেঘেৰী খোপা আৰু মুগাৰ সাজ পৰিহিতা
নাচনীসকলক আখৰালৈ বাৰুকৈ মাতিছে.... ।
অলপীয়া এন্ধাৰৰ ন পুৰাতে
দুৰণিৰ অৰণ্যৰ মাজে মাজে
কুকিল কণ্ঠস্বৰেৰে....
কুলিয়ে হুঁচৰি গাই গাই....
অসমীয়া জাতিক বিহু অহাৰ বাতৰি বিয়পাইছে।

জীৱনৰ গীত

মঞ্জুলা কাকতি

জীৱন মৰুত
মৰিচিকা খেদি
হেৰাল বাটৰ আঁত
বাটৰ সন্ধানত
বেদুইন হ'লো
জীৱন চাহাৰাত।
জীৱন সাগৰত
মাণিক বিচাৰি
গোটালো শামুকৰ খোলা
ৰঙীন কাচৰ
টুকুৰা বুটলি
মিছাতে গাঠিলো মালা।
অমৃত নিচিনি
গৰল পিলো
জীৱন মৰিচিকাত।
বাটৰ সন্ধানত বেদুইন হ'লো
জীৱন চাহাৰাত।
জীৱন নদীত
পানচৈ মেলি
হেৰাল ঠিকনা ঘাটৰ
জীৱন মৰুত মৰিচিকা খেদিলো
মৰিচিকা যে সুদূৰৰ।
নুফুলা ফুলেৰে
ফুলনী সজাই
কিবা জানো আছে গত
পোৰা নোপোৰাৰ
ভাৱবোৰ লগাই
সকলোবোৰ মিছা
সময়হে সঁচা
জীৱন্ত বৰ্তমান সময়
সেয়েহে আহা
সকলোৰে মিলি
বসন্তকে কৰো আলিঙ্গণ।

ব'হাগ বিহুৰ বতৰা

প্ৰতিমা বৰা

বসন্তৰ আগমনৰ গছৰ ডালত বহি
কুলিয়ে লগালে মিঠা মাত
চেনেহৰ বিহুটিক আদৰি আনিবলৈ
ত'তেই নাই এতিয়া অসমীয়াৰ গাত।
সেউজীয়া প্ৰকৃতিৰ বুকুত
নতুনৰ হয় আৱাহন।
কপৌ ফুলৰ দৰে নানা বিধৰ ফুলে
মোহে সকলোৰে মন।
সেউজীৰ ঘাঁহনিৰ মাজে মাজে ডেকা গাভৰুৰ জাকে
নাচিছে, চা ঐ।
গৃহস্থৰ চোতালত অতি উলাহেৰে হুঁচৰি মাৰিছে
ঢোল, পেঁপা, বাঁহী, তাল, গগণা
চৌদিশে উঠিছে বাজি।
আঁহতৰ তলতে ঢোলৰ ছেৱে ছেৱে
নাচনীৰ মন উঠিছে নাছিচে।
বছৰৰ আৰম্ভণিতে সৰুৰে ডাঙৰক যাচে
সাদৰৰ বিহুৱান।
এনেহেন বিহুটি আমাৰ নিচেই আপোন
সকলো অসমীয়াৰ প্ৰাণ।◆

স্মৃতিমালা

গায়ত্ৰী গগৈ

নিশাৰ বৰষুণ জাকে
নিকা কৰা কোমল ৰ'দালীত
খিৰিকীৰে সোমাই আহিল
এছাটি সুগন্ধি সুবাস
হিয়াত দুলা দি যোৱা
সুগন্ধি ছাটিত মই যেন উটি গ'লো
বহু দূৰলৈ।
য'ত মোৰ সোণালী শৈশবৰ
মধুৰতম বৰ্ণিল মুহূৰ্তবোৰলৈ
সময় সোঁতত খোজে খোজে এৰি অহা
ৰূপোৱালী বালিচন্দাত এজাক পখিলাৰ স'তে
খিল খিল হাঁহিৰ অনুৰণন
জেতুকা বুলোৱা হাতেৰে
বুকুত মুগাৰ বিহাৰে
গীতৰ ছন্দোময় লয়লাসত
অ'ত ত'ত সিঁচৰিত (টুকুৰা-টুকুৰি) জিলমিল ছবি।
স্মৃতিবোৰ বৰফৰ স্তূপ হ'ল
সুবাসবোৰ গন্ধহীন হ'ল
গীতবোৰে বেসুৰা হ'ল
এতিয়া সেইবোৰ ভটিয়নীৰ শুকুলা পাখীৰ ডিঙা
হিয়াৰ একোণত ৰৈ যোৱা এখিলা সৰাপাতৰ স্মৰণিকা
স্তূপীকৃত বৰফবোৰৰ গলি গলি নিগৰি আহে
অতি সংগোপনে অন্তঃসলিলাৰ ফল্গুধাৰা হৈ।◆

সমবেত সংগীত

কল্পনা শৰ্মা

আজি নতুন দিনৰ আজি ন প্ৰভাতৰ
ন-সাজে আগমন
বসন্তই পিন্ধিলে সেউজ আৱৰণ
প্ৰাণে প্ৰাণে জাগে মধু আলোড়ন
আমি আদৰো হেঁপাহৰ বিহুটি
নকৈ আশাৰে নৱ চেতনাৰে
গাই যাও নতুনৰ গান।
বিহুৰ তলিতে পেঁপা, ঢোল, গগণাৰ
শুনিছো বাঁহীৰে কিনো অমিয়া মাত
অসমী আইৰে ডিঙিতে জিলিকে
একতাৰে সাতেসৰী,
মিলনৰে এনাজৰী।
শংকৰ-মাধৱে দিলেযে অৱদান
কীৰ্ত্তন দশমৰ বাণী
ভকতি ৰসেৰে সমাজক শুধৰাই
শুনালে নামৰে ধ্বনি।
বিষ্ণু-জ্যোতিয়ে আমাক দেখুৱালে
সংস্কৃতিৰ জোনাকী বাট
ৰচিম তাতে আহাঁ মহামিলনৰ
চিৰযুগমীয়া নাট।
ৰঙালী বিহুতে আমাৰে শিপিনীয়ে
বইছে তাঁতৰে শাল
কি সপোন ৰচিছে কি ফুল বাচিছে
হাতেত লৈ বিহুৱান।।

এটি গীত

জ্যোতিৰ্ময়ী ডেকা

ঐ নিলাজী বন
তই মোৰ বুকুৰে
চুও নে নুচুও, তোক
চুও নে নুচুও তোক
লাজতে মুচ কুচ খাৱ অ'ই নিলাজী বন
সেউজীয়া ৰিহাৰ আঁচল
তাতে বেঙুনীয়া চানেকী ফুলৰ
থৌকি বাথৌ মন
হিয়া মন উচাতন
ৰ'দৰ পৰশত ফুললি অ'ই নিলাজী বন
মাটিৰ সুগন্ধত মতলীয়া
সৰগ চাবলৈ ও হিয়া বলিয়া
কি কৰো ক'তে মৰো
উতলা মন ধৰি ৰাখো
তোকেই চুই চোৱাৰ হেঁপাহত মৰো অ'ই নিলাজী

অচিন দেশলৈ

মামনি দাস

হেপাহৰ সংসাৰখন পাতিছিলো
কতনা সাঁতুৰিম বুলি।
কত আশা কত সপোন পুহি ৰাখিছিলো
হিয়াৰ মাজত।
নিয়তিৰ কি ৰূপ মনে মনে আছি
মনৰ মানুহজনক বেমাৰে আকোঁৱালি ধৰিলে
মই যে একেবাৰে নিৰুপায়।
ইমানে মন্থৰ গতিত কাল ধুমুহা আহিল
নে ইপাৰ পাওঁ নে সিপাৰ পাওঁ
নিয়তিয়ে চাৰখাৰ কৰি থৈ গ'ল
মৰমৰ ঘৰখন।
বৰ্তমানত মনৰ মানুহজনক বিচাৰি ফুৰিও
কোনো দিনে কোনো কালে
দেখা যে নেপাওঁ।
অতিকৈ মৰমৰ পুত্ৰ ভাৰ্য্যাক শোক সাগৰত
থৈ একো নোকোৱাকৈ নিৰৱে নিতালে
চিৰ দিনৰ বাবে চকু মুদিলে।
এয়া জানো জীৱন তুমি মোৰ কপালৰ
ৰঙা ফোঁট ভৰিৰে মোহাৰি
বগা সাজ পিন্ধাই গুছি গ'লাগৈ
অচিন দেশলৈ।
তোমাকতো পাহৰিব নোৱাৰিম মই জীয়াই থকালৈকে
তুমি মৰমেৰে উপচাই থোৱা স্মৃতিবোৰে
মোক বাৰুকৈয়ে আমনি কৰিব।

আদৰণি

ৰীণা পূজাৰী

কুলিটিয়ে বিনালে কুঁহিপাত ওলালে
ধৰাখনি কৰি বিনন্দীয়া,
ফলে-ফুলে জাতিষ্কাৰ মন হ'ল পৰিস্কাৰ
উলাহত নধৰে হিয়া।
ধিনিকি ধিন দাউ ঢোলৰ মাতত
চাটি-ফুটি কৰে দেহা,
এবাৰ ওলাওঁ এবাৰ সোমাওঁ
বুজাব নোৱাৰো বেথা।
মুগাৰে মেখেলা ৰঙা শেলৰ ৰিহা
গাত মেৰিয়াই লওঁ,
পেঁপাৰ মাত শুনি ৰ'বকে নোৱাৰো
লৰৰি ওলায়ে যাওঁ।
লাহতী হাতেৰে বৈ থোৱা গামোছা
চেনাইকে কেনেকৈ দিও,
ৰিঙা ৰিঙা লগা বিহুৰে বতৰত
কেতিয়াকৈ তোমাক লগ পাওঁ।
বিহুৰে বতৰত মনৰে আনন্দত
নাচো নাচো লাগে মনত
বছৰেকৰ মূৰত চেনেহৰ বিহুটিক
আদৰো অতি উলাহত।

ব'হাগ

ৰাবিয়া খাতুন

হঠাৎ ঘনিষ্ঠ হ'ল
সকলো দিনৰ
সকলো সময়ৰ
মোৰ সুন্দৰ ভাৱ
আবেগত ডুব গ'ল
নিষিদ্ধ জীৱনৰ
সকলো চিন্তাৰ স্বাদ
ঘনে ঘনে কাৰ জানো ছবি
হৃদয়ত হ'ল পৰকাশ
নতুনৰ সেউজীয়া ভৰত
দোঁ খালে নীলিম আকাশ
এতিয়া দুচকুলৈ নামি আহে
কিহৰ জানো হাবিয়াস!
অজানিত অসীম পুলকত
ফুলি উঠিল
সহস্ৰ হাঁহিৰ ব'হাগ।◆

বাউলী ব'হাগ

অঞ্জনা দেৱী

ঐ চেনেহী ব'হাগ
ব'হাগৰ প্ৰথমজাক বৰষুণৰ সৈতে
প্ৰতিশ্ৰুতি লৈ আহ,
ঐ চেনেহী ব'হাগ।
বিৰিখৰ কুমলীয়া গছৰ পাতে পাতে
কবিতা লিখি যা,
ঐ চেনেকী ব'হাগ,
বিশ্বাসৰ চাদৰ কঢ়িয়াই
শান্তিৰ মধুৰ আলোড়ন আঁকি যা.....
ঐ চেনেহী ব'হাগ,
শিপিনীৰ মাকোত ভালপোৱাৰ
গামোচা বৈ যা,
সেউজীয়া দলিচাত বহি
হৃদয় উপচাই লম
হাঁহিৰ সুহুঁৰি হে জগাবা মোক।◆

মই এজনী ছাত্ৰী

ধৰণী ৰাভা

মই এজনী ছাত্ৰী
সদায় স্কুললৈ যাওঁ।
স্কুললৈ গৈ মই
বৰ ভাল পাওঁ।
বান্ধৱীৰ সৈতে মই
নানা খেল খেলো,
খেলৰ মাজেৰে মই
বহু কথা শিকো।
সদায় সময়মতে প্ৰাৰ্থনা কৰো
প্ৰাৰ্থনা কৰি গৈ শ্ৰেণী কোঠাত বহো।
বিদ্যালয়ৰ শিক্ষাগুৰুক
বৰ সন্মান কৰো।
শ্ৰেণীত পঢ়িবলৈ দিলে
মই মন-পুতি পঢ়ো।
লিখা-পঢ়া কৰা
আমাৰ সকলোৰে কাম,
উজ্বলাব লাগিব আমি
ৰুক্মিণীগাঁও বালিকা বিদ্যালয়ৰ নাম।◆

সংকল্প

দীনবন্ধু বৈশ্য

বিকাশ আৰু পৰিৱৰ্তনৰ
দোমোজাত
জোৱাৰ আৰু ছুনামিৰ
মাজত উটি-ভাহি যাব নেকি
অসমীয়া।
পুৰতি নিশাৰ সপোন
ভাগি
মৌ বৰষা মাতে
হিয়াত আনে শিহৰণ,
গছ-লতিকা, জান-জুৰিও
কাণে কাণে কৈ গ'ল
এয়া ঋতু পৰিবৰ্তনৰ
সময়।
পদূলি মুখত ৰঙালীবিহু এয়াই সময় সংকল্প
লোৱাৰ।◆

বগীৰাম ডাক্তৰ

ৰেৱতী মোহন হাজৰিকা

—কি হ'ল খুৰী, টোপা কাড়পাট অহাদি আহিছ' দেখোন?

—অ' ঘটলু, হেৰি নহয় অ' ঘটলু, তই এইখিনিতে কিমান পৰ জেওৰা দি আছ?

—অলপ সময় হ'ল-আধা ঘণ্টামানেই হ'লনে কি, কিয়নো?

—বগীৰাম ডাক্তৰ এইফালেদি গ'লহি নেকি দেখিছিলিনে কি?

—নাই দেখা। নাই যোৱা যেন পাওঁ। যোৱা হ'লে দেখিলোহেঁতেন নহয়। কিয়নো বগীৰাম ডাক্তৰক লগা হ'ল, কাৰোবাৰ কিবা অসুখনে কি?

—এ, নক'বি আৰু যোৱা ৰাতিৰ পৰা কেঁচুৱাটোৱে শৌচ-বমি কৰি আছে। গাখীৰ খালেই বমি কৰি উলিয়াই দিয়ে।

—তাৰ বয়সনো কিমান হ'ল। কিমান হ'বনো, যোৱা ফাগুনত সাত মাহ উকলি আঠ মাহত সোমাল।

—কেঁচুৱা ল'ৰা-ছোৱালীবোৰৰ শৌচ-বমি হৈছে যেনেই পাওঁ। কেৰকন ককাইদেউৰ নবৌয়েও বগীৰাম ডাক্তৰ অহা-নহাৰ খবৰ কৰি আছে। তেওঁলোকৰ দহমহীয়া কেঁচুৱাটোৰো বোলে যোৱা ৰাতিৰ পৰা শৌচ-বমি হৈ আছে। নহ'বনো কিয়? যিহে ফেৰফেৰীয়া বতাহ। তাতে বতৰো খৰাং। আচলতে পেটত বতাহ সোমোৱাৰ বাবে শৌচ-বমি হোৱা যেন পাওঁ। মাকৰ গাখীৰৰ দোষতো কেঁচুৱাৰ শৌচ-বমি হ'ব পাৰে অৱশ্যে। অভিজ্ঞ শিশু ৰোগৰ বিশেষজ্ঞৰ দৰে কথাষাৰ কৈ ঘটলুৱে এটা সন্তুষ্টিৰ হাঁহি মাৰিলে। হ'ব বাৰু দে, চিন্তা কৰিব নেলাগে। বগীৰাম আহিলে মই তহঁতৰ ঘৰলৈকে পঠাই দিম। আহিলে তহঁতেও গম পাবি। বগীৰাম ডাক্তৰৰ চাইকেলৰ বাজানা শুনিবিয়েই নহয়।

বগীৰাম ডাক্তৰে এই অঞ্চলত স্থায়ীভাৱে বসবাস কৰি হোমিওপেথিক চিকিৎসা-সেৱা আগবঢ়োৱা বিছ বছৰমানেই হ'ল। দেশ-স্বাধীন হোৱাৰ আগলৈকে এই অঞ্চলটোত কোনো ডাক্তৰখানা নাছিল। স্বাধীনতাৰ এবছৰমান পাছতহে ইয়াত এখন ডাক্তৰখানা প্ৰতিষ্ঠা হয়। দু-কুঠলীয়া টিনৰ ঘৰ এটাত ডাক্তৰখানা আৰু অলপ দূৰতে থকা ডাক্তৰ, কম্পাউণ্ডাৰ আৰু চকীদাৰৰ খেৰী ঘৰ তিনিটাক লৈয়েই ডাক্তৰখানাৰ চৌহদটো, কৰ্মচাৰীও মাথোন তিনিজনেই। এজন এল. এম. পি. ডাক্তৰ, এজন কম্পাউণ্ডাৰ আৰু এজন চকীদাৰ। তাতো আকৌ লেঠা। আদবয়সীয়া ডাক্তৰজন দেখিলে বেমাৰী যেন লাগে, খোনা আৰু কাণেৰেও ভালদৰে নুশুনে। কিবা ক'লে কিবা শুনে। গতিকে বেমাৰী বা বেমাৰীৰ বাবে দৰব আনিবলৈ যোৱা মানুহে ডাক্তৰৰ ওচৰলৈ যোৱাতকৈ কম্পাউণ্ডাৰৰ ওচৰলৈহে বেছিকৈ যায়। প্ৰায় ক্ষেত্ৰত ডাক্তৰৰ প্ৰেচক্ৰিপচন

নোহোৱাকৈ কম্পাউণ্ডাৰেই বেমাৰীৰ বাবে দৰৱ দিয়ে। ডাক্তৰৰ অনুপস্থিতিত কম্পাউণ্ডাৰে ডাক্তৰৰ কাম কৰাৰ দৰে কম্পাউণ্ডাৰৰ অনুপস্থিত চকীদাৰেই কম্পাউণ্ডাৰৰ কাম চলায়। ডাক্তৰ খানা প্ৰতিষ্ঠা হোৱাৰ বহু বছৰৰ আগৰ পৰা অঞ্চলটোত বগীৰাম ডাক্তৰে হোমিওপেথিক চিকিৎসা-সেৱা আগবঢ়াই অহাৰ বাবে অঞ্চলটোত তেওঁৰ এটা প্ৰভাৱ আছে। তাৰোপৰি বগীৰাম ডাক্তৰৰ হোমিও পেথিক দৰৱ পৰিমাণীও হেনো।

বগীৰাম ডাক্তৰ মানুহটো আছিল চুটি-চাপৰ, বগা, শকত। পিন্ধনত আছিল খাকী ৰঙৰ লংপেন্ট, খাকী ৰঙৰ হাফ্‌চাৰ্ট, মূৰত তাহানি পুলিচথানাৰ ডাৰোগাই পিন্ধা নিচিনা খাকী ৰঙৰ এটা 'চৰিয়া টুপী আৰু ভৰিত এযোৰ ৰঙা কাপোৰৰ জোতা। যাতায়াতৰ বাহন আছিল এখন আওপুৰণি হাৰকিউলিচ্‌ চাইকেল। চলাওতে কেৰ-কেৰ, খট্-খট্, খুটং-খাটাং আদি শব্দেৰে এটা বিসংগতি পূৰ্ণ-লয়ৰ সৃষ্টি কৰিছিল। মানুহজন চাপৰ বাবে চাইকেলৰ চিটটো তললৈ অলপ দবাই লৈছিল। হেণ্ডেলৰ মুঠিয়া দুটাত ভালদৰে ধৰিবৰ বাবে আগফালে হাউলি চাইকেল চলাইছিল। চাইকেলৰ হেণ্ডেলত এটা চামৰাৰ বেগ ওলোমাই লৈছিল। তাত আছিল এডাল ষ্টেথ্ৰিচ্‌স্কোপ এটা থাৰ্মোমিটাৰ আৰু সৰু ডাঙৰ কিছুমান দৰৱৰ বটল আৰু দুটামান পাউডাৰৰ পেকেট আৰু জোখমতে কেঁচীৰে কাটি লোৱা কিছুমান কাগজৰ টুকুৰা। এয়েই আছিল আপাত দৃষ্টিত বগীৰাম ডাক্তৰ মানুহজন আৰু চিকিৎসা সেৱা আগবঢ়াৰৰ বাবে তেওঁ লগত লৈ ফুৰা দৰৱ-পাতি আৰু সা-সৰঞ্জাম।

অঞ্চলটোত বগীৰাম ডাক্তৰ বেলেগ বেলেগ কেইবা নামেৰেও পৰিচিত। বগা, শকত আৰু বাবে বগা-কোমোৰা, চুটি-চাপৰ বাবে চাৰিফুটিয়া ডাক্তৰ, চৰিয়াৰ আকৃতিৰ টুপী পিন্ধে বাবে চৰিয়া পিন্ধা ডাক্তৰ, বেমাৰ-আজাৰ ক্ষেত্ৰত নিজে আগবাঢ়ি আহি চিকিৎসা আগবঢ়োৱাৰ বাবে বিপদ বন্ধু আৰু হেপোৰ-টেপোৰকৈ চাইকেল চলোৱা বাবে হেপোৰ পেথিক। এইবোৰ গাঁৱৰ আধাকেচেলুৱা, চুলং ল'ৰা কিছুমানে ৰগৰ কৰি দিয়া নামহে। গাঁৱৰ মানুহখিনিৰ বগীৰাম ডাক্তৰৰ প্ৰতি কোনো বেয়া ভাৱ নাছিল।

দহদিন মান হ'ল হৰেন দাসে এম. এ ফাইনেল পৰীক্ষা দি আহি ঘৰতে আছেহি। গাঁৱৰ বাল্য বন্ধুবোৰে হৰেন দাসৰ ৰবৰকৈ ওচৰ নেচাপে। দেখা পালে কি খবৰ, কেতিয়া আহিলি বুলি সুধি আঁতৰি যায়। পাতিব লগা কথা নেথাকে বোধহয়। লগৰ সকলোতকৈ হৰেনে বেছিকৈ পঢ়া-শুনা কৰাৰ বাবে তাৰ ওচৰত সংকোচো কৰে বোধহয়।

এদিন এটা ঘটনা ঘটিল। দুপৰীয়া ভাত-খাঁওতে হৰেনৰ ডিঙিত মাছৰ কাঁইট লাগিল। কুঁঢ়ি মাছৰ কাঁইট। শুকান ভাতৰ লাডু আৰু কল খাইও কাঁইট যোৱাব পৰা নাই। ডিঙিটো গেজ্‌গেজাই আছে। বাৰাণ্ডাৰ বেতৰ চকী এখনত বহি হৰেনে কাঁইটডাল কেনেকৈ ডিঙিৰ পৰা গুচোৱা যায় তাকে চিন্তা কৰি আছে। এনেতে ওচৰৰ ঘৰৰে শলিয়া বৰা আহি হৰেনক সুধিলেহি—'বাৰাণ্ডাত অকলে অকলে বহি কি চিন্তা কৰি আছ'?

—অ' দেদাই বহ।

শলিয়া বৰা বহাৰ লগে লগেই হৰেনে ক'লে—হেৰি নহয় অ' দেদাই। কথা এটা হ'ল।'

—'কি কথা?'

—'দুপৰীয়া ভাত খাওঁতে ডিঙিত মাছৰ কাঁইট লাগিল। কুঁঢ়ি মাছৰ কাঁইট। শুকান ভাতৰ লাডু, কল খাইও কাঁইট যোৱাব পৰা নাই। কি কৰো এতিয়া?'

—'ইহ বৰ ডাঙৰ কথাটো হ'ল—তাকে ইমান চিন্তা কৰিব লাগে? বগীৰাম ডাক্তৰৰ তালৈ গৈ এপালি হোমিওপাথিক দৰৱ খালেই ক'ৰ কাঁইট কেনি ক'লৈ যাব গমকে নেপাবি নহয়।'

—'তেতিয়া হ'লে তাকে কৰো।'

—'অ কৰ'

হৰেনে ভাবিলে—আবেলি তিনি বাজিলেই। চাহ একাপ খাই যোৱাই ভাল হ'ব। ভিতৰত থকা ভনীয়েকক চিঞৰি কোৱাৰ দৰে ক'লে অ' অকমান, মই এফালে যাব লাগে। সোনকালে একাপ চাহ কৰি আন। দেদাই আহিছে। দেদাইলৈও একাপ আনিবি। আৰু শুন, মই যোৱা কালি অনা বেচন-বৰফি এটাও দেদাইৰ বাবে আনিবি, মোৰ বাবে নহ'লেও হ'ব।

—হ'ব বাৰু দে, তই মোৰ বাবে চিন্তা কৰিব নালাগে। তই মুঠে সোনকালে চাহকাপ খাই যা'—মিচিকৈকৈ হাঁহি মাৰি দেদায়ে ক'লে। চাহ একাপ খাই উঠি শলিয়া দেদাইৰ পৰা বগীৰাম ডাক্তৰৰ ঘৰৰ অৱস্থানটো ভালদৰে জানিলৈ আবেলি চাৰি বজাত হৰেন গৈ ডাক্তৰৰ ঘৰ ওলালগৈ।

ডাক্তৰ আবেলি শুই উঠিছিলহে মাত্ৰ। হৰেনক দেখি ক'লে—'তুমি আহিলা, তুমি অলপ বহা দেই, মই হাত-মুখ ধুই আহো। 'মুখ-হাত ধুই ডাক্তৰে গামোচা এখনেৰে মুখ মচি মচি আহি নিজৰ নিৰ্দিষ্ট চকীখনত বহি সুধিলে—'কোৱাচোন, কি সকামতনো আহিলা?'

'ডাক্তৰৰ ওচৰলৈ আৰু ফাৰ্মাচীলৈ দৰৱৰ বাবে অহাৰ বাহিৰে আন কি সকামনো থাকিব পাৰে?'

—দৰৱ কাৰ বাবেনো লাগে?

—মোৰ বাবে।

—তোমাৰনো আকউ কি হ'ল?

—বেমাৰ তেনেকৈ একো হোৱা নাই। কথাটো হ'ল মানে কি—আজি দুপৰীয়া ভাত খাওঁতে মাছৰ কাঁইট লাগিল। কুঢ়ি মাছৰ কাঁইট শুকান ভাতৰ লাড়ু, কল খায়ো কাঁইটডাল যোৱাব পৰা নাই। ডিঙিটো গেজ গেজাই আছে। ডাক্তৰে হাঁহি মাৰি ক'লে—'হ'ব বাৰু দিয়া' ডা ঠ কাগজৰ সৰু কাৰ্টন এটাৰ পৰা পাউদাৰ উলিয়াই লৈ তাত দুটোপালমান দ্ৰপ মিহলাই দুটা পুৰিয়া বনাই হৰেনক দি ক'লে—'এটা এতিয়াই ডিঙিত পেলাই গিলি দিয়া। কাঁইট নগ'লে আনটো পুৰিয়া দুঘণ্টাৰ পাছত খাবা।' দৰৱৰ দাম দি উঠিব খোজাত ক'লে।

—বহা অলপ। কেতিয়াও নহা মানুহ আহিছা, চাহ একাপকে খাই যোৱা।

—নেলাগে দিয়ক, মই অলপ আগতে চাহ একাপ খায়েই আহিছো।

ৰ'বাচোন, মই অলপ আগতেহে শুই উঠিছো। মই একাপ চাহ খাম। তুমিও মোৰ লগতে বহি একাপ চাহ খোৱাত কিবা আপত্তি আছিনেকি?

ডাক্তৰৰ কথাত হৰেন দাস মৌন হৈ কি নক'ব ভাবিলে। অলপ অস্বস্তিবোধ কৰিলে। কেতিয়াবা মৌনতাও অস্বস্তিৰ কাৰণ হয়। হৰেনৰ মনৰ অৱস্থাটো বুজিয়েই হয়তো ডাক্তৰে সুধিলে—'কি ভাবি আছা?'

—নাই তেনেকৈ একো ভবা নাই, আপুনি বাৰু ইয়াত এই ঘৰটো কেতিয়া সজালে?

—এবছৰৰ বেছি হ'ল, কিয়?

—নাই, এনেয়েহে সুধিছো। আপোনাৰ আচল ঘৰ বাৰু ক'ত।

এহ্, সেইবোৰ বহুত কথা। ক'লে এখন বুৰঞ্জী হ'ব। তোমাৰ সেই বুৰঞ্জী শুনাৰ ধৈৰ্য্য আৰু সময় হ'ব জানো?

—কওঁক। মই বুৰঞ্জীৰ ছাত্ৰ আছিলো। বুৰঞ্জী মই ভাল পাওঁ।

—তুমি স্কুল, কলেজত পঢ়া বুৰঞ্জীবোৰ ৰজা-মহাৰজাৰ যুজ-বাগৰ, জয়-পৰাজয়, হত্যা-লুণ্ঠনৰ কাহিনীহে আছিল। আমাৰ দৰে সৰু মানুহৰ আশা-আকাংশা, সুখ-দুখৰ কাহিনী নহয়।

—হ'লেও মই শুনিব খোজো। আপোনাৰ আপত্তি আছে যদি নেলাগে ক'ব অৱশ্যে।

—মোৰ আপত্তি অলপো নাই। তুমি আমনি পোৱা বুলিহে।

—মই আমনি নেপাওঁ—কওঁক।

দ্বিতীয়তে সামাজিক প্ৰথামতে বিয়া পাতি ৰাইজৰ হাত-মুখ নুধুৱালো। গাঁৱৰ বয়োজ্যেষ্ঠ মানুহখিনিয়ে মোৰ অনুপস্থিতে নামঘৰত মেল পাতি মোক বিধৰ্মী বুলি গৰিহণা দি ৰাইজৰ লগত গাঁৱৰ লগত জুই-পানী নিষেধ কৰি এঘৰীয়া কৰিলে। ৰাইজৰ সেই সিদ্ধান্তত মই কোনো গুৰুত্ব নিদিলো। কাৰণ ইতিমধ্যে মই ঘৰৰ লগত গাঁৱৰ লগত সম্পৰ্ক একপ্ৰকাৰ ত্যাগ কৰিছিলোৱেই।

—কিন্তু আপুনি বাগানৰ চাকৰি এৰিলে কিয়।

—চাকৰি এৰিলো বুলি মই ঠিক ক'ব নোৱাৰো। আচলতে মোক চাকৰিৰ পৰা খেদালেহে নেকি?

—আপোনাৰ কথা একো নুবুজিলো।

—আচল কথাটো কওঁ শুনা। ১৯৫৮ চনৰ কথা। তেতিয়ালৈ বাগানত মোৰ চাকৰি দহ বছৰ হৈছিল। দেশ স্বাধীন হোৱা এঘাৰ বছৰ হৈছিল যদিও ব্ৰিটিছ চাহাবসকলৰ বস্তুতৰে অহংকাৰ আৰু মই-মতালি কমা নাছিল—বিশেষকৈ ব্ৰিটিছ কোম্পানীৰ চাহবাগানবোৰত। এদিন এটা ঘটনা ঘটিল। সন্ধিয়া বাগানৰ পাততোলা কাম শেষ কৰি মজদুৰ তিৰোতা কিছুমানে কেঁচা চাহপাতৰ হোড়াৰে আহি চাহ পাত জোখা চালিখনৰ তলত পাত জোখাবৰ বাবে ৰৈ আছিল। পাত জুখি থাকোতে সন্ধিয়া দেৰি হোৱা বাবে তিৰোতাখিনিৰ মাজত অলপ হৈ-হাল্লা হোৱাত পাত জোখাৰ দায়িত্বত থকা এচিচ্টেন্ট মেনেজাৰ মেকাৰ্থীয়ে খঙত তিৰোতাখিনিক গালি পাৰি এজনী তিৰোতাৰ টুকুৰিটোত জোতাৰে গোৰ মাৰি দিলে। চাহাবৰ তেনে কাৰ্যত মই প্ৰতিবাদ কৰিলো। আমাৰ মাজত তৰ্ক-বিতৰ্ক হ'ল। ইতিমধ্যে তিৰোতাখিনিৰ মাজত হৈ চৈ বেছি হ'ল। দুজনী তিৰোতাই পাত কঢ়িওৱা টুকুৰিৰে চাহাবৰ পিঠিত দুকোব মান মাৰিলে। এজনীয়ে হেনো চাহাবৰ গাত থুই পোলয়ো দিলে। ভয়ত চাহাব ল'ৰ মাৰি অলপ দূৰত থকা মেনেজাৰ হেমিল্টন্ চাহাবৰ বাংলাত সোমালগে। পিছদিনা বাগানত কাম বন্ধ। মজদুৰসকলৰ হৰতাল। সন্ধিয়ালৈ অৱশ্যে শ্ৰম-পৰিদৰ্শক আৰু চাহমজদুৰ সংঘৰ বিষয়ববীয়াসকলৰ হস্তক্ষেপত হৰতাল বাতিল কৰা হ'ল। মেকাৰ্থী চাহাবক সেই কোম্পানীৰ অন্য বাগানলৈ বদলিৰ সিদ্ধান্ত লোৱা হ'ল। শেষত বিপদ হ'লগৈ মোৰ। চাহাবৰ লগত তৰ্ক কৰি অনুশাসন ভংগ কৰা আৰু মজদুৰ তিৰোতাখিনিক বিশৃঙ্খলতাৰ সৃষ্টি কৰিবলৈ উচটাই দিয়াৰ অপৰাধত মোক চাকৰিৰ পৰা বৰখাস্ত কৰা হ'ল। বাগানৰ চাকৰিৰ প্ৰতি মোৰ তেনে কোনো মোহ নাছিল। পেটৰ দায়তহে চাকৰি কৰি আছিলো। হ'লেও অন্যায়ৰ প্ৰতিবাদ কৰি মোৰ প্ৰাপ্য আদায়ৰ বাবে মই দৃঢ় প্ৰতিজ্ঞ আছিলো। অসম চাহ কৰ্মচাৰী সংঘৰ ওচৰত বৰখাস্তৰ বিৰুদ্ধে মই গোচৰ তৰিলো। মোৰ মূল যুক্তি আছিল—মোক অন্যায় কৰি চাকৰিৰ পৰা বৰখাস্ত কৰা হৈছে। কাৰণ, বৰখাস্তৰ সিদ্ধান্ত লোৱাৰ আগতে মোৰ বিৰুদ্ধে কোনো অভিযোগ আনি সেই অভিযোগত মোৰ কৈফিয়ৎ তলব কৰা হোৱা নাছিল আৰু মোৰ শুনানীও লোৱা নাছিল। দ্বিতীয়, যুক্তি আছিল কোনো এটা কথা অন্যায় বা অযুক্তিকৰ বুলি ভাবি ভদ্ৰ আৰু মাৰ্জিত ভাষাত তাৰ প্ৰতিবাদ কৰাটো অনুশাসনহীনতা নুবুজায়। মোৰ গোচৰটো চালিচী বিষয়া, চাহ কৰ্মচাৰী সংঘ আৰু বাগানৰ মালিক পক্ষৰ বৈঠকত হোৱা বিচাৰত মোৰ পক্ষেই ৰায় হ'ল। চাহ কৰ্মচাৰী পৰিষদক মোৰ বাগানত যে আৰু চাকৰি কৰাৰ ইচ্ছা নাই সেই কথা ভিতৰুৱাকৈ কোৱা আছিল আৰু দহ বছৰৰ চাকৰি কৰাৰ বাবদ আৰু চাকৰি হেৰুৱাৰ বাবদ ক্ষতিপূৰণ হিচাবে অলপ টকা দিলেই হ'ব। ক্ষতি পূৰণ হিচাবে মই পাঁচ হেজাৰ টকা দাবী কৰিছিলো। চাৰি হেজাৰ টকা দিয়াৰহে সিদ্ধান্ত হ'ল। .... বাগানত দহ বছৰ চাকৰি কৰাৰ বাবে মোৰ বৰঙণিমূলক ভৱিষ্যত নিধিৰ পাঁচ হেজাৰ টকা সহ সৰ্বমুঠ ন হেজাৰ টকা লৈ বাগানৰ চাকৰি এৰি গুছি আহিলো। তাৰে দুহেজাৰ টকা খৰচ কৰি তিনিটা কোঠাৰ এই খেৰী ঘৰটো সজালো। দুহেজাৰমান টকাৰে 'প্ৰেক্টিচ' কৰিবৰ বাবে দৰৱ-পাতি কিনিলো। বাকী তিনি হেজাৰ টকা বেংকত জমা আছে ভৱিষ্যতৰ আৱশ্যকতাত খৰচ কৰিবৰ বাবে। এয়াই আছিল থুল-মূলকৈ মোৰ জীৱন সংগ্ৰামৰ কাহিনী বুলি

ডাক্তৰে দীঘলকৈ উশাহ ল'লে।

অলপ পৰ নীৰৱতাৰ পাছত ডাক্তৰে হৰেনক সুধিলে—মোৰ কথাবোৰ শুনি তুমি আমনি পাইছানেকি?

—নাই পোৱা, অলপো আমনি পোৱা নাই। ভালহে লাগিছে।

—কেনেকুৱা ভাল লাগিছে?

—ভাল লাগিছে আপুনি মোৰ মনটোক আঁতৰাই নি আপোনাৰ অতীত জীৱনৰ সুখ-দুখৰ মাজত বিচৰণ কৰাই দিয়া আমেজখিনিৰ বাবে।

—আচলতে কি জানা? মই মানুহটো অলপ বেছি কথকী। নিজৰ জীৱনৰ সুখ-দুখৰ কথাবিলাক আনৰ আগত মুকলিকৈ ক'বলৈ পালে ভাল পাওঁ। মনটো মুকলি মুকলি লাগে। আৰু এটা কথা মই ভাবো, আজিয়ে আমি ইমান সময় সুখ-দুখৰ কথা পাতিলো ইয়ো এটা অৱসৰ বিনোদন। শৰীৰ আৰু মনত সুস্থ-সবল কৰি ৰাখিবৰ বাবে অৱসৰ বিনোদনৰো আৱশ্যক। ডাক্তৰৰ ঘৰৰ পৰা বিদায় লওঁতে ডাক্তৰে হৰেনক পুনৰ তেওঁৰ ঘৰলৈ আহিবৰ বাবে বিশেষভাৱে অনুৰোধ জনালে। হৰেনেও আনন্দমনেৰে ডাক্তৰৰ ঘৰলৈ পুনৰ অহাৰ প্ৰতিশ্ৰুতি দি বিদায় ল'লে। বগীৰাম ডাক্তৰৰ লগত কথা পতাৰ পাছত হৰেন দাসে এটা কথা বিশেষভাৱে অনুভৱ কৰিলে ডাক্তৰ সঁচায়ে এজন সৎ, স্পষ্টবাদী, সাহসী কৰ্তব্য পৰায়ণ ব্যক্তি। মানুহজনৰ প্ৰতি হৰেনৰ শ্ৰদ্ধা উপজিল।

তাৰ পাছৰ কথা। এম. এ. পাছ কৰি হৰেন দাস চৰকাৰী চাকৰিত সোমাল। বিয়া-বাৰু কৰি সংসাৰী হ'ল। চাকৰি আৰু সংসাৰৰ লেঠাত অন্য বহু কথাৰ লগতে বগীৰাম ডাক্তৰক দিয়া প্ৰতিশ্ৰুতিৰ কথা একপ্ৰকাৰ পাহৰিয়েই পেলালে। কেতিয়াবা কিবা কামত এদিন বা দুদিনৰ বাবে ঘৰলৈ আহিলেও বগীৰাম ডাক্তৰৰ খবৰ ল'বলৈ সময়েই নহয়।

বগীৰাম ডাক্তৰক লগ পোৱাৰ প্ৰায় দহ বছৰৰ পাছত হৰেন দাস তিনিদিনৰ চুটীত ঘৰলৈ আহিছিল সম্পৰ্কীয় খুড়ায়কৰ ল'ৰাৰ বিয়াৰ বাবে। বিয়াৰ দিনা ৰাতি ন মান বজাত দৰা যোৱাৰ পাছত হৰেন ঘৰলৈ আহি শুলেহি। বহু ৰাতিলৈ টোপনি নাহিল। খেলি-মেলি চিন্তা কিছুমানে মনটোক আমনি কৰিলেহি। শেষৰাতি তাৰ টোপনি আহিল। এটা ভয় লগা সপোন দেখি সি সাৰপাই উঠিল সপোনত সি দেখিলে—সি বগীৰাম ডাক্তৰৰ ঘৰলৈ গৈছে। বাৰাণ্ডাত থিয় হৈছে মাত্ৰ তেনেতে বগীৰাম ডাক্তৰ আহি তাক ক'লেহি—'তুমি তোমাৰ প্ৰতিশ্ৰুতি ৰাখিলা, কিন্তু বৰ দেৰি কৰিলা।' হৰেনে দেখিলে—বগীৰাম ডাক্তৰে এখন শুধ বগা ধুতি পিন্ধিছে, গাত উৰি লৈছে এখন শুধ বগা চাদৰ। মুখখন চাদৰখনৰ দৰেই বগা। ঢেলা চকু দুটাৰে একেৰাহে তাৰ মুখলৈ চাই আছে। ভয়ত হৰেনৰ গাটো জিকাৰি উঠিল। সি সাৰ পালে। তাৰ মনৰ পৰা ভয় ভাব যোৱা নাছিল। টৰ্চটো মাৰি টেবুলত থোৱা হাতঘড়িটো চালে। চাৰে তিনি বাজিছে। টেবুলত থোৱা পানীগিলাচৰ দুঢোক পানী খাই ডিঙিলৈকে কম্বলখন টানি বাওঁ কাতি হৈ শুই হৰেণে ভাবিলে—কিযে নাভূত-নাশ্ৰুত সপোনবোৰ দেখা যায়। লগতে ভাবিলে—পুৱা আঠমান বজাতে বগীৰাম ডাক্তৰৰ ঘৰৰ পৰা এপাক আহিব লাগিব। পুৱা আঠ বজাৰ অলপ আগতে হৰেণে চাইকেলখন লৈ যাবলৈ ওলাইছে মাত্ৰ তেনেতে পদুলিমুখৰ পৰা তাৰ একালৰ সহপাঠী গজেনে মাত লগালে—কি হ'ল পুৱাতে কোনফালে ওলালি।'

—অলপ কাম আছে, গৈ আহো।

—এটা কথা গম পাৱনে নাই?

—কি কথা?

—যোৱা ৰাতি বগীৰাম ডাক্তৰ ঢুকাল।

কথাষাৰ শুনি হৰেন দাস মৰ্মাহত হ'ল। কিং কৰ্তব্য বিমোৰ হৈ সুধিলে—'কি হৈছিল?'

—ৰাতি দুইমান বজাত হঠাৎ হাৰ্ট এটেক্ট হ'ল। আধা ঘণ্টামান পাছত ঢুকালেই। ডাক্তৰ আহি নেপালেহিয়েই। কথাষাৰ শুনি হৰেন দাসৰ শেষৰাতি দেখা সপোনটোৰ কথা

মনত পৰিল। সপোন আৰু ৰূঢ় বাস্তৱৰ মাজত এক ভাবিব নোৱাৰা মিল দেখি সি আচৰিত হ'ল। লৰা-লৰিকৈ সি গৈ বগীৰাম ডাক্তৰৰ ঘৰ ওলালগৈ। গৈ পাই দেখিলে চোতাল আৰু বাটত লোকে লোকাৰণ্য। সৰহখিনি মানুহেই বেজাৰ মনেৰে মৌন হৈ থিয় দি আছে। কেইগৰাকীমান তিৰোতা মানুহে বাৰাণ্ডাৰ মাটিত বহি চকুপানী টুকি আছে। ভিতৰত কোনোবাই হুৰাওৰাৰে কান্দিছে। বোধহয় ডাক্তৰৰ অবিবাহিত ডাঙৰ জীয়েক। কোনোবা এগৰাকী মানুহে নিচুকাইচে। মানুহগৰাকীয়ে শোকতে থোকা-থুকি মাতেৰে কৈছে— 'নেকান্দিবি অ' আই বিধাতাৰ বিধান কোনে খণ্ডাব। আমি সকলোৱেই এদিন যাবই লাগিব। কান্দিলে, বেজাৰ কৰিলে দেউতাৰতো আৰু ঘূৰি নাহে। মাৰ দেউতাৰ নহ'লেও আমি আছো। মই আছো, খুড়ায়েৰ আছে। আমি তোক নিজৰ ছোৱালী কৰি ৰাখিম। ভগৱানে আমাক পুত্ৰ সন্তান নিদিলে। যিবা দুজনী ছোৱালী আছিল সিহঁতকো বিয়া দি উলিয়াই দিলো। আজিৰ পৰাই তোক মোৰ বৰ জীয়ৰী কৰি বুকুৰ মাজত সুমুৱাই ৰাখিম অ' মোৰ আই। 'মানুহগৰাকীৰ কথাখিনি এটা স্বৰ্গীয় জ্যোতিকলা হৈ ইমান এটা শোক তাপৰ পৰিৱেশৰ মাজতো হৰেনৰ অন্তৰ আত্মা পোহৰাই তুলিলে। মনতে ভাব হ'ল আজিৰ ভোগবাদী সমাজ ব্যৱস্থাৰ আত্মকেন্দ্ৰিকতা আৰু লালসাই গাঁৱৰ অশিক্ষিত, অৰ্দ্ধশিক্ষিত খাটিখোৱা সহজ-সৰল মানুহখিনিক স্পৰ্শ কৰা নাই।

চোতালত ঢাৰি পাৰি শুৱাই ডিঙিলৈকে বগা কাপোৰেৰে ঢকা শটোৰ ওচৰলৈ আহি অলপ পৰ একান্তমান চাই থাকি দুয়োহাত যোৰ কৰি এটা নমস্কাৰ কৰিলে। তাৰ পাছত ওচৰত থকা খৰাহি এটাৰ পৰা দুপাহমান ফুল লৈ পুষ্পাঞ্জলি কৰিলে। দুয়ো হাত যোৰ কৰি চকুমুদি বগীৰাম ডাক্তৰৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰি অনাদি, অনন্ত, অচিন্ত, নিত্য-নিৰ্মল ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালে। আৱেগিক হৈ হৰেন দাসে এযাৰ কথা ক'ব খুজিছিল—'চাওঁক ডাক্তৰ মই আপোনাৰ ওচৰলৈ আহিছো। দেৰিকৈ হ'লেও মই মোৰ প্ৰতিশ্ৰুতি পালন কৰিলো। কিন্তু মুখেৰে এটা শব্দও বাজ নহ'ল। কিবা এটাই ডিঙিত সোপা মাৰি ধৰিলে। দুচকুত কেৱল চকুপানী বিৰিঙিল।◆

সাঁথৰ

মূল তামিল ঃ অশোক মিত্রন
ভাষান্তৰ ঃ গিৰীশ দত্ত

'তাক ভালদৰে বুজাই-মেলি লৈ যোৱা...'

কৌতূহল শেষ হোৱাত জুমটো লাহে লাহে ভাগি গ'ল।

ল'ৰাটোৱে এইবাৰ মাটিত লেপেটা খাই বহি দিলে। মানুহজনে তালৈ খঙেৰে চাই ক'লে—

'ঠিক আছে থাক, জহন্নামে যা।' কৈ মানুহজনে অৱসন্ন খোজেৰে চাৰিখনমান দোকান পাৰ হৈ গৈ এখন দোকানৰ সন্মুখৰ বেঞ্চত বহি হাত দুখনেৰে ঢাকি ল'লে।

মানুহজন আঁতৰি যোৱাৰ পিছত ল'ৰাটো উঠি চকু মুখ মোহাৰি লৈ আকৌ গৈ কৃষ্ণ কাফেৰ সন্মুখত থিয় হ'ল।

ৰাস্তাটোৰ ইটো পাৰে মোৰ দোকান। এইখিনি ঠাইত এটা সময়ত এটা গেৰেজ আছিল কিজানি। এতিয়া ৰাস্তাটোৰ দুয়োপাৰে ক'তো গেৰেজৰ বাবে ইমান আহল-বহল ঠাই নাই। ইয়াৰ প্ৰতি ইঞ্চি মাটিৰ এতিয়া সোণৰ সমান দাম। মোৰ এই সৰু দোকানখনৰ লগালগি আৰু দুখন দোকান। পাঁচ বছৰৰ আগতে এই টুকুৰা ঠাইৰ বাবে দহ হেজাৰ টকা 'চালামী' হিচাপে দিবলগীয়া হৈছিল। মাহিলি ভাড়া আছিল দুশ টকা। এতিয়া সেয়া বাঢ়ি চাৰিশ টকা হ'ল। ৰায়প্লেট্টাত বনোৱা পাপৰ কোডুবায়ুৰৰ পাপৰ বুলি আৰু আম্বাতুৰৰ অপ্পলমক (অপ্পলম হ'ল এক ধৰণৰ পাপৰ) তিৰুনেল্‌বেলি অপ্পলম বুলি বিক্ৰী কৰিবলগীয়া হৈছে। খাটি বস্তুও যে একেবাৰে নাহে, তেনে নহয়। কিন্তু সদায় ৰে'লৰে পাৰ্চেল বা লৰী ছাৰ্ভিচৰ ওপৰত ভৰসা কৰিব নোৱাৰি।

এজনী সৰু ছোৱালী মোৰ দোকানলৈ সোমাই আহিল। তাইক মাকে পাঁচ টকাৰ খুচুৰা নিবলৈ পঠিয়াইছে। আনদিনা হ'লে মই চিধাই ক'লোহেঁতেন— 'নাই খুচুৰা নহ'ব।' আজি ছোৱালীজনীক তেনেকৈ নক'লো। তাইৰ হাতৰ পৰা পাঁচটকীয়া নোটখন লৈ ক'লে — 'সৌ যে মানুহজন বহি আছে, তেওঁক ইয়ালৈ মাতি আনাগৈচোন।'

'কাক?' — ছোৱালীজনীয়ে সুধিলে।

দোকানবোৰ তেতিয়াও খোলা নাই। বন্ধ দোকানবোৰৰ সন্মুখত অ'ত-ত'ত ভালেমান মানুহ বহি আছিল। দোকানবোৰ খুলিলে এই মানুহবোৰ ক'ত বহিব বাৰু? কেতিয়াবা মোৰ দোকান খেলা থকা অৱস্থাতেই দোকানখনৰ সন্মুখত বহু মানুহ বহি থাকে।

'সেই যে বগা চোলা পিন্ধা মানুহজন।'

'কোনজন?'

'মুখকন যে হাত দুখনেৰে ঢাকি বহি আছে।...'

'অ'। ঠিক আছে। খুচুৰা দিবতো?'

'আগতে তুমি মানুহজনক মাতি আনাচোন।'

ছোৱালীজনীয়ে একে দৌৰে ৰাস্তাটো পাৰ হৈ গৈ মোলৈ আঙুলিয়াই মানুহজনক কিবা ক'লে। মানুহজনে মূৰ তুলি বেঙা মেলি মোৰ দোকানলৈ চালে। মই মানুহজনক হাত বাউলি মাতিলো। ৰাস্তাটো পাৰ হৈ ছোৱালীজনীৰ লগত

মানুহজন দোকানলৈ আহিব। চন্দুকটো খুঁচৰি দহটা পঞ্চাশ পইচাৰ কইন আৰু মৰ্টন এটা ছোৱালীজনীক দিলোঁ।

মৰ্টনটো মুখত ভৰাই কইনকেইটা হাতৰ মুঠিত লৈ তাই ঘৰলৈ লৰ মাৰিলে।

'মোক মাতিছিল?'— মানুহজনে সুধিলে।

ক'লো, 'হয়। সেই ল'ৰাটো সদায় কাফেখনৰ সন্মুখতেই থিয় হৈ থাকে।'

'মই নাজানিছিলো, ছাৰ। আজি তাক তাক বিচাৰি আজি হঠাতে দেখা পালো। সদায় তাক তিনিবেলা খুৱাও। ঘৰখনৰ আন কোনেও নাখাওঁতেই তাক খাবলৈ দিওঁ। তথাপি কাকো নোকোৱাকৈ এপাকত ঘৰৰ পৰা পলাই আহে।'

'তাৰ মানে খাবলৈ নাপাই সি ভিক্ষা নকৰে।'

'তাক আৰু কি লাগে আপুনিয়েই কওকচোন, ছাৰ। এদিন মই তাৰ দেউতাকক কথা দিছিলো আৰু সেয়ে আজি মোৰ গোটেই ঘৰখনেই তাক লৈ জীয়াতু ভুগিবলগীয়া হৈছে।

'আপোনালোক থাকে ক'ত?'

'চুলাইমেডু...'

'সিওতো আপোনালোকৰ লগতেই থাকে।'

'হয়।'

'ইমান দূৰৰ পৰা আহি ইয়াত ভিক্ষা মাগি ফুৰিছে?'

'তাকেই । তাক লৈ আমাৰ গোটেই ঘৰখনৰেই কি দুৰ্ভোগ ভুগিবলগীয়া হৈছে আপুনি নুবুজিব।... মাজতে দুদিন ঘৰলৈ যোৱা নাছিল। সেই দুদিন চিন্তাত আমাৰ কাৰো টোপনি নাছিল। দুদিন পিছত যেনিবা নিজেই গৈ ঘৰ ওলাইছিল। আমি কিমান সুধিলো, 'ক'লৈ গৈছিল?' মুখেৰে টু শব্দ এটাও নকৰিলে। আমি কি কৰো, কওক?'

'সৌৱা চাওক, আপোনাক দেখি সি আঁতৰি যাব লাগিছে...'

'ইয়াক লৈ মই কি কৰো ভাবি পোৱা নাই।'

'ল'ৰাটো আচলতে কোননো? আপোনাৰ কি হয়? আপুনি কিয় তাৰ কাৰণে ইমান কৰিও এই হাৰশাস্তিখন খাই আছে?'

'মই আৰু তাৰ দেউতাক এখন দোকানৰ বিজনেছ পাৰ্টনাৰ আছিলো। আমি ওচৰ-চুবুৰীয়া আছিলো। ইয়াৰ ককায়েকটো এদিন হঠাতে জ্বৰ উঠি ঢুকাল। সি এইচ এছ এল চিৰ ছাত্ৰ আছিল। ল'ৰাটোৰ এনে আকস্মিক মৃত্যুত ঘৰখন আৰু চুবুৰিটোত হুৱা-দুৱা লাগি থাকোতেই তাৰ ভনীয়েকজনীও হঠাতে ঢুকাল। হঠাতে কি হ'ল, কিয় হ'ল আমি কোনেও একো উৱাদিহেই নাপালো। কৰ্পʼৰেচনৰ মানুহ আহি পৰীক্ষা কৰিবলৈ সিহঁতৰ পাকঘৰৰ পৰা ৰন্ধা-বঢ়া বাচন বৰ্তনবোৰ লৈ গ'ল। এই ঘটনাটোৰে পোন্ধৰ দিনমানৰ পিছত তাৰ মাকো হঠাৎ এদিন জ্বৰ উঠি ঢুকাল। তাৰ পিছৰ পৰা সি আমাৰ লগতে থাকে।'

'তাৰ দেউতাকৰ কি হ'ল?'

'ঘৈণীয়েক ঢুকুৱাৰ দুদিনমান পিছতেই তেওঁ এদিন ঘৰ-সংসাৰ এৰি দেশান্তৰী হ'ল।'

'দেশান্তৰী মানে?'

'আপুনি বিশ্বাস নকৰিব ছাৰ, দোকানৰ তেওঁৰ অংশটো মোৰ নামত লিখি দি মানুহজন এদিন ক'ৰবালৈ গুচি গ'ল। তেওঁ নিজৰ পৰা একো কোৱা নাছিল, ময়েই তেওঁক কথা দিছিলো, ল'ৰাটোক নিজৰ ল'ৰাৰ দৰে সম্পূৰ্ণ দায়িত্বৰে চোৱাচিতা কৰিম। আৰু আজি সি ইয়াত ভিক্ষা খুজি ফুৰিছে...'

কথাখিনি কওঁতে মানুহজনে কান্দি পেলাব যেন লাগিল।

গ্ৰাহক এজন আহি এশ গ্ৰাম অপ্পলম -চিপছ আৰু এশ গ্ৰাম আলু চিপ্‌ছ কিনিলে। চন্দুকটো খুঁচৰি গ্ৰাহকজনক ওভতাই দিবলগীয়া খুচুৰাখিনি নাপালো। মানুহজনৰ পৰাই প্ৰয়োজনীয় খুচুৰাখিনি লৈ গ্ৰাহকজনক বিদায় দি মই তেওঁক ক'লোঁ— 'দোকানখন অলপ চাবচোন। মই সেই পাণ-দোকানখনৰ পৰা অলপ খুচুৰা লৈ আহো।'

পাণ-দোকানখন কৃষ্ণ কাফেৰ লগালগি। ল'ৰাটোৱে মোৰ সন্মুখত হাত পাতিলে।

তাক ক'লো, 'মোৰ লগত ব'লা।'

সি শংকিত চাৱনিৰে মোলৈ চালে।

'ব'লা। তোমাৰ দেউতাৰাৰ পাৰ্টনাৰৰ লগত ঘৰলৈ যোৱা।'

সি একো বুজি নোপোৱাৰ দৰে দুবাৰমান চকুৰ পিৰিকটি পেলাই মোলৈ চালে। তাৰ পিছত ক'লে— 'তেওঁ মোৰ দেউতাৰ পাৰ্টনাৰ নহয়।'

'তেনেহ'লে তেওঁ কোন?'

'আমাৰ চুবুৰীয়া আছিল। এজন এজনকৈ সেই ঘৰখনৰ মানুহবোৰে আমাৰ ঘৰৰ আটাইকে মাৰি পেলালে।'

'থানাত গোচৰ নিদিলা কিয়?'

'গোচৰ দি কি লাভ হ'লহেঁতেন? সিহঁতৰ বহুকেইজন আত্মীয়ই পুলিচত চাকৰি কৰে।'

'তেনেকুৱা হ'লেতো তেওঁ তোমাকো অত্যাচাৰ কৰিলেহেঁতেন?'

ল'ৰাটোৱে চোলাটো খুলি তাৰ কান্ধ আৰু পিঠিখন দেখুৱালে। আঘাতৰ বহু দাগ দেখিলো।

'তাৰ মানে তুমি তেওঁৰ ঘৰলৈ উভতি নোযোৱা?'

ল'ৰাটোৱে উদ্ভ্রান্ত চকুৰে মোলৈ চালে।

মই তাক তাতে এৰি পাণ-দোকানীটোৰ পৰা খুচৰা লৈ দোকানলৈ উভতি আহিলো।

'সি কি ক'লে?— চোলাটো খুলি আপোনাক কি দেখুৱালে?'

'আপোনাৰ ঘৰৰ মানুহবোৰে পাল পাতি তাক সদায় পিটে বোলে?'

'মিছা নামাতো, পিটো। মাজে মাজে পিটিবলৈ বাধ্য হওঁ। মৰাটো কি খুচীৰ কথা ছাৰ? তাক অৱশ্যে পগলা ফাটেকত ভৰ্তি কৰাব পাৰিলোঁহেঁতেন। এতিয়া তাক অন্নদাতাই মাৰো, তাত সি সম্পূৰ্ণ অচিনাকি মানুহৰ মাৰ খাই থাকিব লাগিব।... ভাবিলে বৰ কষ্ট হয় ছাৰ।'

'তাৰ দেউতাকক বিচাৰি উলিয়াব নোৱাৰে নেকি?'

'চেষ্টা কৰি আছো। পৰা নাই। পাই গ'লে তেওঁৰ হাতত ল'ৰাটোক গতাই দি এই দুৰ্ভোগৰ পৰা উদ্ধাৰ পালোহেঁতেন। এতিয়া মই যদি অকলে ঘৰলৈ উভতি যাওঁ শ্ৰীমতীৰ পৰাও আৰু এক দুৰ্ভোগ ভুগিব লাগিব। তেওঁ ল'ৰাটোক খুৱাবলৈ ভাত বাঢ়ি লৈ বহি আছে।'

'তাৰ মাক কেনেকৈ ঢুকাল?'

প্ৰশ্নটো শুনি থতমত খাই নে বিৰক্তিৰে নাজানো মানুহজনে মূৰ তুলি মোৰ চকুলৈ চালে। তাৰ পিছত ইস্ততঃ কৰি ক'লে— 'ক'লো নহয়। মানুহজনীৰ জ্বৰ উঠিছিল।'

'আপোনালোক দুয়ো পাৰ্টনাৰৰ মাজত কিবা কাজিয়া চাজিয়া লাগিছিল নেকি?'

'নাই নাই... বৰং মোৰ শ্ৰীমতীয়ে সদায় মোক খেচখেচাইছিল, মই বোলে দোকানৰ সমস্ত আয় ল'ৰাটোৰ মাকৰ হাতত দিওঁ।'

'কিয়? আপোনাৰ পাৰ্টনাৰে এইবোৰ চোৰাচিতা নকৰিছিল নেকি?'

'তেওঁতো অনবৰতে বাহিৰে বাহিৰেই ঘূৰি ফুৰিছিল। দোকান, সংসাৰ সকলো তেওঁৰ ঘৈণীয়েকেই চোৰাচিতা কৰিছিল।'

ইয়াৰ পিছত মানুহজনৰ লগত মই আৰু বেছি কথা নাপাতিলো। দোকানী এজনে কাৰোবাৰ লগত বহুপৰ ধৰি কথা পাতি থকা দেখিলে গ্ৰাহকে ইতস্ততঃ কৰে, পিছত কিনিম বুলি গুচি যায়।

'আপোনাৰ ঠিকনাটো দি যাওক। পাৰো যদি ল'ৰাটোক কাৰোবাৰ লগত পঠিয়াই দিবলৈ চেষ্টা কৰিম।'

মোৰ প্ৰস্তাৱটো মানুহজনে ভাল পালে নে নাই বুজি নাপালো। কৃষ্ণ কাফেলৈ চাই পঠিয়ালো। ল'ৰাটো তাত নাই।

মোৰ দৃষ্টিক অনুসৰণ কৰি মানুহজনে কৈ উঠিল— 'কি যে বিম্বনা। সি আকৌ ক'লৈ গ'ল?' কৈ কৈ মানুহজন কৃষ্ণ কাফেৰ পিনে দৌৰি গ'ল।

ৰ'দটোৰলগে লগে ৰাস্তাটোত মানুহৰ আহ-যাহো বাঢ়ি

আহিল। মই সন্মুখৰ গ্ৰাহকজনক শুক্তাইকায় (এবিধ শুকান ফল) ওজন কৰি বিক্ৰী কৰাত ব্যস্ত হ'লো।

কৃষ্ণ কাফে ৰাতি দহ বজাত বন্ধ হয়। পাণ-দোকানখন আৰু কিছু দেৰিলৈ খোলা থাকে। মই দোকান বন্ধ কৰি পাণ-দোকানখনত ওলমাই থোৱা কলৰ আখিবোৰৰ পৰা একহালি কল কিনিবলৈগৈ দেখো গুমটিটোৰ তলত কোনোবা এটা শুই আছে। ঘোলা পোহৰত ছাৰ্টটো দেখি ল'ৰাটোক চিনি পালো।

'উঠা উঠা...'তাক জগালো। চকু দুটা মোহাৰি মোহাৰি সি উঠি বহিল।

'ব'লা, তোমাক ঘৰত থৈ আহো।'

তাক বৰ অৱসন্ন দেখাইছিল। এইবাৰ সি আপত্তি নকৰিলে।

মোৰ মান্থলি টিকট আছিল। তাৰ কাৰণে নুংগম্বাক্কমলৈ টিকট এটা কিনি দুয়ো ট্ৰেইনত উঠিলো।

চুলাইমেডু হাইবে পোৱাৰ পিছৰ বাটচোৱা সি নিজেই মোক দেখুৱাই আগবঢ়াই লৈ গ'ল। আগবেলা তাক বিচাৰি যোৱা মানুহজন তেতিয়াও ঘৰলৈ ওভতা নাই। মানুহজনৰ দোকান কিজানি তেতিয়াও বন্ধ হোৱা নাছিল। ঘৰৰ সন্মুখত তেওঁৰ ঘৈণীয়েকজনী টুল এখনত বহি আছিল।

'কি অ' একো নোকোৱাকৈ আকৌ গুচি গ'লি কিয়?'— মহিলাগৰাকীয়ে চেপা মাতেৰে ল'ৰাটোক সুধিলে। মুখেৰে একো নামাতি তলমুৰ কৰি সি গোঁগোৱাই— ভিতৰলৈ সোমাই গ'ল।

'মই আছো।'— মহিলাগৰাকীক ক'লে।

'আপুনিয়েই সেই অপ্পলমৰ দোকানীজন নেকি?'

প্ৰশ্নটো শুনি আচৰিত হ'লো। — 'কেনেকৈ জানিলে?'

'তেওঁ ৰাতিপুৱাই ইয়াক বিচাৰি গৈছিল নহয়... তেৰেঁই আহি আপোনাৰ কথা কৈছিল।'

'আচ্ছা।... কথাবোৰ কৈ কৈ মানুহজনে এটা সময়ত কান্দিয়েই পেলাইছিল...'

'হয় বাবু... ল'ৰাটোৰ বাবে মানুহজনে প্ৰায়েই কান্দে... কিন্তু ওচৰ-চুবুৰীয়াই কি কয় জানেনে?... আমি বোলে ল'ৰাটোৰ মাকক বশ কৰিবলৈ মানুহজনীক কিবা খুৱাই মাৰিলো, সিহঁতৰ সংসাৰখন উছন কৰিলো। এনেয়ে ল'ৰাটোৰ মূৰটোৰ অলপ গণ্ডগোল। মানুহবোৰৰ মুখত অনবৰতে কথাবোৰ শুনি শুনি সি আৰু পগলা হৈ গ'ল।'

'তাৰ বাপেকক বিচাৰি উলিয়াব নোৱাৰিনে?'

'সেইটো কি ইমান ডাঙৰ কথা বাবু?' তেওঁ আজিকালি আয়নাবৰমত থাকে। মোৰ মানুহজনৰ সৰলতাৰ সুবিধা লৈ কাৰবাৰৰ সকলো টকা সৰকাই পলাই গৈ জুৱা, ঘোঁৰা দৌৰ আৰু বেশ্যাৰ পিছত চব উৰাব লাগিছে। আমাৰ প্ৰাপ্য টকাখিনি বিচাৰিলে কয়— তেওঁ হেনো সন্ন্যাসী হৈ গৈছে।'

ঘটনাবোৰ মই একো বুজিব নোৱাৰিলো।

ইয়াৰ পিছত এসপ্তাহৰো বেছি হ'ল ল'ৰাটোক দেখা নাই।

এদিন বাতৰি কাকতত এটি খবৰ ওলাল।

বাতৰিটো পঢ়ি ল'ৰাটোক সিদিনা ৰাতি সেই ঘৰখনত থৈ অহা বাবে ভীষণ অনুতাপত ভুগিব ধৰিলো।

ল'ৰাটোৱে তাৰ আশ্ৰয়দাত্ৰী মাতৃক মূৰ থেঁতেলিয়াই হত্যা কৰিছে।

(গল্পটো অশোক মিত্ৰনৰ, অশোক মিত্ৰন কলম নাম প্ৰকৃত নাম, জগদীশ ত্যাগৰাজন, সাহিত্য অকাডেমী পুৰস্কাৰপ্ৰাপ্ত (১৯৯৬ চন) তামিল গল্প সংকলন 'অপ্পভিন স্নেহিদাৰ' (অসমীয়া দেউতাৰ বন্ধু নামৰ গ্ৰন্থখনিৰ অন্তৰ্ভুক্ত)◆

স্মৃতিয়ে আমনি কৰে

মীনাক্ষী শৰ্মা ৰাজখোৱা

মলয়া বৰুৱাই পদূলিৰ জপনাখনত ভেঁজা দি কেকুৰিটোৰ মূৰলৈ বহুত সময় চাই চাই পাৰ কৰিলে। আশা, কিজানি পুতেক দিগন্ত আৰু বোৱাৰী প্ৰিয়ংকা নাতিটো লৈ ওলাইহি। ওচৰৰ শিৱ মন্দিৰৰ পৰা সন্ধিয়াৰ আৰতিৰ ডবা-শঙ্খৰ মাত ভাঁহি আহিছে। অহাকালিৰ পৰা বিহু। প্ৰিয়ংকাই কৈছিলে ছুটী পালে আমি এইবাৰ বিহুত যাম। তেৰোঁ দিনটো ম'বাইলত ফোন কৰি কৰি ভাগৰি পৰিছে। নেটৱৰ্ক নাই বা লাইন বিজি।

পদূলিত ফুলি থকা তগৰৰ গোন্ধে গোটেইখন আমোলমোলাই আছে। মলয়া বৰুৱাই গছজোপাৰ গুৰিলৈ আহি আলফুলে গছজোপাত হাত বুলাই দিলে। বৰ পুৰণি গছ। গিৰিয়েক প্ৰয়াত প্ৰহ্লাদ বৰুৱাই এই পুলিটোৰ লগতে ঘৰৰ চৌহদত বহুতো থলুৱা ফুল ৰোপণ কৰিছিল। আজি তেওঁ নাই, কিন্তু এই গছকেইজোপাই তেওঁৰ স্মৃতি জীয়াই ৰাখিছে।

প্ৰহ্লাদ বৰুৱাৰ দেউতাকে এসময়ত এইখন চহৰত থাকি চাকৰি কৰোতে এই মাটিখিনি কিনি ঘৰটো সজাইছিল। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত ঘৰটো ভাড়ালৈ দি তেওঁ গাঁৱৰ পুৰণি ভেটিলৈ উভতি গ'ল। এটা সময়ত পুতেকেও চাকৰি পাই এইখন চহৰতে কামত যোগদান কৰিবলগীয়া হোৱাত ভাড়া খালী কৰি ইয়াতে থাকিবলৈ ল'লে। মলয়া বৰুৱাই বিয়াৰ ছয়মাহমানলৈ শাহু-শহুৰৰ লগত থকাৰ পিছত পুতেকৰ অসুবিধা দেখি মলয়াক চহৰলৈ পঠিয়াই দিলে। গাঁৱত তেওঁলোক অকলশৰীয়া। অৱশ্যে জীয়েকজনীক ওচৰতে বিয়া দিয়াত তেওঁলোকৰ কিছু সুবিধা হৈছিল। পুৰণি ভেটিটো এৰি তেওঁলোক পুতেকৰ লগত থাকিবলৈ নাহে।

বৰুৱাই ঘৰটো বৰ আটোম-টোকাৰিলৈ ৰাখিছিল। বিভিন্ন ঋতুত ফুলা ফুলবোৰ তেওঁ যেনেকৈ আদৰ-যত্ন কৰিছিল হেন এটা কণমানি কেঁচুৱাহে। দুৰ্গা পূজাৰ সময়ত যেতিয়া ডাল ভৰি ভৰি শেৱালি ফুলজোপা ফুলে ৰাতি তেওঁ ভাত-পানী খাই উঠি মলয়াক লগত লৈ ফুলজোপাৰ ওচৰলৈ আহে। স্নিগ্ধ জোনাক নিশা গছজোপাৰ ওচৰত চকী পাৰি বহেহি।

বিয়াৰ দুবছৰ মানৰ পিছত যেতিয়া মলয়াৰ কোলালৈ দিগন্ত আহিল তেতিয়া তেওঁৰ অনুভৱ হ'ল তেওঁতকৈ কোনো যেন পৃথিৱীত ইমান সুখী নহয়। কিন্তু এই সুখত যেন কাৰোবাৰ কোপ দৃষ্টি পৰিল। ল'ৰাটো তিনি বছৰীয়া থাকোতে প্ৰহ্লাদ বৰুৱা টুৰত হাফলঙলৈ যাওঁতে এটা পথ দুৰ্ঘটনাত তেওঁৰ নিস্প্ৰাণ দেহাটোহে ঘৰলৈ ঘূৰি আহিল। মলয়াই চাৰিওপিনে অন্ধকাৰ দেখিলে। শহুৰেকে মলয়াক ঘৰটো পুনৰ ভাড়ালৈ দি গাঁৱৰ ঘৰলৈ ঘূৰি যাবলৈ পৰামৰ্শ দিলে। পিছে মলয়াৰ ভায়েক মৃদুলে হঠাৎ এনে এটা সিদ্ধান্ত ল'বলৈ বায়েকক মানা কৰিলে। সিয়েই ভিনিহিয়েকৰ অফিচত লাগি-মেলি বায়েকে পাবলগীয়া টকা-পইচাখিনি

উলিওৱাৰ ব্যৱস্থা কৰিলে লগতে অলপ কষ্টৰ মূৰত সেইটো অফিচতে বায়েকৰ এটা চাকৰি হ'ল। সেয়ে তেওঁ এইখন চহৰতে থাকি প্ৰহ্লাদৰ স্মৃতি বুকুত সাৱটি দিগন্তক মানুহ কৰাৰ সপোন লয়। অফিচলৈ অহা-যোৱা কৰা বাটতে পোৱা স্কুলখনত দিগন্তক নামভৰ্তি কৰিলে। সুবিধাৰ কাৰণে ঘৰটোৰ দুটা কোঠা শেফালী নামৰ বঙালী ছোৱালী এজনীক ভাড়ালৈ দিলে। শেফালীয়ে এটা ভাল কোম্পানীতে চাকৰি কৰে। ছোৱালীজনীৰ বয়স হৈছে। বিয়াহে হোৱা নাই। তাইৰ লগত বৃদ্ধ মাক-বাপেকহাল থাকে। মানুহঘৰ বেচ মৰমিয়াল। তেওঁলোকৰ পুতেক থাকে কানাডাত। তাতে সি এজনী ছোৱালী বিয়া কৰালে। তেওঁলোকে বোৱাৰীয়েকক সৌঁশৰীৰে দেখা নাই, ফটোহে দেখিছে। চাৰি বছৰমানৰ আগতে ল'ৰাটো এবাৰ আহিছিল। তাৰ পিছত আৰু তেনেকুৱা কোনো যোগাযোগ নাই। মানুহঘৰে মলয়াৰ নিঃসঙ্গতা বহুখিনি দূৰ কৰিছে।

সময়বোৰ চকুৰ পচাৰত পাৰ হৈ এদিন দিগন্তই ভাল নাম কৰি মেট্ৰিক পাছ কৰিলে। হায়াৰ ছেকেণ্ডেৰী পাছ কৰি সি বাংগালুৰুত ইঞ্জিনিয়াৰিং পঢ়িবলৈ গুচি গ'ল। মলয়া পুনৰ অকলশৰীয়া হৈ পৰিল। বন্ধ পালে পিছে সি ঘৰলৈ আহে। যোৱাৰ দিনা সি ঘূৰি ঘূৰি ঘৰলৈ চাই যায়, মাকে নেদেখা হোৱালৈকে হাতখন জোঁকাৰি থকা সকৰে পৰা সি দেখিছে। মাকে মালা দি সজাই থোৱা দেউতাকৰ ফটোখনৰ ওচৰত সদায় ধূপ-চাকি জ্বলাই। ভাল-বেয়া যি খবৰেই নাথাকক, ফটোখনৰ ওচৰলৈ আহি মনে মনে কয়। হাঁহে, কান্দে যেন নিৰ্বাক দেউতাকে সকলো দেখি-শুনি আছে। বেছি বয়স নৌহওঁতেই মাকৰ চুলিবোৰ পকিবলৈ আৰম্ভ কৰিছে। মাকে হাঁহিলেও সেই হাঁহিৰ অন্তৰালত যেন বহুত দুখ সোমাই আছে। কেতিয়াবা দুয়ো মাক-পুতেক গাঁৱৰ ঘৰখনলৈ থাকিবলৈ যায়, কেতিয়াবা মামা-মামীয়েকৰ ঘৰলৈ। পিছে মাকহে দুদিনৰ বেছি থাকিব নিবিচাৰে। দেউতাকক অকলে ঘৰত এৰি অহাযেন লাগে বোলে। মাকে তাক কৈছিলে।

সময়ত দিগন্তই ইঞ্জিনিয়াৰিঙৰ ফাইনেল পৰীক্ষা দিলে আৰু কেম্পাছ ইণ্টাৰভিউ সি বাংগালুৰুতে এটা বিদেশী কোম্পানীত চাকৰি পালে। পৰীক্ষাৰ ফলাফল ওলোৱাৰ পিছত সি কামত যোগদান কৰিব লাগিব সেয়ে অলপ দিন মাকৰ লগতে থাকিবলৈ সি ঘৰলৈ আহিল। ল'ৰাটোৰ কৃতকাৰ্যত মলয়াই অন্তৰত যেন অনাবিল আনন্দ অনুভৱ কৰিলে।

এদিন আবেলি সি মাক অফিচৰ পৰা অহাৰ পিছত অলপ ওলাই যাওঁ বুলি কৈ গ'ল আৰু ঘূৰি আহোঁতে লগতে এজনী ছোৱালী লৈ আহিল। মাকৰ লগত তাইৰ পৰিচয় কৰাই দিলে— প্ৰিয়ংকা কাকতি, বিপুল কাকতিৰ একমাত্ৰ ছোৱালী। বাংগালুৰুত দিগন্তৰ লগত একেলগে পঢ়া। তাইৰো চাকৰি তাতে ঠিক হৈ আছে। প্ৰিয়ংকাই মলয়াৰ ভৰি চুই প্ৰণাম কৰিলে। পাকঘৰত চাহ-জলপানৰ যোগাৰ কৰি থাকোতে মলয়াই ভাবিলে ছোৱালীজনী দেখাত বৰ ধনী ঘৰৰ যেন লাগে। দেউতাকৰ নামটো তেওঁ যেন আগতে কৰবাত শুনিছে। মনত পেলাবলৈ চেষ্টা কৰিছে। পিছে মনতহে পৰা নাই। প্ৰিয়ংকাৰ হুলস্থূলীয়া কথা-বতৰাই ঘৰটো অকণমান সময়ৰ কাৰণে আনন্দমুখৰ হৈ উঠিল। এটা সময়ত দিগন্তই তাইক ঘৰলৈ আগুৱাই থ'বলৈ ওলাই গ'ল। কিন্তু মলয়াৰ মনটো বৰ মুকলি নহ'ল। ৰাতি ভাত-পানী খাই তেওঁ পাকঘৰৰ বেচিনত বাচন ধুই থাকোতে দিগন্তই পিছপিনৰ পৰা মাকক সাৱত মাৰি ধৰি সুধিলে— "মা, তোমাৰ প্ৰিয়ংকা কেনেকুৱা লাগিল?"

ঃ অকণমান সময়ৰ কাৰণেহে লগ পাইছো, ভালেই লাগিছে, কিয় সুধিলি?

ঃ মানে মা, ..., তাইক আজি মই কে'বা বছৰৰ পৰাই জানো একেলগে পঢ়া। মোৰ তাইক খুব পছন্দ হয়। তোমাৰো যদি ভাল লাগে তেনেহ'লে সকলো ভালেই হয়।

মলয়াই ক'লে ঃ তই কামত জইন কৰাই নাই। নিজে ঠানঠিত লাগি ল'। এতিয়াই এইবোৰ কথা চিন্তা কৰিবলৈ

সময় হোৱা নাই নহয়। মনৰ অসন্তোষৰ ভাবটো মলয়াৰ মুখত ফুটি ওলাল।

দিগন্তই ক'লে ঃ প্ৰিয়ংকাইয়ো বাংগালুৰুতে চাকৰিত জইন কৰিব। সেয়ে তাইৰ মাক-দেউতাকে কৈছে দুয়োটাই যিহেতু এটা সিদ্ধান্তলৈ আহিছাই সেয়ে চাকৰিত যোগ দিয়াৰ পিছত বেলেগ বেলেগকৈ থকাতকৈ সোনকালে বিয়াখন পাতি দিলে একেলগে থাকাৰ ব্যৱস্থা কৰিলেই হয়।

ঃ এতিয়াই বিয়া কৰাবি?

ঃ নহয় মা, প্ৰথমতে কামত যোগ দি লওঁ। ছয়মাহ মান যাওঁক। তাইৰ মাক-দেউতাকে এই বিষয়ে তোমাৰ লগত কথা পাতিব।

অলপ আক্ষেপেৰে মলয়াই ক'লে ঃ মোক অন্ধকাৰত থৈ তহতি ইমানদূৰ আগবাঢ়িলি। এই বিষয়ে সিহঁতৰ ঘৰতো কথা-বতৰা পৰ্যন্ত হৈ গ'ল আৰু তই এতিয়া মোৰ আগত এই মুৰামুৰি সময়ত কথাটো ক'বলৈ সময় পালি। মই তোক এতিয়াই একো নকওঁ। মোকো চিন্তা কৰিবলৈ সময় দে।

মাকৰ কথাত এটা দোষী-দোষী মনেৰে দিগন্ত পাকঘৰৰ পৰা ওলাই আহিল।

ৰাতি মলয়াৰ টোপনি নাহিলে। দুখে-শোকে তেওঁৰ বুকুখন যেন হেঁচা মাৰি ধৰিলে। দুহাতেৰে আৱৰি তেওঁ ল'ৰাটোক অকণো দুখ নোপোৱাকৈ ডাঙৰ কৰিলে। অথচ আজি সি ডাঙৰ হৈ হঠাৎ মাকৰ অলক্ষিতে তাৰ জীৱনৰ ইমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত এটা অকলে লৈ পেলালে। গোটেই ৰাতি তেওঁ সাৰে থাকিল। বহুত চিন্তা কৰিলে। অৱশেষত নিজৰ মনক নিজে বুজনি দিলে। বাপেকৰ মৰম বঞ্চিত ল'ৰাটোৱে যদি বিয়া কৰিব বিচৰা ছোৱালীজনীৰ ক্ষেত্ৰত মাক হৈ তেওঁ বিধি-পথালি দিয়ে, তেন্তে সি মনত বৰ দুখ পাব। যদি সিহঁত সুখী হয় তেন্তে তেওঁ সন্মতি দিয়াই ভাল। সেয়ে পিছদিনা ৰাতিপুৱা তেওঁ গা ধুই প্ৰহ্লাদ বৰুৱাৰ ফটোখনৰ আগত ধূপ-চাকি জ্বলাই নিজৰ সিদ্ধান্তটোৰ কথা জনালে। কিন্তু মলয়া বৰুৱাই গম নেপালে যে ইয়াৰ পিছত তেওঁৰ কাৰণে কেনেকুৱা দুখে অপেক্ষা কৰি আছে।

অফিচলৈ ওলাই যোৱাৰ সময়ত তেওঁ দিগন্তকো কথাটো ক'লে। ইতিমধ্যে দিগন্ত, প্ৰিয়ংকাৰ পৰীক্ষাৰ ফলাফল ওলাল। দুয়ো বাংগালুৰুলৈ গুচি যাব। সেয়ে এদিন মলয়া দিগন্তৰ লগত প্ৰিয়ংকাৰ ঘৰলৈ গ'ল। চহৰখনৰ এই অঞ্চললৈ মলয়া বৰুৱা গিৰিয়েকৰ লগত দুবাৰমান আহিছিল। এতিয়া ঠাইখিনিৰ বহু পৰিৱৰ্তন হৈছে। এটা প্ৰকাণ্ড তিনিমহলীয়া ঘৰৰ সন্মুখত তেওঁলোক নামিল। ঘৰটোৰ বিপৰীত ঠাইটুকুৰালৈ তেওঁৰ চকু গ'ল। এটা বৃটিছৰ দিনৰে পুৰণি ডাঙৰ চাং-বঙলা। হঠাৎ তেওঁৰ মনত পৰি গ'ল। হয়, এই চাং-বঙলাটোৰ বিপৰীত ফালৰ এটা সৰু অসম আৰ্হিৰ ঘৰলৈ তেওঁ আহিছিল। ঘৰটো যত্নৰ অভাৱত জহি-খহি গৈছিল। চৌহদতে এখন গেলামালৰ দোকান ভাড়ালৈ আছিল। তেওঁলোক চৌহদলৈ সোমাওঁতেই দুটা ডাঙৰ বিলাতী কুকুৰে ভৌ-ভৌৱাই উঠিল। কাম কৰা ছোৱালী এজনী ওলাই আহি তেওঁলোকক ওপৰ মহলালৈ লৈ গৈ ড্ৰয়িং ৰূমত বহুৱালে। মলয়া বৰুৱাই ৰূমটোত চকু ফুৰালে। বজাৰৰ দামী দামী বস্তুৰে কোঠাটো সজাই থোৱা আছে। এনেতে প্ৰিয়ংকাৰ মাক-দেউতাক ওলাই অহাত বিপুল কাকতিক দেখি মলয়াৰ মূৰটো ঘূৰাই গ'ল। তেওঁ নিজকে কোনোমতে সম্বৰণ কৰিলে। হয়, সেইটোৱেই বিপুল! যি প্ৰহ্লাদ বৰুৱাৰ অফিচত সৰু সৰু ঠিকা লৈছিল। কথাই প্ৰতি দাদা দাদা বুলি ভৰিতেই পৰিব বিচাৰিছিল। এবাৰ মাৰপিটৰ কেছ এটাত পুলিচে ধৰি লৈ যোৱাত প্ৰহ্লাদ বৰুৱাই জামিনত আনিবলগীয়া হৈছিল। ঘৰৰ সন্মুখৰ ভাড়ালৈ দিয়া গেলামালৰ দোকানখনত বাকী খাই পইচা নিদি পিছত দোকানীজনক মাৰপিট্ কৰিছিল। আজি তেওঁ ডাঙৰ বিল্ডাৰ হৈ মলয়া বৰুৱাৰ সন্মুখত থিয় হৈ আছে অন্য এক প্ৰতিপত্তীশালী ব্যক্তি হৈ।

মলয়া বৰুৱাই নিজৰ কোনো পৰিচয় নিদিলে। বিপুল

কাকতিয়েও এই বিষয়ে একো নুলিয়ালে যেন আজিহে তেওঁলোকৰ পৰিচয় হৈছে। তেওঁ ঘৰলৈ ঘূৰি আহিল। দিগন্তক কিবা ক'ব নে নক'ব তেওঁ একো সিদ্ধান্ত ল'ব নোৱাৰিলে।

দিগন্ত গ'লগৈ। মলয়াই যিমানখিনি পাৰে অকলেই বিয়াৰ যোগাৰত লাগিল। আগৰ বন্দবস্ত অনুসৰি ছয়মাহ মানৰ পিছত দুয়োটাই দহদিন মানৰ ছুটী লৈ আহিল আৰু বৰ ধূম-ধামেৰে দিগন্ত-প্ৰিয়ংকাৰ বিয়াখন হৈ গ'ল। মলয়াই বোৱাৰীয়েকক গহনা, কাপোৰ-কানিৰে যেন পুতিহে পেলালে। তেওঁৰ যিহেতু ছোৱালী নাই। এতিয়াৰ পৰা প্ৰিয়ংকাই তেওঁৰ ছোৱালী।

আৰু দুদিন পিছতে সিহঁত দুটা যাবগৈ। সেয়ে মলয়া বজাৰলৈ বুলি ওলাই গ'ল—লোকেল ডাঙৰ মাছ পাই নেকি। সন্ধিয়াৰ সময়। ঘৰলৈ আহি দেখিলে গোটেই ঘৰটোৱেই আন্ধাৰত বুৰ গৈ আছে। বাহিৰৰ বাৰান্দাত ভৰি দি দেখিলে বাহিৰৰ দুৱাৰখনো খোলা। তেওঁ ভয় খাই গ'ল। বিয়াখন হৈ গৈছেহে, চোৰ-ডকাইত সোমোৱা নাইতো। ভিতৰলৈ সোমাই তেওঁ দিগন্তক মাতিবলৈ গৈ ৰৈ গ'ল। পিছফালৰ বাৰান্দাত দুয়োটা আন্ধাৰে-মুন্ধাৰে বহি কথা পাতি আছে। প্ৰিয়ংকাৰ মাত— তোমাৰ মাৰ চাকৰিটো আৰু পাঁচ বছৰমানহে আছে। এতিয়া আৰু মায়ে চাকৰি কৰিব নালাগে। আমাৰ লগতে লৈ যাম দিয়া। তাত তেওঁ থাকিলে আমাৰো সুবিধা হ'ব আৰু পাপাই কৈছে এই মাটিখিনি বিল্ডাৰক দিলে আমি ডাঙৰ দুটা ফ্লেট পাম। তেতিয়া ফ্লেট এটা ভাড়াও দিব পাৰিম আৰু মা যদি পিছত ইয়াত থাকো বুলি কয় তেতিয়া থাকিবও পাৰিব।

ঃ এই মুহূৰ্ত্তত মই মাৰ লগত এইবোৰ কথা নাপাতো। পিছেপৰেও হ'ব। তাতে এই ঘৰটোত দেউতাৰ স্মৃতি জড়িত হৈ আছে। দিগন্তই ক'লে।

ঃ এইবোৰ আবেগিক কথা। মৰা মানুহে কেতিয়াও এইবোৰ চাবলৈ নাহে। তুমি মাক বুজাবা।

কথাখিনি শুনি মলয়াৰ বুকুখন হুলে বিন্ধাদি বিন্ধিবলৈ ধৰিলে। কোঠাৰ লাইটটো জ্বলাই তেওঁ বাৰান্দা পালেহি।

ঃ মা, তুমি আহিলা? দিগন্তৰ মাতটো কম্পিত। মাকে কথাবোৰ শুনিলে নেকি?

গোটেই ঘৰটো আন্ধাৰত বুৰি আছে। "মই তহঁতি ঘৰত নাই বুলিহে ভাবিছিলো" বুলি কৈ কৈ তেওঁ পাকঘৰত বজাৰৰ মোনাটো থ'লেগৈ।

সিদিনা মাকক টিভিৰ সন্মুখত বহুৱাই দুয়োটা পাকঘৰত সোমাল। আজি সিহঁতি মাকক ৰান্ধি খুৱাব। টিভিত কি চলি আছে মলয়াই একো ক'ব নোৱাৰে। বৰ্তমান পৰিস্থিতিত তেওঁৰ নিজৰ স্থিতি কি হ'ব সেইটোহে তেওঁ চিন্তা কৰিবলৈ ধৰিলে। তেওঁৰ লগত এটা যে সম্বন্ধ কৰি বিপুলে এতিয়া এই ঘৰ-মাটিৰ ওপৰত লোলুপ দৃষ্টি দিছে মলয়াৰ বুজিবলৈ বাকী নাথাকিল। পিছদিনা দুপৰীয়া দিগন্ত আৰু প্ৰিয়ংকা দুয়ো আহি মাকৰ ওচৰত বহিলহি আৰু আগদিনা সিহঁতৰ আলোচনাৰ কথাটো অলপ সজাই-পৰাই মাকক ক'লে। লগতে ক'লে মাকে জীৱনত বহুত কষ্ট কৰিলে, এতিয়া আৰু সিহঁতে কষ্ট কৰিব নিদিয়ে। পিছৰবাৰ আহোতে সেয়ে মাকক লগত লৈ যাব।

মলয়াই কল্পনাও কৰিব পৰা নাছিল যে প্ৰিয়ংকাৰ সুৰতে সুৰ মিলাই দিগন্তয়ো মাকক এইখিনি কথা ক'ব। কাৰণ এই গোটেই কথাখিনিৰ অন্তৰালত লুকাই থকা ৰহস্যটো তেওঁ আগদিনা সিহঁতৰ আলোচনাতে গম পাইছিল। সেয়ে এতিয়া সিহঁত দুয়োটাৰ কথাত উত্তৰ তেওঁ হঠাৎ নিদি কিছু সময় মৌন হৈ ৰ'ল। তাৰ পিছত তেওঁ লাহেকৈ ক'লে— "দিগন্ত, তোৰ ককাৰে এই ঘৰটো সজাইছিল। দেউতা ঢুকুৱাৰ পিছত তেখেতে মোৰ নামত ঘৰ-মাটি গোটেইখিনি লিখি দি থৈ গৈছে। এতিয়া তেওঁলোক নাই। তেওঁলোকৰ স্মৃতি বিজড়িত এই ঘৰটোত মই জীৱিত অৱস্থাত এটা হাতুৰীৰ কোবো পৰিবলৈ নিদিওঁ। অ' মোৰ মৃত্যুৰ পিছত যদি তই ভাব যে

এনেকুৱা আবেগিক কথাৰ কোনো মূল্য নাই আৰু মৰাৰ পিছততো আৰু কোনেও এইবোৰ চাবলৈ নাহে তেতিয়া তই যি ইচ্ছা কৰিবি। ওচৰতে বহি থকা প্ৰিয়ংকাৰ বুজিবলৈ বাকী নাথাকিল যে যোৱাকালি তাই কোৱা কথাখিনি শাহুৱেকে শুনিছিল। সেয়ে তাই উচাৎ মাৰি সেইখিনিৰ পৰা উঠি ভিতৰ পালেগৈ। তাই দেউতাকক কথা দিছিল যিকোনো প্ৰকাৰে এই ঘৰ-মাটিৰ কিবা এটা ব্যৱস্থা কৰিবলৈ শাহুৱেকক মান্তি কৰাব পাৰিব বুলি।

পিছদিনা সিহঁতে নিজৰ কৰ্মক্ষেত্ৰলৈ উৰা মাৰিলে। মলয়াই আকৌ নিজা কামত ব্যস্ত হৈ পৰিল। প্ৰিয়ংকাৰ মাক কাৎচিত তেওঁৰ ঘৰলৈ আহে যদিও দেউতাক ইয়ালৈ নাহে। তেওঁলোক সঘনে জীয়েকৰ ওচৰলৈ যায়। নাতি ছোৱালীজনী হ'বৰ সময়ত মলয়া তিনিমাহমান গৈ পুতেক-বোৱাৰীয়েকৰ লগত আছিলগৈ। কেঁচুৱা দুবছৰীয়া হোৱাৰ পিছত সিহঁতো কেইদিনমানৰ কাৰণে আহিছিল। এতিয়া অহা-যোৱাতো একেবাৰে পাতলিয়া হ'ল। শেষলৈ ফোনত খা-খবৰ লোৱাটোও কমি আহিল। মলয়াই বুজে এই মাটিখিনি এৰি নিদিয়াৰ কাৰণেই প্ৰিয়ংকাৰ লগতে দিগন্তয়ো আজি তেওঁক অৱহেলা কৰে।

মলয়া বুলি পিছপিনৰ পৰা মতা মাতষাৰ শুনি ভাৱত বিভোৰ হৈ থকা তেওঁ উচপ খাই উঠি ঘূৰি চালে, শেফালীৰ মাক।

বৃদ্ধাগৰাকীয়ে মলয়াৰ পিঠিত মৰমেৰে হাতখন ফুৰাই ক'লে— "বুজিছা মলয়া, চৰায়ে পোৱালী জগাই দুয়ো পাখিৰে উম দি, সিহঁতক ডাঙৰ-দীঘল কৰে। খুটি খাব জনা হ'লেই পোৱালী উৰি যায়। মাক-বাপেকক বিচাৰি সিহঁত জানো ঘূৰি আহে? মোলৈকে চোৱা, আজি অতবছৰে এনেকৈয়ে পাৰ কৰিলো। মা-বাবা জীৱিত নে মৃত মোৰ ল'ৰাইতো নাজানে। খবৰ ল'বলৈ তাৰ সময়েই বা ক'ত? তুমিও থাকিবলৈ শিকিব লাগিব। এতিয়া ব'লাচোন মোৰ ঘৰলৈ, আজি শেফালীয়ে 'কলকাতা মিষ্টান্ন'ৰ পৰা মিষ্টি দৈ আৰু ৰসগোল্লা আনিছে। তাৰ বাবা এইচব খাই খুব আনন্দ পাই, আহা।"

মলয়াই শেফালীৰ মাকক অনুসৰণ কৰিলে। এনেতে মলয়াই হাততে লৈ থকা মোবাইলটো বাজি উঠিল। সিফালৰ পৰা দিগন্তই ক'লে— "মা বেয়া নাপাবা, প্ৰিয়ংকাৰ মা-পাপা আহিম বুলি কোৱাত আমাৰ যোৱাটো কেনচেল কৰিলো।" মলয়া বৰুৱাই আগত গৈ থকা শেফালীৰ মাকলৈ চালে, হয় তেওঁ এনেকৈয়ে চলিবলৈ শিকিব লাগিব। ◆

সিদ্ধান্ত

ইলামণি শইকীয়া

অৱশেষত মধু গ'লগৈ। যোৱাটোকেই একান্তমনে কামনা কৰিছিলো মই। যাওক বেচেৰী। মুকলি আকাশৰ তলত মুকলি উশাহ লওকগৈ। এক স্বস্তিৰ নিঃশ্বাস পেলাই বাগৰ সলালে মালবিকাই। এনেয়ে এবাৰ চকুৰ আগৰ ৱালত ওলমি থকা ঘড়ীটোলৈ চকু দিলে। ১২ বাজি ১৫ মিনিট, মাজনিশা। সকলো শুই নিঃপালি দিলে। এনেয়ে তায়ো ইমান সময়ে গভীৰ নিদ্ৰাত থাকিলহেঁতেন, কিন্তু আজি মধুৰ বাবেই ইমান পৰলৈকে সাৰে আছে তাই। ইমান সময়ে মধু চাগে ষ্টেচন পালেগৈ। তাই জানে ওচৰৰে 'প্ৰভাত হাৰ্ডৱেৰ'ত কাম কৰা ৰঘুকায়ে মধুক ষ্টেচনত থৈ অহাৰ দায়িত্বটো ভালদৰে পালন কৰিব। তাই চকু মুদি শুবলৈ চেষ্টা কৰিলে যদিও কিবাকিবি চিন্তাৰে মনটো ভৰি পৰিল। মধুৰ দৰে তায়ো বাৰু সঁচাকৈ পৰিবগৈনে মুকলি আকাশৰ তললৈ ওলাই যাব। অৱশ্যে তাই পাৰিবই লাগিব। যি সিদ্ধান্ত ইতিমধ্যে মালবিকাই লৈ পেলাইছে তাৰ পৰা তাই কোনোপধ্যে হতি নাযায়। তিল তিলকৈ নিজক মৰিবলৈ আৰু নিদিয়ে তাই।

'মধু ঘৰ সৰা হ'লনে, হ'ল যদি বাচনখিনি ধুই ল' আৰু শুন বাচন ধুই ঘৰটো পটাপট্ মচি ল'বি, আলহী সোনকালে পালেহি লাজ পাব লাগিব। তই আকৌ বৰ পাহৰ নহয় মোৰ ৰঙা পেটিকোটটোৰ লগত দদায়েৰৰ বগা চাৰ্টটো চাৰ্ফত নিদিবি। ৰিকুৰ কাপোৰ আমাৰ কাপোৰৰ লগত নিদিবি আৰু শুন টেবুল, চোফাত যাতে অলপো ধুলি-মাকতি পৰি নাথাকে নহ'লে তোৰ চুলি চিঙিম মই। আলহী আহিলেই লুচি বনাব লাগিব আটাখিনি আগতে মথি ল'বি। দূৰৰ পৰা আহিব, গতিকে নিশ্চয় ভোক লাগি আহিব।' মালবিকা এইখন ঘৰলৈ বোৱাৰী হৈ অহাৰ পাছৰ পৰা এনে জাতীয় কথাকে জায়েক নন্দিতাৰ মুখত শুনি আহিছে। কথাখিনি কোৱা হৈছিল মধু নামৰ সৰুফুটীয়া, নিশকতীয়া বনকৰা ছোৱালীজনীক। তাই প্ৰথম আচৰিত হৈছিল এজনী ১২-১৩ বছৰীয়া ছোৱালীৰ ওপৰত কামৰ দ'ল হেন বোজা দেখি। এক ছেকেণ্ড সময়ো নোৰোৱাকৈ দৌৰা-দৌৰিকৈ কাম কৰি ফুৰা ছোৱালীজনীৰ ওপৰত আকৌ সৰু সৰু কথাতে চৰ ভুকু পৰা দেখি প্ৰথম জায়েক নন্দিতালৈ অলপ হ'লেও বেয়া পোৱাৰ ভাৱ সোমাইছিল মালবিকাৰ মনত। কিন্তু মুখেৰে মিঠা মাতৰ নদী বোৱা জায়েকক যেতিয়া মধুৰ ওপৰত কামৰ বোজা যে বয়স চাই বেছি হৈছে তাকে সোঁৱৰাই দিলত কেণা লাগিল। বিয়া হোৱাৰ এমাহ ন-হওঁতেই ন-বোৱাৰীজনীৰ মাজত বেয়া পোৱাবোৰ বাঢ়ি আহিবলৈ ধৰিলে। জাকৰ লগতে শাহুৱেকৰ বেয়া পোৱাবোৰো ক্ৰমশঃ বাঢ়ি আহিছিল। ধনী ঘৰৰ একমাত্ৰ জীয়ৰী জায়েকৰ লগত অনা আটকধুনীয়া, দামী যৌতুকবোৰৰ তুলনাত তাই লগত অনা প্ৰয়োজনীয় বস্তুকেইপদৰ মূল্য সিহঁতৰ চকুত আছিল তেনেই নগন্য। ধনৰ দুখীয়া হ'লেও মৰম-চেনেহৰ কম নোহোৱা খৰ এখনৰ সন্তান আছিল তাই। এল পি স্কুল এখনত শিক্ষকতা কৰা

তাইৰ দেউতাক আছিল সেই অঞ্চলটোৰ এজন সন্মানীয় ব্যক্তি। নৈতিকতাক ধনতকৈ বেছি মূল্য দিয়া দেউতাকৰ পৰাই সিহঁতে শিকিছিল জীৱনৰ আদিপাঠ। তেনে এজন পিতৃৰ সন্তান হৈ তাই ফুলকুমলীয়া বয়সতে তুলি লৈছিল কলমটো। বুকুত খলখলাই থকা আৱেগ-অনুভূতিবোৰক শব্দৰ ৰূপ দিবলৈ চেষ্টা কৰিছিল। ওচৰৰে মামুন, বুল, দময়ন্তীহঁতৰ লগত ওচৰৰ নামদাং নৈলৈ গৈ তাৰ পাৰত বহি অনুভৱ কৰিছিল নদী হৈ বৈ যোৱাৰ আনন্দ কিমান। কিমান গভীৰ সেই মাদকতা। সিহঁতে বহু কথা পাতিছিল। জীৱনত কিবা এটা হোৱাৰ কথা, বছৰি বানপানীয়ে খহাই নিয়া সিহঁতৰ ঘৰৰ ভেটিবোৰ, গাঁৱত বাঢ়ি অহা মদৰ আড্ডা, চুলাই ভাটীয়ে ভিতৰি খহাই অনা মানুহৰ শৰীৰ মনবোৰ কেনেকৈ সংস্কৃতিৱান কৰি এখন সমৃদ্ধিশালী সমাজ গঢ়ি তুলিব পাৰি, সিহঁতৰ দৰে দুবেলা-দুসাজ খাবলৈ নোপোৱা মানুহবোৰে পেটভৰাই খাই তৃপ্তিৰ হাঁহি মাৰিব সেই সপোন দেখিছিল সিহঁতে। কবিতা পঢ়ি ভাল পাইছিল মালবিকাই, লিখিছিলো। কাকত-আলোচনীত লাহে লাহে তাইৰ কবিতা প্ৰকাশ হৈ ওলাইছিল। কিমান যে সপোন আছিল তেতিয়া। প্ৰকৃতিৰ নিবিড় সানিধ্যৰ মাজত ডাঙৰ হৈ অহা মালবিকাই ভাল পাইছিল ব'হাগৰ প্ৰথম বৰষুণজাকত তিতি, মাজনিশা কেতেকীৰ হিয়া-ভঙা বিননিয়ে তাইকো কন্দুৱাইছিল। কিমান যে ভাল পাইছিল সিহঁতে আঘোণৰ পকা ধাননি পথাৰখন। তাই সপোন দেখিছিল সাংবাদিক হোৱাৰ। অন্যায়-অবিচাৰৰ বিৰুদ্ধে নীৰৱ প্ৰতিবাদ কৰি অৰণ্যত হেৰাই যোৱা ককায়েকটোৰ বাবে, চুলাই ভাটীত শেষ হৈ অহা যৌৱনবোৰৰ বাবে আৰু ঘৰবোৰ ঘৰ হৈ থকাৰ কামনাৰে তাই অন্তঃকৰণেৰে হ'ব বিচাৰিছিল এজন সৎ-সাহসী সাংবাদিক। দেউতাকে তাইৰ ইচ্ছাক সন্মান জনাই ওচৰৰে ৰোৱতী মাটি এডুখৰ বন্ধকত থৈ এবছৰীয়া সাংবাদিকতাৰ কৰ্চ এটা কৰিবলৈ মালবিকাক গুৱাহাটীলৈ পঠাইছিল। তাইক লৈ মানুহজনৰ হেঁপাহৰ অন্ত নাছিল। দেউতাকৰ হেঁপাহৰ মন্দিৰৰ তাই যেন এটা নিৰ্মল প্ৰাৰ্থনা আছিল। এদিন সাংবাদিক হৈছিল তাই। কিন্তু সমাজৰ বেয়াবোৰ উদঙাই দেখুৱাব পৰা সাহসী সাংবাদিক নহয়, মাহ মাহ ধৰি বিনা বেতনে সংবাদ গোটাই ফুৰি এদিন তাই হৈ পৰিছিল শ্ৰান্ত-ক্লান্ত-ভাগৰুৱা। কিন্তু তথাপি তাইৰ বুকুত তেতিয়াও জ্বলি আছিল কিবা এটা হোৱাৰ, কিবা এটা কৰাৰ আশা। তাইৰ সৌভাগ্য, সেই সময়তে নতুনকৈ আৰম্ভ কৰিব খোজা নিউজ চেনেল এটাৰ বাবে সাংবাদিক বিচাৰি বাতৰি কাকতত বিজ্ঞাপন প্ৰকাশ হৈছিল। পূৰ্বৰ অভিজ্ঞতাৰ ভিত্তিতে তাই চাকৰিটো পালে। তাতেই লগ পাইছিল তাইৰ অতি প্ৰিয় কবি অনিৰ্বাণ কাশ্যপক প্ৰথম তাই আচৰিত হৈছিল, কল্পনাতে থকা ইমান এজন বিখ্যাত কবি তাই কাম কৰা চেনেলটোৰ এটা সন্মানীয় পোষ্টত থাকিব আৰু তাই ইমান ওচৰৰ পৰা পাব বুলি ভাবি। অৱশ্যে তাই তেওঁৰ লগত চিনাকি হ'বলৈ যোৱা নাছিল। হয়তো সংকোচবোধে বাধা দিছিল। কিন্তু এদিন কিবা কামত সিহঁতৰ ডিপাৰ্টমেণ্টলৈ আহি তুমিয়েই কবিতা লিখা মালবিকা নহয় জানো বুলি সুধিলত তাই লাজত ৰঙা-চিঙা কৰিছিল। ইমান এজন বিখ্যাত কবিয়ে সঁচাকৈ পঢ়িছেনে তাইৰ কবিতা! তাই এনেয়ে... কেতিয়াবা জাতীয় দুই এষাৰ কথা কওঁতেই পাছত কেতিয়াবা কথা পাতিম বুলি তেওঁ ব্যস্ততাৰে ওলাই গৈছিল। এয়া যেন আছিল অদৃষ্টৰ কিবা এটা যোগসূত্ৰ। কবিতাৰ মাধ্যমেদিয়েই এদিন দুয়ো ইজনে সিজনৰ অন্তৰৰ কাষ চাপি গৈছিল। আৰু কোনোবা এটা বৰষা মুখৰ আবেলি ওচৰৰে এখন ৰেষ্টুৰেণ্টত বহি তেওঁ সহজভাৱে তাইক সুধিছিল 'মালবিকা মোক বিয়া কৰোৱাত তোমাৰ কিবা আপত্তি আছে নেকি?' তাই হতবাক হৈছিল। এইটো সঁচা যে অন্তৰৰ পৰা অনিৰ্বাণক তাই ভাল পাবলৈ আৰম্ভ কৰিছিল। কিন্তু তেওঁৰ দৰে এজন বিখ্যাত কবি তথা আৰ্থিকভাৱেও তাইতকৈ বহু যোজন ওপৰৰ এজন লোকৰ জীৱন সংগী হোৱাৰ দুৰাকাংক্ষা তাই কৰা নাছিল। সিদিনা তাই একো উত্তৰ দিয়া নাছিল। ভাবি চাবলৈ দুদিনমান সময় লাগিব বুলি কৈছিল। মালবিকাই বহু ভাবি-চিন্তিও অনিৰ্বাণক কি ক'ব কি নক'ব সিদ্ধান্ত ল'ব পৰা নাছিল। সেয়ে তাই কেইদিনমান

অনিৰ্বাণৰ পৰা প্ৰায় পলাই ফুৰাৰ দৰে ফুৰিছিল। কিন্তু এদিন সিহঁতৰ কেবিনলৈ আহি মালবিকা অফিচ ছুটীৰ পাছত এবাৰ তোমাক লগ পাব খোজো বুলি কোৱাৰ পাছত তাইৰ আৰু উপায় নাথাকিল। আগৰ ৰেষ্টুৰেণ্টখনতে বহি অলপ সময় নীৰৱে থকাৰ পাছত আৰম্ভ কৰিছিল অনিৰ্বাণে—'জানা মালা বহুত কিবাকিবা থাকিও মই সুখী নহয়, কোনেও বুজিব নোৱাৰে মোক। ঘৰত মা আছে, বৌ-দাদা আছে, যি কেৱল টকাহে চিনি পায়। বৌৰ দেউতাকৰ অগাধ সম্পত্তিৰ বাবে সকলো আদৰ্শ জনাঞ্জলি দি ঘোচখোৰ পিতৃৰ বদনামী জীয়েকক বিয়া পাতিছিল দাদাই। জন্মদাত্ৰী মাকৰ কথা বেয়াকৈ ক'ব নাপায়। মাৰ মতে টকা-পইচাৰে পৃথিৱীৰ সকলো সুখ কিনিব পাৰি। বিশ্বাস কৰিবা দেউতাৰ শ্ৰাদ্ধৰ বাবে মায়ে চুলি ষ্ট্ৰেইট কৰি আহিছিল। দেউতাৰ মৃত্যুৰ শোক পাতলাবলৈ শ্ৰাদ্ধৰ কেইদিনমান পাছতে ট্যুৰত গৈছিল।' লাহে লাহে কথাবোৰ বেছি গভীৰ আৰু স্পৰ্শকাতৰ হৈ পৰিল 'সেইখন ঘৰত মোৰ উশাহ বন্ধ হৈ যাব খোজে মালা। আদৰ্শৱান পিতাৰ আদৰ্শবান পুত্ৰ হ'ব বিচাৰিছিলো মই। টকা-পইচা, গাড়ী-ফ্লেটেৰে নহয় মই জীৱনটো উদ্‌যাপন কৰিব বিচাৰো ভালপোৱা-বিশ্বাসৰ ৰ'ব-বৰষুণেৰে। মালা মাজে মাজে তোমাক মোৰ এজাক বৰষুণ যেন লাগে, মোৰ বুকুত শুকাব ধৰা মৰম-ভালপোৱাবোৰ জীপাল কৰি তুলিব পৰা বৰষুণ। সৌ সিদিনালৈকে মই আছিলো তোমাৰ ছাত্ৰ আৰু তুমি সন্মান কৰা এজন কবি, আজি মোৰ মুখত কথবোৰ শুনি এইবিলাক মোৰ পেন্‌পেননি বুলি ভাবিছা চাগে।

আচলতে যাক আপোন বুলি মনে মানি লয় তেওঁৰ ওচৰতহে খুলি দিব পাৰি আৱেগৰ সমস্ত দুৱাৰ।' তাই পিছদিনা ৰাতিপুৱাৰ বাছতে ঘৰলৈ ৰাওনা হৈছিল। মালবিকাই দেউতাকক সকলো কথা খুলি কোৱাৰ পাছত দেউতাকে তাইক আশ্বাস দিলে 'সকু নিজৰ জীৱনৰ কিছুমান সিদ্ধান্ত নিজে লোৱাৰ পূৰ্ণ অধিকাৰ মানুহৰ থাকে। যিটো শুদ্ধ বুলি সমগ্ৰ সত্ত্বাৰে তই বিশ্বাস কৰিছ তই তাকে কৰ। তোৰ দৰে ছোৱালীয়ে ভুল সিদ্ধান্ত নলৰ জানো মই। মাথো নিজৰ কেতিয়াও অন্যায় নকৰিবি আনকো তোৰ অন্যায় কৰিবলৈ নিদিবি। তোৰ ঘৰখন সদায় তোৰ লগত থাকিব। তাৰ পাছত কথাবোৰ সহজ হৈ আহিল। মালবিকাই অকাতৰে তুলি ল'লে অনিৰ্বাণ কাশ্যপ নামৰ দুখী মানুহজনৰ দুহাত, দায়িত্ব ল'লে জীৱনৰো। ভিক্ষাৰী ঘৰৰ জীয়ৰী বুলি কোনোপধ্যে তাইক বিয়া কৰাবলৈ মান্তি নোহোৱা অনিৰ্বাণৰ মাক-বৌয়েক আৰু ককায়েকৰ আশীৰ্বাদ শুভেচ্ছা নোলোৱাকৈয়ে সিহঁত এদিন বিয়াত বহিল। অৱশ্যে লগত থাকিল আত্মীয় আৰু বন্ধু-বান্ধৱীৰ মৰম শুভেচ্ছা। অনুষ্টুপীয়াকৈ মালাৰ ঘৰত বিয়াখন পতা হ'ল। আনক দেখুৱাবলৈকে, নিজৰ সন্মানৰ প্ৰতি সদা সচেতন অৰ্নিৰ ঘৰতো বিয়াৰ পাৰ্টী ভালদৰেই দিয়া হ'ল। অৰ্নিয়ে আপত্তি কৰা স্বত্বেও তাই প্ৰয়োজনীয় কেইপদমান বস্তু লগত ননাকৈ নাথাকিল। সেইখন ঘৰত অৰ্নিৰ পাছতে তাইক মৰমৰ মাত এষাৰ দিয়া দ্বিতীয়জন মানুহেই আছিল এই মধু।

মালবিকাৰ সৌভাগ্যক সকলোৱে প্ৰশংসা কৰিছিল। গুৱাহাটীতে গাড়ী, ফ্লেট থকা স্বামী, তাতে এলাপেচা স্বামীও নহয় বিখ্যাত কবি। আনে সৌভাগ্যৱতী বুলি ভাবিলেও লাহে লাহে মালবিকাই সেই সুখবোৰত 'সুখ' বিচাৰি নোপোৱা হ'ল। বেলেগৰ পৰিচয়েৰে নহয়, লাগিলে সেয়া তাইৰ জীৱন সংগীয়েই নহওঁক কিয় তাই নিজৰ পৰিচয়েৰে সমাজত মূৰ তুলি থাকিব বিচাৰিছিল। তায়ো কবি। কবিতাক হৃদয়ৰ পৰা শ্ৰদ্ধা কৰে। কিন্তু তাইৰ কিবা এটা হোৱাৰ ইচ্ছাক, কবি হোৱাৰ হেঁপাহত প্ৰাচীৰ হৈ থিয় দিব খুজিলে অনিৰ্বাণৰ ঘৰখন। তাই আকৌ চাকৰিত জইন কৰিবলৈ বা লিখা-মেলা কৰিবলৈ সুবিধাকে উলিয়াব নোৱাৰা হ'ল। শাহুৱেক, জায়েকে বিভিন্ন অজুহাত উলিয়াই তাইক ভাত ৰন্ধা, ঘৰ মচা বা কাপোৰ ধোৱা আদি কামত ব্যস্ত ৰাখিবলৈ ধৰিলে। মধুৰ লগত সমানে কাম কৰাই তেওঁলোকে মালবিকাক এইটো বুজাব খুজিছিল এইখন ঘৰত তাইৰ স্থান মধুৰ সমপৰ্যায়ৰ।

যিটোৱে তাইক প্ৰচণ্ড মানসিক আঘাত দিছিল। আৰু তাতেই তেওঁলোকে লাভ কৰিছিল এক বিকৃত মানসিক তৃপ্তি। বৌদ্ধিক চিন্তা-চৰ্চাৰ পৰা এশ যোজন আঁতৰত থকা, আনৰ কথা কোনোদিন ভাবি নোপোৱা মানুহবোৰে তাইৰ চিন্তা-চৰ্চা কেৱল উপলুঙাই নকৰে প্ৰকাশ্যে প্ৰতিবাদো কৰে। শাহুৱেকে গুলপীয়া নেইলপলিচ লগোৱা দীঘল নখৰ আঙুলিকেইটা জোকাৰি জোকাৰি এদিন কৈয়ে উঠিল 'মালবিকা সাধাৰণ ঘৰ এখনৰ পৰা আহি আমাৰ ঘৰৰ দৰে অসাধাৰণ, মানুহে মূৰ তুলি চাবলৈ সাহস নকৰা ঘৰ এখন পোৱাৰ যি সৌভাগ্য তোমাৰ হৈছে, যি পৰিচয় তুমি পাইছা, সেই সৌভাগ্য, পৰিচয় লৈয়ে সন্তুষ্ট থাকা। বাজাৰী তিৰোতাৰ দৰে বাহিৰত ঘূৰি ফুৰি চাকৰি কৰিব নালাগে। দুটকীয়া আলোচনী কেইখনত তোমাৰ কবিতা নোলালে তোমাৰ লাইফ বৰবাদ হৈ নাযায়।' কুঁৱাৰ পানীত আৱদ্ধ ভেকুলীৰ দৰে জীৱন কটোৱা জায়েকহঁতলৈ তাইৰ পুতৌ ওপজে। কুকুৰৰ নেজ যিদৰে কোনোদিন চিধা নহয় ঠিক তেনেদৰে এই বয়সত শাহুয়েক বা জায়েকৰ মানসিকতা সলনি হ'বলৈ অলৌকিক কিবা এটা ঘটিব লাগিব যিটো একেবাৰে অসম্ভৱ। বিয়া হোৱাৰ ছয়মাহ হৈ যোৱাৰ পাছতো তাই চাকৰিত জইন কৰিব পৰা নাছিল। অৰ্নিৰ খাতিৰত তাই চাকৰিটো আকৌ পালেও প্ৰাইভেট চাকৰি এটা যে ইমানদিন তাইলৈ থৈ নিদিয়ে মালাই ভালদৰে জানে। কিন্তু বিয়া হৈয়েই মাকহঁতক অসন্তুষ্ট নকৰিবলৈ (হয়তো যিকোনো প্ৰকাৰে সন্তুষ্ট কৰি তাইক লাগী বুলি প্ৰতিপন্ন কৰিবলৈ) অৰ্নিয়ে তাইক অনুৰোধ কৰিছিল। কিন্তু লাহে লাহে সৰল হ'লেও মালাৰ স্বাধীনচিতীয়া মনে এনে একঘেয়মী জীৱন য'ত কোনো সৃষ্টিশীলতা নাই, সুস্থ চিন্তা-চৰ্চা নাই, তেনে জীৱনত অভ্যস্ত হ'ব নোৱাৰি চট্‌ফটাই উঠিল। তাই এইবাৰ অৰ্নিৰ লগত সকলো কথা খোলাখুলিকৈ আলোচনা কৰিব খুজিলে। কিন্তু বৰ আচৰিতজনকভাৱে এইক্ষেত্ৰত অনিৰ্বাণ নিৰ্লিপ্ত হৈ ৰ'ল।

অৰ্নি, মোৰ কথাটো তুমি কি ভাবিলা? উস্ মালা অলপদিন ধৈৰ্য্য ধৰাচোন। এতিয়া তুমি এগৰাকী বিবাহিতা নাৰী। কাৰোবাৰ পত্নী, কাৰোবাৰ বোৱাৰী। গতিকে অলপ কম্প্ৰ'মাইজ কৰিবলৈ শিকা। আমাৰ পৰিৱেশটোৰ লগত মিলিবলৈ শিকা। ঘৰ এখন চলাবলৈ বহুত কথা জানিব লাগে, শিকিব লাগে। ৰন্ধা-বঢ়া, ঘৰুৱা কাম-বন আদি অলপ শিকি-মেলি লোৱা। বোৱাৰী ৰোল এটা প্লে কৰিবলৈ শিকা।

—অৰ্নি ৰন্ধা-বঢ়া বা অন্য ঘৰুৱা কাম মই নজনা নহয়। প্ৰায় সকলো নাৰীয়েই জানে। কিন্তু মই নাৰান্ধিলেই কোনো মানুহ ভোকত নমৰে। প্ৰয়োজনত ঘৰৰ সকলো কাম কৰিম। কিন্তু কেৱল এইখিনি কাম কৰিবৰ বাবেই মোৰ সৃষ্টিশীল মনটোক মাৰিব নোৱাৰিম। তুমিও বাধা দিয়াটো মই উচিত বুলি নাভাবো। কম্প্ৰ'মাইজ কৰাত মোৰ আপত্তি নাই। কিন্তু কোনো কোনো ক্ষেত্ৰত কম্প্ৰ'মাইজ ঘৰৰ বাকীবোৰেও কৰিব লাগিব। কেৱল মই কম্প্ৰ'মাইজ কিয় কৰিম, দৰিদ্ৰ ঘৰৰ জীয়ৰী বাবে। শুনা অৰ্নি মোৰ ঘৰৰ আৰ্থিক অৱস্থাক লৈ মই লজ্জিত বা দুঃখিত নহয়। বৰং মই গৰ্ব কৰো সেইখন ঘৰে মোক এটা সৃষ্টিশীল মন দিলে, আনৰ বাবে কান্দিব পৰা এখন হৃদয় দিলে। এই হৃদয়খনৰ বাবেই তোমাৰ দুখবোৰ মোৰ বুলি ল'ব পাৰিছিলো। অৰ্নি মনত ৰাখিবা তোমাৰ ঘৰখনক মোৰ বাবে কাৰো ওচৰত লজ্জানত হ'বলৈ নিদিও। কিন্তু এই মানুহবোৰৰ মানসিকতাক হজম কৰি মই লখিমী বোৱাৰীৰ ভাও দিব নোৱাৰিম।' তাইৰ কথাবোৰে অৰ্নিৰ ওপৰত কেনে প্ৰভাৱ পেলাইছিল তাই ধৰিব নোৱাৰিলে; মাত্ৰ মুখখন কিছু কঠোৰ হৈ পৰা যেন তাই অনুমান কৰিছিল।

কথাবোৰ ইমান সহজ নাছিল। এটা বছৰ তীব্ৰ মানসিক সংঘাতৰ মাজেৰে পাৰ হ'ল। অসুখী হৈ ৰ'লেও মালকিবাই অনিৰ্বাণক বা ঘৰখন এৰি ওলাই যাব নোৱাৰিলে। ভাঙিব খুজিলেও সম্বন্ধ এটা ভঙা, এৰিব খুজিলেও এবাৰ আপোন কৰি লোৱাজনক সহজে এৰি থৈ আঁতৰি যাব নোৱাৰি মালবিকাই ভালদৰে বুজিলে। কথাবোৰ ভবা যিমান সহজ বাস্তৱত ৰূপায়ণ কৰা সিমান সহজ নহয়। সেয়ে ছাগে

তাই দেখা বহু অসুখী নাৰীয়ে অসুখী হৈ থাকিও ইঁহাৰ অভিনয়, সুখী হোৱাৰ অভিনয় কৰি সংসাৰ চলাই আছে।

অলপদিন মালবিকাই বাকী সকলো চিন্তু বাদ দি কেৱল 'ঘৰোৱা' হ'ব খুজিলে। শাহুৰেক আৰু জায়েকৰ আপোন হ'বলৈ পাৰ্যমানে চেষ্টা চলালে। কিন্তু তাই সফল হ'ব নোৱাৰিলে। মধুৰ ওপৰত চলা অত্যাচাৰত তাই হাত উজান দিব নোৱাৰিলে। সিহঁতৰ খোঁচ মৰা কথা তাই একাণেদি সুমুৱাই সিকাণেদি উলিয়াই দিব নোৱাৰিলে। বিশেষকৈ তাইৰ নিজত্ব বুলি যি অলপ বাকী আছিল সেইকণো যেতিয়া জায়েকহঁতে নিঃশেষ কৰিবলৈ উঠিপৰি লাগিল এইবাৰ মালবিকা পিছ হুহুকি নগ'ল। এই ষড়যন্ত্ৰত তাই নিজৰ সপক্ষে নিজক ঢাল কৰি থিয় হ'ল। তাই সেই 'আপোন' হোৱাৰ খেলখন সিমানতে সামৰিলে। দিনটোৰ প্ৰায়খিনি সময় যিখিনি মানুহৰ লগত তাই উঠা-বহা কৰি থাকিব, সেইখিনি মানুহৰ লগত যদি তাইৰ মনৰ মিল নাথাকে, লক্ষ্য-আদৰ্শৰ মিল নাথাকে, ইজন-সিজনৰ লগত কোনো আৱেগিক আত্মীয়তা নাথাকে তেনেহ'লে কেনেদৰে এইখিনি মানুহৰ লগত গোটেই জীৱনটো কটাব মালবিকাই। বিয়াৰ আগৰ অনিৰ্বাণৰ কথা ভাবিলে মালবিকাৰ দুখ লাগে, নিজৰ ওপৰত ধিক্কাৰ ওপজে। আজিকালি কোনো কথাই তাই অনিৰ্বাণৰ লগত আলোচনা নকৰে। আলোচনা কৰি একো লাভ নাই তাই জানে। অৰ্নিক ইমানদিনে দেখি-শুনি একেলগে থাকি তাই ইয়াকে বুজি উঠিছে যে—'সি সৰুৰে পৰা মাক-ককায়েকৰ ওপৰত নিৰ্ভৰশীল। সৰুৰে পৰা তেওঁলোকে বিচৰা ধৰণে চলাই আহিছে তাক। সেয়ে তেওঁলোকৰ আগত মূৰ তুলি কথা ক'বলৈ সাহস গোটাব নোৱাৰে সি। আচলতে কচৰৎ কৰি নাম গোটাবৰ বাবে শব্দ সৃষ্টি কৰি কবি হোৱা মানুহ অনিৰ্বাণ। তাইক বিয়া কৰোৱাটো অনিৰ্বাণৰ সাহস নহয়। সি প্ৰকৃততে তাৰ জীৱনটো সংঘাত বিহীনভাৱে, নিশ্চয়তাৰে, মানসিক সন্তুষ্টিৰে চলাই নিবৰ বাবে তাইৰ দৰে সৰল (যি সৰলতা তাইৰ কবিতাতো ফুটি উঠিছিল) সহজ ছোৱালী এজনীক জীৱন সংগী কৰি লৈছিল (সিয়ো বাৰু ভাবিছিল নেকি দুখীয়া ঘৰৰ ছোৱালীৰ কি ইচ্ছা-অনিচ্ছা থাকিব, সপোন থাকিব। লিখা কথাবোৰ, মুখেৰে কোৱা কথাবোৰৰ কি স্থায়িত্ব আছে?) অনিৰ্বাণ বুদ্ধিয়ক মানুহ সি বাস্তৱ চিনি পায়, বাস্তৱক বুজে আৰু মানি লয়। সোঁতৰ বিপৰীতে সাতুঁৰি জীৱনক বাজী লগোৱাতকৈ সোঁতৰ সৈতে সাঁতুৰি পাৰ পাব খোজা মানুহ সি। আৰু মোহ-মোহ জানো ইমান সহজে এৰাব পৰা বস্তু। যাৰ লগত আশৈশৱ অভ্যস্ত, সেই টকা-পইচা, বিলাসী জীৱনৰ মোহ ত্যাগ কৰি মালাৰ সহযাত্ৰী হৈ ককায়েকৰ তুলনাত দৈন্য জীৱন এটা আকোঁৱালি লোৱাৰ পক্ষপাতী নহয় অনিৰ্বাণ। তাৰ বিলাসী জীৱনৰ চাবিকাঠি মাক আৰু ককায়েকৰ হাতত।

এসপ্তাহমানৰ আগত বহু ভাবি-চিন্তি, চকুলোৰে গাৰু তিয়াই ৰাতি ৰাতি উচুপি, অনাগত ভৱিষ্যতৰ অনিশ্চয়তাক শংকাৰে সৈতে গ্ৰহণ কৰিও তাই শেষ সিদ্ধান্ত লৈ পেলাইছিল—নতুনকৈ আৰম্ভ হ'ব লগা বাতৰি কাকত এখনৰ সহ-সম্পাদক হিচাপে তাই যোগ দিব এইখন চহৰৰ পৰা বহু নিলগৰ এখন সৰু চহৰত। তাৰ আগতে তাইৰ এটা দায়িত্ব সম্পন্ন কৰিব লগা আছিল যিটো, আজি তাই কৰিলে। মধুক এই নৰকৰ পৰা মুক্তি দি আজৰি হ'ল তাই। এদিন নিজে মধুক লৈ আহিবগৈ তাইৰ ঘৰলৈ। তাইৰ নিজৰ বুলি ক'ব পৰা ঘৰখনলৈ।

মধু গ'লগৈ। এতিয়া ৰাতি ২ বাজিছে। কাইলৈ তাইৰ শেষ সিদ্ধান্তটো অনিৰ্বানক এনেয়ে এবাৰ জনাব।◆

মহিলাৰ সজাগতা সভা

নিলীমা শইকীয়া দাস

খুড়ী, অ' খুড়ী ঘৰত আছনে? অ' আভা দেখোন, বহ! নাই, খুড়ী বহি থাকিবলৈ মোৰ হাতত একেবাৰে সময় নাই। মই তোক খবৰ এটা দি যাওঁ বুলিহে সোমালো। কি খবৰ? ক'চোন! মানে, অহা দেওবাৰলৈ আমাৰ মহিলা সমিতিৰ এখন সভা পাতিব খুজিছো। সভাখন অনুস্থিত হ'ব, আমাৰ 'জয়ন্ত শিল্পী সংঘ'ৰ প্ৰাঙ্গণত। আবেলি দুই বজাতে সভাখন আৰম্ভ হ'ব বুলি মানুহক কৈছো। কিন্তু ক'লৈ কি হ'ব, মহিলাবিলাকক দুই বজাত বুলি ক'লেহে তিনি বজাত মিটিং আৰম্ভ কৰিব পাৰিম। ইফালে মোৰ মানুহ মাতি হোৱাই নাই।

অ, খুড়ী আমাৰ গাঁৱত কেইখন 'আত্ম-সহায়ক গোট আছে, তই জাননেকি? মই ভাবিছো, প্ৰত্যেকখন আত্মসহায়ক গোটৰ এজনীকৈ মাতি আহিম। লগতে সেইজনীকো বাকী বিলাকক খবৰটো দিব ক'ম। সেইদিনা যাতে সভাত সকলো উপস্থিত থাকে। ইফালে আমাৰ স্থানীয় বিধায়িকাকো সভালৈ মাতিম বুলি জিতেনৰ লগত আলোচনা কৰিছো। জিতেনক কৈছো এইখন সভাত যদি বিধায়িকা বাইদেউ নাহে, অহা ভোটত কিন্তু আমাক নেপাব। জিতেন আকৌ বাইদেউৰ সোঁহাতস্বৰূপ নহয়; জাননে নাই। বিধায়িকা বাইদেউ আহিব যেতিয়া আমাৰ সভাত মানুহৰ সংখ্যা সৰহ হ'ব লাগিব।

মই আৰু এটা কথা ভাবিছো, বুজিছ খুড়ী, ওচৰৰ গাঁও কেইখনৰ মহিলাসকলোকে মাতিম। হিন্দু মুছলমান, বৌদ্ধ, খ্ৰীষ্টান, জৈন কাকো নেৰো। ধনী-দুখীয়া, উচ্চ-নীচ সকলোকে আহিবলৈ দিম। সভাত উপস্থিত থাকি নিজৰ নিজৰ অসুবিধাবিলাক বাইদেউক জনাবলৈ ক'ম। গাঁও পঞ্চায়তৰ সভানেত্ৰী অঞ্জু ফুকনকো মাতিব লাগিব। আচলতে, সভাখনৰ মূল উদ্দেশ্য কি হ'ব জান 'মহিলা সজাগতা সভা'। ইয়াৰ মূল লক্ষ্য হ'ব, মহিলাবিলাকক সজাগ কৰি তোলা। আজি আমাৰ দেশত ইমান সন্ত্ৰাসবাদী জন্ম কোনে দিলে। এই সন্ত্ৰাসবাদীয়ে আহি ৰাতি ঘৰতে থকা পুতেকক কাঢ়ি লৈ গ'ল, মাক-বাপেকৰ চকুৰ আগতে জীয়েক কেইজনীক অত্যাচাৰ কৰিলে। কিন্তু চৰকাৰে তাৰ উচিত বিচাৰ পোৱা নাই। মাক-বাপেক হালৰ দুখৰ কথা বুজিবলৈ কেইজনৰ আহৰি আছে। কচোন তই!

এই সন্ত্ৰাসবাদীসকলক তোৰ মোৰ দৰে মাকেই জানো জন্ম দিয়া নাই। তেওঁলোকক মূল-সূতিলৈ ঘূৰাই আনিবলৈ হ'লে তোৰ মোৰ দৰে মাতৃ জাতিৰ সৰ্বাংগীন প্ৰচেষ্টা লাগিব। চৰকাৰে সিহঁতক মূল সূতিলৈ ঘূৰাই আনিব নোৱাৰে। সন্ত্ৰাসবাদীসকলৰ জানো বাই-ভনী, মাহী-পেহী নাই। সিহঁতবোৰ জানো আমাৰ দৰে তেজ মঙহেৰে গঢ়া মানুহ নহয়।

প্ৰত্যেকজনী মহিলাই নিজৰ সন্তানক সৰুৰে পৰা এনে শিক্ষা দিব লাগিব, যাতে সিহঁতে নাখাই মৰিলেও সন্ত্ৰাসবাদৰ আশ্ৰয় নলয়। মহিলা সকলো আদৰ্শবান আৰু শিক্ষিত হ'ব লাগিব। তেহে হ'ব। চহৰৰ কথা বেলেগ।

আমাৰ এই ভিতৰুৱা গাঁওবিলাকত চৰকাৰে যেনেকৈ 'গ্ৰামীন চড়ক যোজনা'ৰ যোগেদি ৰাস্তাবিলাক পকী কৰিছে, ঠিক সেই একেদৰে মাতৃ জাতিকো শিক্ষিতা কৰি তুলিব লাগিব।

অ' খুড়ী, আহো দে। ৰ'বি অকনমান! চাহ একাপ খাই যা। অ, পাহৰিছিলোৰেই নহয়। তই চাহ খা বুলি ক'লতে মনত পৰিল। সভাখনত চাহৰ দিহা এটাও কৰিব লাগিব নহয়। চাহৰ লগত তিলপিঠা আৰু নাৰিকলৰ লাডু থাকিব। মই ভাবিছো, ব'হাগৰ বতৰ, সেয়ে সভাৰ আৰম্ভণিতে মহিলাৰ দ্বাৰা বিহু এখন মাৰিব লাগিব যিহেতু বিহু 'আমাৰ বাপতি সাহোন, জাতীয় উৎসৱ'। মাজতে সভাৰ কাৰ্যসূচী চলিব। পাছত বিয়া নামেৰে সভা ভঙ্গ হ'ব।

বুজিছ খুড়ী, মতা মানুহে কৰিব নোৱৰা কাম, মাইকী মানুহে কৰি দেখুৱাম বুলি ভাবিছো। পাৰিবিতো, কিয় নোৱাৰিবি। মাইকী মানুহে ভাৰতবৰ্ষৰ নিচিনা জনবহুল দেশ এখনত প্ৰধান মন্ত্ৰী, ৰাষ্ট্ৰপতি হৈ গ'ল। পুৰুষ আৰু মহিলা এটা টকাৰ ইপিঠি আৰু সিপিঠি। মহিলাক আজিৰ দিনত পুৰুষৰ তলত বুলি ক'লে আমি মানি নলওঁ। মহিলাসকলক আগবঢ়াই নিবলৈ পুৰুষসকলৰ সহায়-সহযোগিতা লাগিব। আৰু এটা কথা দেই আমি মহিলাবিলাক সঁচাকৈ সজাগ হ'বৰ হ'ল । এই সোণৰ অসমখন নানা জাতি-উপজাতিয়ে ভাগ ভাগ কৰি কৰি ল'ব বিচাৰিছে। সিদিনা দূৰদৰ্শনত দেখিলো ৰাজধানী চহৰ দিশপুৰত নেপালী ছাত্ৰসকলে, তেওঁলোকৰ ভাষা বহুৱাবলৈ চৰকাৰক দাবী জনাইছে। শ্লোগান দি গৈছে। এইবোৰ কি কথা। মই ভাবি ভাবি অন্ত কৰিব পৰা নাই। সভাখন হৈ যাওক মই এই সকলোবোৰ লিখি, গল্প আকাৰে বা প্ৰবন্ধ হিচাবে খবৰ কাগজত প্ৰকাশ কৰিম।◆

অসমৰ লোকবিশ্বাস আমতী বা সাঠ

অজন্তা বৰঠাকুৰ

পুৰণিকলীয়া এক লোকবিশ্বাস হিচাপে অসমৰ গাঁৱে-ভুঁএে অম্বুবাচী নাইবা সাথ পালন কৰা হয়। আহাৰ মাহৰ ৭ তাৰিখৰ পৰা ১১ তাৰিখলৈকে অম্বুবাচীৰ প্ৰবৃত্তি আৰু নিবৃত্তি হয়।

লোকবিশ্বাস মতে সেই সময়ত দেৱী ৰজঃস্বলা হয়। দেৱীয়েই প্ৰকৃতি আৰু প্ৰকৃতিয়েই পৃথিৱী। গতিকে দেৱী ৰজঃস্বলা হোৱাৰ বাবেই প্ৰকৃতি চুৱা হয়। লোকবিশ্বাস অনুযায়ী শিৱই দক্ষৰ যজ্ঞ কুণ্ডৰ পৰা সতীৰ মৃতদেহ কান্ধত লৈ ঘূৰি ফুৰোতে সতীৰ যোনীপ্ৰদেশ কামাখ্যা ধামত পৰিছিল। সেই পবিত্ৰ স্থানেই কামাখ্যা দেৱালয়। অম্বুবাচীৰ তিনিদিন কামাখ্যা দেৱালয়ৰ দ্বাৰ বন্ধ থাকে। চতুৰ্থদিনা মন্দিৰ ধুই পখালী ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ খুলি দিয়ে। অসমীয়া হিন্দুসকলৰ লগতে বঙ্গমূলীয় লোকসকলে ইয়াক অতি ভক্তিসহকাৰে বিশ্বাস কৰে। অম্বুবাচীৰ তিনিদিন হালবোৱা, বীজ ৰোপন, বেদী অধ্যয়ন, পূজা-পাতল আদি পৱিত্ৰ কৰ্মৰ পৰা বিৰত থাকে।

অম্বুবাচীৰ তিনিদিন কোনো কোনো লোকে ব্ৰত আদিও পালন কৰে। ব্ৰাহ্মণৰ বিধৱা, ব্ৰহ্মাচাৰী আৰু ব্ৰাহ্মণ পণ্ডিতসকলে অন্ন বৰ্জন কৰে। অম্বুবাচীৰ আগতেই মাটিৰ, স্পৰ্শৰ পৰা ওপৰত নিলগাই থোৱা আহাৰ পানী গ্ৰহণ কৰে। ইয়াৰ নিবৃত্তিৰ দিনা কাপোৰ কানি ধুই, ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি শুদ্ধি কৰা হয়। সাঠ বা আমতী শব্দৰ উৎপত্তি সম্পৰ্কে সঠিকভাৱে জনা নাযায় যদিও সংস্কৃত শব্দৰ শপ্ত বা শপ্তকৰ পৰা ক্ৰমে সপ্ঠ বা সাঠ হ'ব পাৰে বুলি কোনো কোনো পণ্ডিতে মত পোষণ কৰে। সাঠৰ সময়ত বৰষুণ হয় বুলিও লোকবিশ্বাস আছে।

সাঠ বুলিলে ফল-মূলৰ উৎসৱ বুলিও ভবাৰ থল আছে। সেইসময়ত গাঁৱে-ভুঁএে আম, কঁঠাল, লেতেকু, পনিয়ল, জামু, লেচু আদি নানান বিধ বতৰৰ ৰসাল ফল গছে বনে উভৈনদী হৈ পৰে। সাঠৰ কেইদিন ফল-মূল খালে ভাল বুলি লোকবিশ্বাস আছে। সাঠ লগাৰ আগতেই ফল-মূল সংগ্ৰহ কৰি ভালদৰে থৈ দিয়ে কাৰণ সাঠৰ কেইদিন গছৰ পৰা ফল পাৰিব নাপায় বুলি বিশ্বাস আছে।

সাঠ বা আমতীৰ লগত কৃষি কৰ্মৰ সম্বন্ধ আছে। মাতৃ শক্তি যিহেতু প্ৰজনন কৃত্য, পৃথিৱী মাতৃ হিচাপে সৃষ্টিৰ আধাৰ হিচাপে ধৰা হয়। আহাৰ মাহ ভৰ বাৰিষাৰ মাহ। প্ৰচুৰ বৰষুণে পৃথিৱীৰ বুকু উৰ্ব্বৰা কৰি তোলে আৰু শস্য শ্যামলা হৈ পৰে।

কামাখ্যাকে ধৰি মূখ্য শক্তিপীঠ আৰু দেৱী পূজাৰ থানসমূহত ইয়াক বিশেষভাৱে পালন কৰে। কামাখ্যা দেৱালয়ত সাঠৰ কেইবাদিনৰ আগৰ পৰাই মেলা আৰম্ভ হয়। উত্তৰ পূব ভাৰতৰ বিশেষকৈ বঙ্গৰ নানান ভক্তৰ আগমন ঘটে। এই মেলা ভাৰতৰ ধৰ্ম জগতত সৰ্ব্বজন বিদিত। অসমত অষ্ট্ৰিক ভাষীসকলৰ মাজত দেৱী পূজা পুৰণি কালৰ পৰাই চলি আছে। সংস্কৃতি, লোকাচাৰ এটা জাতিৰ জীৱন ধাৰা। ইয়াক কেন্দ্ৰ কৰিয়েই নানান আচাৰ-বিচাৰ, জন সংস্কাৰ, বিশ্বাস, পৰম্পৰা আদি গঢ় লৈ উঠিছে।◆

আমাৰ বিহু সন্মিলন ঃ তিনিটা স্নেপশ্বট

গৌতম ওঁজা

(১)

মাজত আৰু চাৰিটা দিন, তাৰে পিছতে আমাৰ বিহুটি। সাধাৰণ সম্পাদক হাজৰিকা খুৰা, গুণীনদা, গুণজিতে বাৰে বাৰে বিমাইণ্ড কৰি দি আছে যে কালেকচন ভাল নহয়। সেয়ে গধূলি গধূলি তিনি চাৰিটা ভাগত গ্ৰুপ হৈ সকলোৱে বেলেগ বেলেগকৈ চান্দা তুলি আছে। শেষত ৰাতি ৯টা মান বজাত উদ্‌যাপন সমিতিৰ অস্থায়ী কাৰ্যালয়ত একেলগ হওঁ। ফুলেশ্চ খুৰাই সোধে ' আজি কেনে?' সংক্ষেপতে আমি কওঁ 'আজি ভাল' বা 'খুৰা আজি খুব এটা ভাল নহয়, আনপেইড বহু থাকি গৈছে।'

আজি মই, গুণজিত, ৰাজেনদা, মণিদা, বুবু আৰু গুণিন দা ওলাইছো, ২নং নামঘৰ পথৰ ফালে। ওচৰ চুবুৰীয়া যদিও কেইঘৰমানৰ বাহিৰে বাকীখিনি মানুহক লগত সিমান এটা চিনাকি নাই। অচিনাকি মানুহৰ ঘৰলৈ চান্দা তুলিবলৈ যাবলৈ বৰ ভয় আটাইকেইজনৰে। সেয়ে আমি 'লোকেল দাদা' ৰাজেনদাক লগত ৰাখিছো। কলিংবেলটো এজনে বজাই ৰাজেনদাক আগলৈ থেলি দিও। প্ৰথম কেই ঘৰমানত সোমালো, কোনোবা ঘৰত মানুহ নাই, কোনোবা ঘৰত পিছত দিম। আটাইকেইজনৰে মনটো সেমেকি গ'ল। অন্যকেইদিন ৰাজেনদাক জোকাই জোকাই আটাইকেইজনে ৰগৰ কৰি থাকো। আজি কিন্তু সেইটো কৰিবলৈও কাৰো মন যোৱা নাই। এঘৰত সোমাই 'বহনি' কৰি ল'লো। কিন্তু বহু দেৰি কৰিলে, আমাৰ ভাষাত কামুৰিলে। ৮টা বাজি গ'ল। মই, গুণজিত আৰু বুবুৱে ক'লো যে বাদ দিও নেকি আজি, কিন্তু আমাৰ বুঢ়াকেইটাই (মানে ৰাজেনদা, গুণীনদা আৰু মণিদা) নেৰে। তাৰ পিছৰ চিনাকি বাইদেউ এজনীক পালো। বাইদেউক ক'লো বিহুৰ নিমন্ত্ৰণী দিবলৈ আহিলো, লগতে বৰঙণি যি দিয়ে। কিমান দিব লাগিব বুলি বাইদেৱে সোধাত ধেমেলীয়া সুৰত আমি ক'লো যে এহেজাৰ, দুহেজাৰ যি দিয়ে তাকেই আমি গ্ৰহণ কৰিম। বাইদেউৱে ক'লে এহেজাৰ লিখা। গোটেইকেইজনৰে মুখৰ মাত বন্ধ, ভাবিলো বাইদেৱে ধেমালি কৰিছেনে সঁচাকৈ কৈছে। গুণীনদাই লগে লগে ক'লে 'লিখা লিখা'। একেটাঘৰত ভাড়া কৰি থকা সাগৰিকা বাইদেৱে এহেজাৰ টকা এটা দিলে। সেমেকা মুখকেইখনত হাঁহি বিৰিঙিল। নতুন উদ্যম এটা আহিল। তাৰ পিছত মণিদাৰ নিৰ্দেশ ক্ৰমে এটাও ঘৰ বাদ নিদিলো। সংগ্ৰহ খুব ভাল হ'ল সেইদিনা। বাইদেউ দুজনীক মনে মনে অশেষ ধন্যবাদ দি, ৰাজেনদাক জোকাই জোকাই, মুখত হাঁহি একোমোৰা লৈ আটাইকেইজন উদ্‌যাপন সমিতিৰ কাৰ্যালয়লৈ ঘূৰিলোঁ। আজি বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ তৃতীয় দিনাৰ সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণৰ ভিতৰত আছে, অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ আৰু জুবলিৰ এলানি আধুনিক গীতৰ শৰাই'— কবিনদাই নিজৰ সুন্দৰ মাতেৰে ঘোষণা কৰি গ'ল। সকলোৱে মুখত এটা শব্দ মাথো 'জুবিন'। উলাহত ফাটি ফাটি যাওঁ যাওঁ হৈছে ৰুক্মিণীনগৰ

বিহুতলী। ৰাতি ১১.৩০ বজাত জুবিনদাৰ অনুষ্ঠান, ৮ মান বজাৰ পৰা দৰ্শকেৰে ঠাহ খাই পৰিছে খেলপথাৰ। সমিতিৰ ফালৰ পৰা এহেজাৰ চকীৰ ব্যৱস্থা কৰা হৈছিল যদিও, আধাসংখ্যক দৰ্শক থিয় হৈ থাকিব লগা হৈছে। তথাপিও সকলোৱে আহিছে অসমীয়াৰ হিয়াৰ আমঠু 'জুবিন গাৰ্গ'ৰ মিঠা মিঠা গীতবোৰ শুনিবলৈ।

কেইদিনমান আগতে শুক্লেশ্বৰৰ বাইকৰ পিছফালে এজন যুৱক আমাৰ উদ্‌যাপন সমিতিৰ কাৰ্যালয়লৈ আহিছিল, নামটো মণ্টুমণি শইকীয়া। শুক্লেশ্বৰে আমাক চিনাকি কৰি ক'লে যে এওঁকেই জুবিনৰ পিছত অনুষ্ঠান কৰিবলৈ ঠিক কৰা হৈছে, নতুন শিল্পী, খুব ধুনীয়া বিহু গায়। সাধাৰণতে জুবিনদাৰ পিছত অনুষ্ঠান কৰিবলৈ শিল্পীসকলে মান্তি নহয়। কিন্তু নতুনকৈ উঠি অহা গায়ক কাৰণে হয়তো মণ্টুমণিয়ে বিনাদ্বিধাৰে মান্তি হ'ল। এইখিনিতে এটা কথা জনাও যে আচলতে জুবিন গাৰ্গৰ অনুষ্ঠান আছিল নিশা ৯ বজাত, কিন্তু তেখেতৰ কিবা এটা অসুবিধাৰ বাবে সময় সলনি কৰি ১১ বজাত ঠিক কৰা হ'ল। সেইমতে আমি মণ্টুমণিক যোগাযোগ কৰি তেওঁৰ অনুষ্ঠানৰ সময় ৯-৩০ বজালৈ আগুৱাব বুলি জনালোঁ। জুবিনৰ আগত অনুষ্ঠান পৰিৱেশনৰ সুযোগ পাব বুলি জানিবলৈ পাই মণ্টুমণিয়ে আমাৰ আগত যথেষ্ট ফূৰ্তি প্ৰকাশ কৰিলে।

অনুষ্ঠান আৰম্ভ হওঁতে যথেষ্ট পলম হোৱাৰ বাবে মণ্টুমণিৰ অনুষ্ঠান আৰম্ভ হওতে প্ৰায় ১০ টা বাজিল। এটা দুটাকৈ বহুকেইটা গীত পৰিৱেশন কৰিলে মণ্টুমণিয়ে। তেখেতৰ মাতটো বৰ মিঠা। ৰাইজৰ সঁহাৰি দেখি তেখেতেও বৰ উদ্বুদ্ধ হ'ল। চাওতে চাওতে নিশা ১২টা বাজিল। মণ্টুমণিৰ অনুষ্ঠান শেষ হ'বলৈ হ'ল। কিন্তু জুবিন গাৰ্গ তেতিয়ালৈ আমাৰ চোঘৰত উপস্থিত হোৱা নাই। সভাপতিকে ধৰি উদ্‌যাপন সমিতিৰ প্ৰতিজন সদস্যৰ মনত শংকা। তেনেতে মৃদুলদা আৰু গুণীনদাই শুক্লেশ্বৰক মাতি ক'লে যে মণ্টুমণিক ইংগিত দিয়া হওক যেতিয়ালৈ আমাৰ ফালৰ পৰা কোৱা নহয় তেখেতে যেন মঞ্চৰ পৰা নামি নাহে। সেইমতে মণ্টুমণিক ইংগিত দিয়া হ'ল। মণ্টুমণি আৰু তেখেতৰ সহশিল্পীসকলে ১.৩০ বজালৈ অনুষ্ঠান পৰিৱেশন কৰিলে। অনুষ্ঠান পৰিৱেশন কৰি মঞ্চৰ পৰা নামি আহোতে আমাৰ সকলোৱে সন্মুখত গুণীনদাই মণ্টুমণিক সাবটি ধৰি ক'লে 'তুমি আমাক আজি বচাই দিলা।' ইতিমধ্যে জুবিন গাৰ্গ আমাৰ মাজত আহি পালে। চোঁঘৰত উখল মাখলৰ পৰিৱেশ। জুবিনক ওচৰৰ পৰা চোৱাৰ হেঁপাহত সকলোৱে চোঁঘৰত ভিৰ কৰিছেহে। পৰিস্থিতি যাতে নিয়ন্ত্ৰণত থাকে সেইবাবে উদ্‌যাপন সমিতিৰ সদস্যৰ বাবে সকলোকে চোঁঘৰ খালী কৰিবলৈ নিৰ্দেশ দিলে। সেইখিনি সময়ত মণ্টুমণি শইকীয়া চোঁঘৰতে আছিল। স্বেচ্ছাসেৱক কেইজনমানে তেখেতক চিনি নাপাই চোঁঘৰৰ পৰা বাহিৰলৈ যাবলৈ ক'লে। কিন্তু দূৰৰ পৰা মৃদুলদাই কথাটো গম পাই মণ্টুমণিক চোঁঘৰত বহাৰ ব্যৱস্থা কৰি দিলে। জুবিনৰ অনুষ্ঠান পুৱা ৫ বজাত শেষ হ'ল, লগতে সামৰণি পৰিল একত্ৰিংশতম ৰুক্মিণীনগৰ বৃহত্তৰ ৰঙালী বিহু সন্মিলন। সঁচাকৈ মণ্টুমণিয়ে আমাক সেইদিনা বচাই দিলে। দুদিনমান পিছত মৃদুলদাই মণ্টুমণিক নিজৰ ঘৰলৈ ভাত খাবলৈ মাতি পুনৰ ধন্যবাদ দিলে। সেইজনা শিল্পীক বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ, লগতে তেখেতৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

(৩)

বিহুটি ভালে ভালে গ'লগৈ। গুণজিতৰ লগত দেনা পাওনাৰ হিচাপ কৰোতে দেখা গ'ল, অভাৱনীয়ভাৱে দেনা থাকি গৈছে। সভাপতি দত্তখুৰা আৰু সম্পাদক হাজৰিকাখুৰাই এখন তৎকালীন মিটিংগুৰ আহ্বান কৰিলে। সভাত দেনা পাওনাৰ হিচাপ দেখি আটাইকেইজনৰে চকু কপালত। আমি ল'ৰা কেইজনে এটা প্ৰস্তাৱ দিলো যে কেইদিনমান পিছত আহ্বান কৰা প্ৰীতিভোজত আমি সকলোৱে পৰা এক নিৰ্দিষ্ট পৰিমাণৰ বৰঙণি সংগ্ৰহ কৰোঁ। প্ৰথমে সকলোৱে একমত নহ'লেও পিছত সকলোৱে হয়ভৰ দিলে। লগে লগে দত্তখুৰাই নিজৰ বৰঙণিটো প্ৰথমেই আগবঢ়ালে। তাকে দেখি সভাত উপস্থিত

প্ৰায়খিনিয়ে নিজৰ নিজৰ বৰঙণি আগবঢ়ালে। তাৰ পিছত সকলোৱে মিলি এখন তালিকা তৈয়াৰ কৰাত ব্যস্ত হ'লো কাৰ কাৰ পৰা আমি বৰঙণি ল'ম। সভাত উপস্থিত আছিল উদ্‌যাপন সমিতিৰ স্থায়ী ৰান্ধনী ননী ডেকা খুড়া। হঠাৎ ডেকা খুড়াৰ সোলা মুখখনৰ পৰা ওলাই আহিল 'হে গুণ, শুন্‌চানা নাই, মোৰ নামটোও ভৰ্তি কৰা। মইও দিম, কিয় নিদিম'। গুণজিতে প্ৰথমে অমান্তি হ'লেও পিছত নামটো ভৰাই দিলে। গুণজিতে তালিকাত দুগুণ উৎসাহেৰে নাম ভৰাই গ'ল। আচলতে ডেকা খুড়া আহিছিল, তেওঁৰ পাবলগীয়া মাননীখিনি গুণজিতৰ পৰা ল'বলৈ। কিন্তু সমিতিৰ আৰ্থিক পৰিস্থিতি দেখি আবেগিক হৈ গ'ল তেওঁ। বিহুখনৰ প্ৰতি কিছুমান ব্যক্তিৰ নিস্বাৰ্থ আবেগ দেখি অনুপ্ৰাণিত হোৱা এটা লেখত ল'বলগীয়া উদাহৰণ।

এনেধৰণৰ নানান সৰু সৰু মনত থাকি যোৱা ঘটনা সন্মিলনীখনৰ বাহিৰে ভিতৰে ঘটি গ'ল। কিছুমান প্ৰকাশ কৰিব পৰা আৰু কিছুমান প্ৰকাশ কৰিব নোৱাৰা। সকলোকে অনুপ্ৰাণিত কৰিব বুলি এই তিনিটা ঘটনা লিখিলো। ◆

শেষত,

Long Live Brihattar Rukmini Nagar Rongali Bihu Sanmilan
&
Live Long Brihattar Rukmini Nagar Rongali Bihu Udjapan Samiti

বাজাজ আলিয়াঞ্জ লাইফ ইঞ্চিউৰেন্স

দিশপুৰ শাখা

ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা জনাইছো
ব'হাগে জাগ্ৰত কৰা নতুনৰ প্ৰত্যয়
উদয় হওক সকলোৰে বাবে

—ৰাণুমণি দত্ত—

ফোন নং ঃ ৯৪৩৫০-১৫৫৪২, ৮০১১০-৫২৩৫৮

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন (২০১৬)

শ্ৰদ্ধেয় সভাপতি মহোদয়ৰ প্ৰমুখ্যে মুখ্য পৃষ্ঠপোষক, পৃষ্ঠপোষক, মুখ্য উপদেষ্টা, উপদেষ্টা মণ্ডলী, কাৰ্যনিৰ্বাহক সমিতিৰ সভাপতি, সদস্য/সদস্যাসকল লগতে বিভিন্ন বিভাগৰ সভাপতি/সম্পাদক বিষয়ববীয়া তথা বৃহত্তৰ ৰুক্মিণীনগৰবাসী শ্ৰদ্ধাৰ বিহুপ্ৰেমী ৰাইজ।

দ্বি-ত্ৰিংশতিতম্ ৰঙালী বিহু দুদিনীয়াকৈ অনুস্থিত কৰাৰ বাবে স্থিৰ কৰা হৈছিল, যদিও ৰাইজৰ মৰমৰ দাবীৰ পৰিপ্ৰেক্ষিতত তিনিদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। কেউটাদিনতে ৰাইজৰ উপস্থিতি তথা উৎসাহ শলাগ ল'বলগীয়া। উক্ত তিনিওটা দিনতে বিভিন্ন ধৰণৰ প্ৰতিযোগিতাসমূহৰ মুখ্য আকৰ্ষণ সদৌ অসম ভিত্তিত 'বিহু হুঁচৰি' প্ৰথম পুৰস্কাৰ পঞ্চাছ হাজাৰ (৫০,০০০/-) টকা আৰু 'বিহুৰাণী' ত্ৰিশ হাজাৰ (৩০,০০০/-) টকা লগতে জেং বিহুৰ প্ৰতিযোগিতা ও স্থানীয় শিল্পীৰ দ্বাৰা বিভিন্ন জনগোষ্ঠীয় অনুষ্ঠান পৰিৱেশন কৰা হয় আৰু দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হোৱাটো দেখা যায়। শিশুসকলৰ মাজত বিভিন্ন খেলা-ধূলা তথা চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

এইখিনিতে আপোনালোকৰ জ্ঞাতাৰ্থে দ্বিত্ৰিংশতিত্ম বিহু সন্মিলনত হোৱা আয়-ব্যয় জমা খতিয়ান দাঙি ধৰিলো—

সৰ্বমুঠ আয়	৮,৪৭,১২২.০০ টকা
সৰ্বমুঠ ব্যয়	৮,০১,৮৩৭.০০ টকা
বেংকত জমা	১৮,৫৬২.০০ টকা
কোষাধ্যক্ষ হাতে জমা	২৬,৬৮৭.০০ টকা

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ দাপোন স্বৰূপ 'সাহোন' বিভিন্ন নবীন-প্ৰবীন লেখৰ লেখনিৰে প্ৰকাশ পালে। 'সাহোন' প্ৰকাশৰ ক্ষেত্ৰত আগভাগ লোৱা সমিতিৰ সকলো বিষয়ববীয়া, সদস্য/সদস্যা তথা লেখক-লেখিকা সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলো।

বিহু সন্মিলনীখনি পৰিচালনাৰ ক্ষেত্ৰত আগবঢ়োৱা দিহা-পৰামৰ্শৰ বাবে মুখ্য-উপদেষ্টামণ্ডলী, সমিতিৰ সভাপতি প্ৰমুখ্যে বিভিন্ন সমিতিৰ বিষয়ববীয়া তথা সদস্য/সদস্যাসকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লো, লগতে ৰূপালীম মহিলা চ'ৰা সদস্যাসকললৈ তেওঁলোকে আগবঢ়োৱা সকলোধৰণৰ সহায়-সহযোগিতাৰ বাবে সদৌটিলৈ মোৰ আন্তৰিক ধন্যবাদ জনালো।

সদৌ শেষত সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যভাৰ চলাই যোৱাত ক'ৰবাত কেতিয়াবা অজানিতে হোৱা ভুল-ক্ৰটিৰ ক্ষমা বিচাৰি এই প্ৰতিবেদন ইমানতে আজিলৈ সামৰিলো।

মুকুল বুঢ়াগোঁহাই
বৃহত্তৰ ৰুক্মিণীনগৰ দ্বি-ত্ৰিংশতিতম বৰ্ষ ৰঙালী বিহু
উদ্‌যাপন সমিতি

31st

Brihattar Rukmini Nagar Rongali Bihu Udjapan Samiti

Rukmini Nagar, Housing Colony, Guwahati-781006

Receipt & Expenditure Statement

RECEIPT		AMOUNT
Opening Balance		**2597.00**
Cash	*971.00*	
Bank Account	*1626.00*	
Collection From Donation Books		**781339.00**
Interest Accrued from Bank Deposit		**1186.00**
Loan from Mukul Buragohain		**62000.00**
		847122.00

EXPENDITURE		AMOUNT
Printing & Stationaries		**50303.00**
Megazine		
Donation Book		
Certificates	*50303.00*	
Printing Misc.		
Photocopy		
Pandal & Generator		**67500.00**
Pandal & Stage	*40000.00*	
Chair	*500.00*	
Stage Decoration	*27000.00*	
Gamocha, Badges & Japi		**16930.00**
Gamoch,Japi,Badges	*16930.00*	
Reception		**26889.00**
Cook & Helper	*9000.00*	
Grocery	*12889.00*	
LPG Cylinder	*5000.00*	
Sound & Lighting Arrangement		**25100.00**
Sound	*18000.00*	
Light	*3100.00*	
Electrical Item	*4000.00*	
Photographer		**8000.00**
Renumeration To Judges		**14000.00**
Husori, Bihuwoti & Bihuraani Judges	*10000.00*	
Modern Dance Judges	*1000.00*	
Jeng Bihu Judges	*3000.00*	
Labour Charges		**5300.00**
Prize Money for Compititions		**146991.00**
Husori Bihu	*85000.00*	
Bihu Raani	*30001.00*	
Jeng Bihu	*22500.00*	
Modern Dance	*4300.00*	
Sports Event (Trophy)	*5190.00*	
Cultural Night Expenditure		**432000.00**
1st Night	*155500.00*	
2nd Night	*107000.00*	
3rd Night	*159500.00*	
Anchoring Charge	*10000.00*	
Miscelleneous Expenses		**8860.00**
Guest Felicitation	*2000.00*	
Press Meet	*4000.00*	
Telecasting Crue Member	*1600.00*	
Refreshment for Police	*1000.00*	
Wrapper Stiching & paint	*260.00*	
Total Expenditure		**801873.00**
Closing Balance		**45249.00**
Cash-in-hand	*26687.00*	
Bank Accounts	*18562.00*	
		847122.00

বৃহত্তৰ ৰুক্মিণীনগৰ ত্ৰি-ত্ৰিংশতিতম ৰঙালী বিহু সন্মিলন
ৰঙ্গমঞ্চ পথ, হাউছিং ক'লনি, দিশপুৰ, গুৱাহাটী -৬

সদৌ অসম ভিত্তিত হুঁচৰি বিহু প্ৰতিযোগিতা (২০১৬)

১ ম পুৰস্কাৰ	ঃ	প্ৰয়াত লীলাধৰ বৰগোঁহাই সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৩০,০০১.০০ টকা
দাত্ৰী	ঃ	শ্ৰীমতী অমিয়া বৰগোঁহাই আৰু পৰিয়ালবৰ্গ
২ য় পুৰস্কাৰ	ঃ	প্ৰয়াত বিতুল বৰুৱা সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ২০,০০১.০০ টকা
দাত্ৰী	ঃ	শ্ৰীমতী পাৰুল বৰুৱা আৰু পৰিয়ালবৰ্গ
৩ য় পুৰস্কাৰ	ঃ	প্ৰয়াত কুঞ্জলতা দাস সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ১০,০০১.০০ টকা
দাতা	ঃ	শ্ৰীঅপূৰ্ব দাস আৰু পৰিয়ালবৰ্গ

সদৌ অসম ভিত্তিত 'বিহুৱাণী ২০১৬ প্ৰতিযোগিতাৰ বঁটা

বিহুৱাণী ২০১৫	ঃ	এটা ৰূপৰ চলন্ত মুকুট, লগতে প্ৰয়াত শোভেশ্বৰী দাস সোঁৱৰণী চলন্তবঁটা, নগদ ধন ২০,০০১.০০ টকা আৰু অন্যান্য আকৰ্ষণীয় পুৰস্কাৰ
দাতা	ঃ	শ্ৰীদেৱজিৎ দাস আৰু পৰিয়ালবৰ্গ

সদৌ অসম ভিত্তিত 'জেং বিহু' প্ৰতিযোগিতা (২০১৬)

১ ম পুৰস্কাৰ	ঃ	পুনম কে. চি. নাথ সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ধন ১০,০০১.০০ টকা
দাত্ৰী	ঃ	শ্ৰীমতী স্মৃতিলেখা নাথ।
২ য় পুৰস্কাৰ	ঃ	মুনীন্দ্ৰ বৰঠাকুৰ আৰু স্নেহময়ী বৰঠাকুৰ সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৭,০০১.০০ টকা
দাতা	ঃ	শ্ৰীসত্যসুন্দৰ উপমন্যু, শ্ৰীগজেন্দ্ৰ প্ৰসাদ উপমন্যু আৰু পৰিয়ালবৰ্গ।
৩ য় পুৰস্কাৰ	ঃ	সদানন্দ দাস আৰু পাৰুল বালা দাস সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৫,০০১.০০ টকা
দাতা	ঃ	শ্ৰীৰাঘবেন্দ্ৰ দাস আৰু পৰিয়ালবৰ্গ।

বৃহত্তৰ ৰুক্মিণীনগৰ দ্বিত্ৰিংশতিতম ৰঙালী বিহু সন্মিলনৰ পুৰস্কাৰপ্ৰাপ্ত - ২০১৫

জেং বিহু (২০১৫)

১ ম	ঃ	নৰকাসুৰ জেং বিহু দল
২ য়	ঃ	বৃহত্তৰ গুৱাহাটী মহিলা জেং বিহু দল
৩ য়	ঃ	শিৱ দলৰ জেং বিহু দল

হুচৰি বিহু (২০১৫)

১ ম	ঃ	ৰংমন এনাজৰী বিহু হুচৰি দল, মৰাণ
২ য়	ঃ	চেৰেকাপাৰ বিহুৱা দল, শিৱসাগৰ
৩ য়	ঃ	মেজাংকৰি বিহুৱা দল, গুৱাহাটী

বিহুৰাণী (২০১৫)

শ্ৰীমতী উৎপলা কলিতা

SUN VALLEY HOSPITAL চানভেলি হস্পিটেল

ৰঙালী বিহুৰ শুভেচ্ছাৰে—
ৰাইজৰ সেৱাত উৎসৰ্গীকৃত
—চানভেলি হস্পিটেল—

(চানভেলি ডায়েবেটিক কেয়াৰ আৰু ৰিচাৰ্ছ চেণ্টাৰৰ সংযোজন)
(উত্তৰ-পূৰ্ব ভাৰতৰ ডায়েবেটিছ ভিত্তিৰ একমাত্ৰ বহুমূখী হস্পিটেল)

বিভাগসমূহ—

ডায়েবেটিছ, হৃদৰোগ, মুত্ৰৰোগ, স্নায়ুৰোগ, মেডিচিন, চৰ্মৰোগ, চকুৰোগ, নাক-কাণ আৰু ডিঙি ৰোগ, এক্সৰে, আল্ট্ৰাচাউণ্ড, অস্থিৰোগ ইত্যাদি।

অত্যাধুনিক অস্ত্ৰোপচাৰ কক্ষত, সকলোধৰণৰ লেপাৰোস্ক'পিক আৰু অন্যান্য অস্ত্ৰোপচাৰ কৰা হয়।

আধুনিক প্ৰযুক্তিৰে নিৰ্মিত আই.চি.ইউ. ২৪ ঘণ্টাই খোলা থাকে।

ডায়েবেটিছ ৰোগীৰ ভৰিত হোৱা ঘাঁ বা আঘাতৰ তাৎক্ষণিক চিকিৎসাৰ বাবে

চানভেলি ডায়েবেটিছ ফুট কেয়াৰ ক্লিনিক

পাইলচ বা ফিস্টুলা চিকিৎসাৰ বাবে

চানভেলি এনো ৰেক্টেল ক্লিনিক

আকস্মিক দুৰ্ঘটনা বিভাগ, ফাৰ্মাচী লেবৰেটৰী আদি দিনৰ ২৪ ঘণ্টাই খোলা থাকে।

চানভেলি হস্পিটেল
চানভেলি ডায়েবেটিক কেয়াৰ আৰু ৰিচাৰ্ছ চেণ্টাৰ
জি.এচ.ৰোড, মথুৰানগৰ গুৱাহাটী-৭৮১০০৬
ফোন নং ঃ ০৩৬১-২৩৩৬৬০০, ২৩৩৪৭৬২, ২৩৩৪৭৫৯, ৯৮৬৪৩-৬৯৯৯১

ত্ৰি-ত্ৰিংশতিতম্ বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ,

গুৱাহাটী - ৭৮১০০৬

পৰিচালনা সমিতি

মুখ্য পৃষ্ঠপোষক ঃ

শ্ৰীযুত ভূপিন্দৰ সিং (কিকি), শ্ৰীযুত পাৰ্থসাৰথি মহন্ত, শ্ৰীযুত বিজুকুমাৰ জৈন, শ্ৰীযুত মেজৰ সিং, শ্ৰীযুত সুজিৎ পাঠক, শ্ৰীযুত প্ৰদীপ বৰা, সুমন কুমাৰ, গৌতম কুমাৰ সিং।

পৃষ্ঠপোষক ঃ শ্ৰীযুত দেৱজিত দাস, শ্ৰীযুত প্ৰকাশ আগৰৱালা, ডাঃ ঘনশ্যাম বসুমতাৰী, শ্ৰীমতী অমিয়া বৰগোহাঞি, শ্ৰীমতী পূণ্য বৰগোহাঁই, শ্ৰীযুত আদৰ্শ ঝুনঝুনৱালা, ডাঃ হিতেশ বৰুৱা, শ্ৰীযুত অনিল সন্দিকৈ, শ্ৰীযুত ৰোহিনী পাঠক, শ্ৰীযুত সত্যজিৎ ভূঞা, শ্ৰীযুত হৰকান্ত ডেকা, শ্ৰীযুত ৰাজীৱ পাণী ফুকন, শ্ৰীযুত প্ৰণৱ ডেকা, শ্ৰীযুত অনুজ শইকীয়া, শ্ৰীযুত ৰাণা গগৈ, শ্ৰীযুত উত্তম কলিতা, শ্ৰীযুত কাবুল পাঠক, শ্ৰীযুত শঙ্কৰজ্যোতি ডেকা, শ্ৰীমতী ৰুমা বৰগোঁহাই, শ্ৰীযুত অভিজিৎ বসুমতাৰী, ডাঃ হেমাঙ্গ বৈশ্য, শ্ৰীযুতা স্মৃতিলেখা নাথ, ডাঃ ধীৰেশ্বৰ কলিতা, শ্ৰীযুত গিৰীশ বসুমতাৰী, শ্ৰীযুত অপূৰ্ব দাস,শ্ৰীযুত দিগন্ত কলিতা, শ্ৰীযুত সুধীৰ মল্ল বৰুৱা, শ্ৰীযুত মৃদুল বৰুৱা, শ্ৰীযুত স্বাক্ষ্যৰ শৰ্মা, শ্ৰীযুত চিন্ময় ফুকন।

মুখ্য উপদেষ্টা ঃ শ্ৰীযুত সুনীল বৰা, শ্ৰীযুত বৃহস্পতি ডেকা, শ্ৰীযুত নিৰ্ম্মল চন্দ্ৰ দত্ত।

উপদেষ্টা মণ্ডলী ঃ শ্ৰীযুত দিনেশ বৰ্মণ, শ্ৰীযুত ৰেৱতী মোহন হাজৰিকা, শ্ৰীযুত কমল কাকতি, শ্ৰীযুত সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, শ্ৰীযুত দ্বিজেন শৰ্মা, শ্ৰীযুত দিপাঙ্কৰ হাজৰিকা, শ্ৰীযুত টঙ্কেশ্বৰ ডেকা, শ্ৰীযুত কেশৱলাল দাস, শ্ৰীযুত ঈশ্বৰ প্ৰসন্ন ফুকন, শ্ৰীযুত দিলীপ চক্ৰবৰ্ত্তী, শ্ৰীযুত অজিত বৰুৱা, শ্ৰীযুত বিপ্লৱ বৰুৱা, শ্ৰীযুত উমেশ চন্দ্ৰ শৰ্মা, শ্ৰীযুত টঙ্কেশ্বৰ কাকতি, শ্ৰীযুত প্ৰসন্ন মজুমদাৰ, শ্ৰীযুত ধৰ্মেশ্বৰ সোণোৱাল, শ্ৰীযুত দীপক কোঁৱৰ, শ্ৰীযুত মাখন হাজৰিকা, শ্ৰীযুত হৰেণ দাস, শ্ৰীযুত মহাদেব শৰ্মা, শ্ৰীযুত বীৰেন গোস্বামী, শ্ৰীযুত কুশল পাঠক, শ্ৰীযুত পশুপতি হাজৰিকা, শ্ৰীযুত ৰীন দাস, শ্ৰীযুত বসন্ত পোদ্দাৰ, শ্ৰীযুত ৰত্নেশ্বৰ বৰুৱা, শ্ৰীযুত লক্ষী দাস, শ্ৰীযুত ৰমেশ ডেকা, শ্ৰীযুত ধনীৰাম কলিতা, শ্ৰীযুত ফণীন্দ্ৰ নাথ চক্ৰবৰ্ত্তী, শ্ৰীযুত তপন ডেকা, শ্ৰীযুত অবিনাশ গগৈ, শ্ৰীযুত উপকুল বৰদলৈ, শ্ৰীযুত থানেশ্বৰ দত্ত, শ্ৰীমতী কমলা ৰাণী পাঠক, শ্ৰীমতী দিব্য কাকতি, শ্ৰীমতী গায়ত্ৰী গগৈ, শ্ৰীমতী অনিমা বৰদলৈ, শ্ৰীমতী কাঞ্চন হাজৰিকা, শ্ৰীযুত নৰেন দাস, শ্ৰীযুত ভবেন পাঠক,

শ্ৰীযুত উমেশ শৰ্মা, শ্ৰীযুত ৰিপুঞ্জয় চাংকাকতি, শ্ৰীযুত মানৱ জ্যোতি ভট্টাচাৰ্য্য, শ্ৰীযুত মহেন্দ্ৰ ডেকা, শ্ৰীযুত ফুকন চন্দ্ৰ বৈশ্য, শ্ৰীযুত সঞ্জয় বৰ্মণ, শ্ৰীযুত বলীন চন্দ্ৰ মহন্ত, শ্ৰীযুত হেমন্ত কাঠকটীয়া, শ্ৰীযুত বিৰেন শৰ্মা, শ্ৰীযুত উপেন শৰ্মা, শ্ৰীযুত হোমেন্দ্ৰ হীৰা, শ্ৰীযুত মতিচান্দ কুমাৰ, শ্ৰীযুত ৰাজশোভন গোস্বামী, শ্ৰীযুত হৰেণ হালৈ, শ্ৰীযুত ভগৱান ডেকা, ডাঃ দিলীপ ডেকা, শ্ৰীযুত যাদৱ বৰুৱা, শ্ৰীমতী মঞ্জু শৰ্মা, শ্ৰীযুত হেম চেতিয়া, শ্ৰীযুত প্ৰবোধ বৰ্মণ, শ্ৰীযুত টোপিৰাম চেতিয়া, শ্ৰীযুত চন্দ্ৰ শইকীয়া, শ্ৰীযুত কণক ভড়ালী, শ্ৰীযুত কাণুৰাম টেৰণ, শ্ৰীযুত সোমেশ্বৰ শইকীয়া, ডাঃ অনিল কলিতা, শ্ৰীযুত অতুল দত্ত, শ্ৰীযুত পৰিক্ষীত নাৰায়ণ দেৱ, শ্ৰীযুত মৃগেন চৌধুৰী, শ্ৰীযুত সত্যেন পাটোৱাৰী, শ্ৰীযুত প্ৰবীণ বৰ্মণ, চৈয়দা নাজনীন হুচেইন, শ্ৰীপ্ৰদীপ বৰুৱা, খগেন ডেকা, সুৰেণ দাস।

কাৰ্য্যনিৰ্বাহক সমিতি

সভাপতি : শ্ৰীযুত ফুলেশ্চ্ গগৈ
কাৰ্য্যকৰী সভাপতি : শ্ৰীযুত ৰাজীৱ হাজৰিকা
উপ-সভাপতি : শ্ৰীযুত সোণেশ্বৰ দাস, শ্ৰীযুত চক্ৰধৰ মটক, শ্ৰীযুত কেশৱ ভূঞা, শ্ৰীযুত হৰেণ দাস, শ্ৰীযুত মুকুল বুঢ়াগোহাঁই, শ্ৰীযুত অমল শৰ্মা, শ্ৰীযুত ৰঙ্গনাথ তালুকদাৰ, শ্ৰীযুত সত্যজিৎ বৰা
সাধাৰণ সম্পাদক : শ্ৰীযুত গুণীন্দ্ৰ ডেকা
সহ-সম্পাদক : সৰ্বশ্ৰী পলাশ বৰুৱা, নিৰুদ্ধ বৰগোহাঞি, পাৰ্থপ্ৰতীম শইকীয়া, বাবুল নাথ
কোষাধ্যক্ষ : শ্ৰীগৌতম ওঁজা
হিচাপ পৰীক্ষক : শ্ৰীযুত টিকেন্দ্ৰ নাথ চৌধুৰী
কাৰ্য্যালয় সম্পাদক : সৰ্বশ্ৰী শৈলেন ৰাভা, ৰাজ বৰুৱা, ৰঞ্জিৎ দাস

বিত্তউপসমিতি ঃ

উপদেষ্টা : শ্ৰীযুত অপূৰ্ব কুমাৰ শৰ্মা
সভাপতি : শ্ৰীযুত ৰঞ্জিৎ গগৈ
উপ-সভাপতি : সৰ্বশ্ৰী বিপ্লব বৰা, পৰাগ জ্যোতি গগৈ, গোবিন্দ মাধৱ শৰ্মা, গৌতম গগৈ, প্ৰণব ডেকা, সত্যেন কোঁৱৰ
সম্পাদক : সৰ্বশ্ৰী দিগন্ত মাধৱ বৰা, গজেন্দ্ৰ প্ৰসাদ উপমণ্য (তনু), গুণজিৎ তালুকদাৰ
সহ-সম্পাদক : সৰ্বশ্ৰী নীলম বৰুৱা, ৰূপক চৌধুৰী, দেৱজিত কলিতা, সীমান্ত দত্ত, জ্ঞানদীপ গগৈ
সদস্য : সৰ্বশ্ৰী বিজু শৰ্মা, বাণী বৰগোহাঁই, ৰাতুল দাস, অমল ডেকা, অনুপ পাঠক, ৰমেন বৰা

সাংস্কৃতিক উপসমিতি

উপদেষ্টা : শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ
সভাপতি : শ্ৰীযুত গিৰীশ দত্ত
উপ-সভাপতি : শ্ৰীযুত প্ৰদীপ দত্ত, শ্ৰীযুত মহেন্দ্ৰ শৰ্মা
সম্পাদক : শ্ৰীযুত মৃদুল বুঢ়াগোহাঁই
সহ-সম্পাদক : সৰ্বশ্ৰী শুক্ৰেশ্বৰ বড়ো, পবিত্ৰ ফুকন, অৰূপ মিশ্ৰ, শ্ৰীমতী অজন্তা বৰঠাকুৰ, সিদ্ধাৰ্থৰাজ বৰদলৈ, শ্ৰীমতী ৰীতা ডেকা
সদস্য : শ্ৰীবিকী বড়ো, শ্ৰীমতী বীণা দত্ত, ডাঃ প্ৰণিতা দেৱী, শ্ৰীমতী পূৰবী কাকতি শৰ্মা,শ্ৰীমতী মানসী

দাস, সীমাশ্ৰী বৰা, মৌচুমী ব্ৰহ্ম, কিশোৰ দত্ত।

মঞ্চ আৰু আলোকসজ্জা উপসমিতি

সভাপতি : শ্ৰীযুত দীনবন্ধু বৈশ্য

উপ-সভাপতি : সৰ্বশ্ৰী ৰাজেন দাস, সুৰেশ বৈশ্য, মোহন টেৰণ

সম্পাদক : সৰ্বশ্ৰী ভূপেণ বড়ো, মণিৰ আহমেদ, শিবেন্দ্ৰ ডেকা

সহ-সম্পাদক : সৰ্বশ্ৰী ৰুবুল স্বৰ্গীয়াৰী, কল্যাণ জ্যোতি বৰা, পঙ্কজ কাঠকটীয়া, প্ৰজ্ঞান দাস,অমৰ নাথ, দিপাঙ্কৰ পাঠক

সদস্য : সৰ্বশ্ৰী গোপাল দাস, খুদিৰাম বড়ো, বিদ্যা সিং, হলধৰ বৈশ্য, কঙ্কণ বেজবৰুৱা, নাৰায়ণ বড়ো।

স্মৰণিকা সম্পাদনা সমিতি

উপদেষ্টা : শ্ৰীযুত ৰমেন কলিতা

সভানেত্ৰী : শ্ৰীমতী ভাৰতী ভট্টাচাৰ্য্য

উপ-সভানেত্ৰী : শ্ৰীমতী মঞ্জুলা কাকতি

সম্পাদিকা : শ্ৰীমতী পাৰুল বৰুৱা

সহ-সম্পাদক : শ্ৰীঅভিজিৎ নেওগ, শ্ৰীঅলকেশ ভাগৱতী

সদস্য : সৰ্বশ্ৰী শ্ৰীকল্পনা শৰ্মা, শ্ৰীমতী সুবৰ্ণ হাজৰিকা, শ্ৰীমতী নীলিমা শইকীয়া দাস, শ্ৰীমতী নিলীমা ডেকা, শ্ৰীমতী হেপী গোস্বামী, শ্ৰীঅমৰ বৰুৱা, শ্ৰীনীলোৎপল ডেকা

প্ৰচাৰ উপসমিতি

সভাপতি : শ্ৰীযুত ৰাঘবেন্দ্ৰ দাস

উপ-সভাপতি : শ্ৰীযুত অপূৰ্ব গোস্বামী

সম্পাদক : সৰ্বশ্ৰী ৰূপজ্যোতি দাস, দিপাংক হাজৰিকা, অপূৰ্ব কলিতা

সহ-সম্পাদক : সৰ্বশ্ৰী নৱদ্বীপ বড়ো, মজিৰুল লস্কৰ, ৰত্নেশ্বৰ ৰাভা

সদস্য : সৰ্বশ্ৰী কণক বণিয়া, ৰাণা ৰাভা, মহিতোষ দাস

অভ্যৰ্থনা উপসমিতি

উপদেষ্টা : শ্ৰীমতী জুনু নেওগ, শ্ৰীমতী ৰাণু গগৈ, শ্ৰীমতী উন্মনা মাধুৰী দত্ত

সভাপতি : শ্ৰীযুত বংশীধৰ কাকতি

উপ-সভাপতি : শ্ৰীযুত ভাইটি দত্ত, শ্ৰীমতী পুষ্পাঞ্জলি গগৈ

সম্পাদক : শ্ৰীযুত নিলমণি ঠাকুৰ

সহ-সম্পাদক : সৰ্বশ্ৰী কাণু ৰাভা, সিদ্ধান্ত বৰদলৈ, শ্ৰীমতী মিনু বৰুৱা, শ্ৰীমহেন্দ্ৰ দাস।

সদস্য : সৰ্বশ্ৰী জিতু হাজৰিকা, বাহাৰুল লস্কৰ, ননী ডেকা, পিণ্টু বড়ো, বাবুল গাৰো, বিশাল মল্লিক, বলৰাম বড়ো, পাৰ্থ ৰাজ বৰদলৈ।

ক্ৰীড়া উপসমিতি

সভাপতি : শ্ৰীজ্যোতিপ্ৰসাদ ডাউকা

উপ-সভাপতি : শ্ৰীসুভাষ গাৰো

সম্পাদক : সৰ্বশ্ৰী জীতেন বড়ো, অলকেশ ওঁজা

সহ-সম্পাদক : শ্ৰীচন্দন নাথ

সদস্য : সৰ্বশ্ৰী ৰাজ চেত্ৰী, ৰাজু বড়ো, ভদ্ৰেশ্বৰ বড়ো, ধনজিৎ ৰাভা, অজিত মণ্ডল, বিকি মল্লিক, সমীৰ

সূত্ৰধৰ, খনিন্দ্ৰ চৌধুৰী, কুলেশ ডাউকা, ৰাজাৰাম বড়ো

স্বাস্থ্য উপসমিতি

সভানেত্ৰী	ঃ	শ্ৰীমতী প্ৰতিমা বৰা
সম্পাদক	ঃ	ডাঃ মাধুৰ্য্য গগৈ
সহ-সম্পাদক	ঃ	শ্ৰীজ্যোৰ্তিময় বৰুৱা, ডাঃ অনুপল ডেকা
সদস্য	ঃ	সৰ্বশ্ৰী সঞ্জয় বড়ো, বিপুল ৰয়, ভাস্কৰজ্যোতি দত্ত

উদ্‌যাপন সমিতিৰ সদস্য/সদস্যাবৃন্দ ঃ সৰ্বশ্ৰী অনিৰুদ্ধ ওঁজা, ৰাজেন কলিতা, মীনা দত্ত, হেমা চৌধুৰী, তৰুণী কলিতা, সত্যসুন্দৰ উপমন্যু, পূৰ্ণিমা বৰদলৈ, নিত্যানন্দ তালুকদাৰ, পংকজ কাকতি, গৌতম কাকতি, ৰাজৰ্ষি চৌধুৰী, অনুপ মিশ্ৰ, জীতেন সিনহা, পৰিমল বিশ্বাস, ফণিধৰ কলিতা, প্ৰমোদ কলিতা, অঞ্জন বুজৰবৰুৱা, সন্তৰা ৰাভা, ইলা ৰাজবংশী, সুনন্দা দত্ত, ৰামেশ্বৰ কলিতা, ৰামেশ্বৰ দাস, প্ৰবাল সিনহা, মহাদেব নাথ, ৰঞ্জন বিশ্বাস, অৰবিন্দ পাল, দেবেন্দৰ ৰায়, অনিমেষ দাস, নিলমণি ভট্ট, পংকজ ভূএগ, পুতু বড়ো, কৃষ্ণ বড়ো, মাধৱ কলিতা, ৰাজ চেত্ৰী, চম্পা দাস, বিদ্যুৎ বৈশ্য, আবু চৈয়দ মহম্মদ আব্দুল্লা বৰভূএগ, দীপক সূত্ৰধৰ, ৰাতুল পাটোৱাৰী, আনোৱাৰুল ইছলাম লস্কৰ, চেলিমুদ্দিন বৰভূএগ, চাৰু নাৰ্জাৰি, বিষ্ণু পাঠক, ৰজনী গাৰো, অমূল্য পাঠক, মহাদেব শৰ্মা, অসীম কলিতা, মানস প্ৰতিম বৰা, মনোৰঞ্জন কাকতি, উৎপল ওঁজা, কালিপদ সেন, মুহিৰুদ্দিন বৰভূএগ, ভূমিকা তালুকদাৰ, সিবল দাস, সীমান্ত বড়ো, অবনী বৰ্মন, চিণ্টু দত্ত, ৰশ্মি দাস, সত্যব্ৰত দাস, উপেন দাস, সুনিল গাৰো, নাৰায়ণ সিং, বিজয় সিং, বিচন সিং, মণ্টু বড়ো, ধন কাকতি, কামেশ্বৰ দাস, লিখক চাংমাই, নৰজ্যোতি হাজৰিকা আৰু বৃহত্তৰ ৰুক্মিণীনগৰ অঞ্চলৰ সমূহ ৰাইজ।


Palacia
WOODSTOCK
MP
CONSTRUCTION
FULLY EARTHQUAKE RESISTANT
BOOKING OPEN
HAPPY BIHU
Book a flat and get monthly rent from first month of booking
SITE : SANSKRIT COLLEGE ROAD, NEAR RADISSON BLU HOTEL
JALUKBARI, GUWAHATI
ALSO AVAILABLE AT :
PALACIA CASA
Six Mile
PALACIA URBANIA
Pub Jyoti Nagar,
Bamunimaidam
PALACIA PARK
VIP Road, Six Mile
Contact No. : + 91 98641 07847 / 0361 2338099 / 95778 97921
OFFICE : PALACIA GRAND. NEAR AXIS BANK, SIX MILE, GUWAHATI-781022
e. mail : mpconstruction_ghyy@yahoo.in
www.mpconstruction.co.in
*Like us at facebook.com/mpconstruction.co.in

Admission Going on...

AIHM Assam Institute of Hotel Management

We groom talent

(Approved by UGC Recognized University, Ministry of HRD, Govt. of India)

B.Sc. Hotel Management
3 Years Degree (Eligibility -12th pass)

BBA Hotel Management
3 Years Degree (Eligibility -12th pass)

M.Sc in Hotel Management
2 Years (Eligibility- Graduate)

MBA Hotel Management
2 Years Degree(Eligibility-Graduate)

DIPLOMA in Hotel Management
2 Years (Eligibility -10th pass)

6 Months Craft Courses

100% Placement Assistance in National & International 5-star Hotels, Airlines, Cruises & Hospitality Industry

About College

* Ultra-Modern Teaching Facility.
* Hostel Separate for Girls & Boys.
* Wi-Fi Campus .
* Digital Class Room .
* Highly Equipeted Secured Campus.
* Inbuilt CCTV Camera, Biometric Machine with online attendence system.
* 100% Placement Facility in India & Abroad 5 to 7 star Hotels.
* Smart Classes & ICT Based Curriculum
* Live Assignments & Project Based Learning
* Aptitude & Personality Development Sessions
* Guest lectures by Subject Expert & Hotelians
* Special Session on Competitive Exams
* Frequent Industrial Visits
* Industrial Training & Internship
* Dress(Shirts, Trousers & Tie)
* Business Suits
* Overseas Excursion to Singapore/Dubai/China

JOB OPPORTUNITIES IN

www.aihmguwahati.com

Campus : Plot No.478, Bagharbari Road, Panjabari Guwahati-37

Contact : 0361- 2332266, +91 94010 33000, +91 98646 66600

শ্ৰদ্ধাঞ্জলি

অনিল দাস

প্ৰফুল্ল শৰ্মা

সুশীল ঠাকুৰীয়া

গিৰীশ চন্দ্ৰ বৈশ্য

দিলীপ দত্ত

পৰেশ নেওগ

অমল মিশ্ৰ

মানস দাস

দুৰ্গেশ্বৰ বৰা

কৰুণা কান্ত বৰুৱা

পৰমেশ দাস


মধুৰাম কলিতা

ৰূপা বড়ো

নিৰ্মালী বৰুৱা

সিদ্ধাৰ্থ প্ৰতিম শইকীয়া

ৰাজা নায়ক

পোনাৰাম নায়ক

৩২ তম্ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ কিছু বিশেষ মুহূৰ্ত

৩২ তম্ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ কিছু বিশেষ মুহূৰ্ত

ভূপিন্দৰ সিং(কিকি)
পৃষ্ঠপোষক

বিজু কুমাৰ জৈন
পৃষ্ঠপোষক

ডাঃ ধীৰেশ্বৰ কলিতা
পৃষ্ঠপোষক

দেৱজিৎ দাস
পৃষ্ঠপোষক

মেজৰ সিং
পৃষ্ঠপোষক

শংকৰ জ্যোতি ডেকা
পৃষ্ঠপোষক

সুজীত পাঠক
পৃষ্ঠপোষক

ৰঞ্জিত [illegible]
সভাপ[illegible] বিত্ত বিভাগ

ৰঙ্গনাথ তালুকদাৰ
উপদেষ্টা

দিগন্ত মাধৱ বৰা
সম্পাদক বিত্ত বিভাগ

চক্ৰধৰ মটক
উপদেষ্টা

স্থানীয় ৰূপালীম মহিলা চ'ৰাৰ সদস্যাসমূহৰ একাংশ

সাংস্কৃতিক বিভাগৰ বিষয়ববীয়া আৰু সদস্যসকল

স্মৰণিকা 'সাহোন'ৰ সম্পাদনা সমিতি ২০১৬

ৰঙালী বিহু তথা নৱবৰ্ষৰ শুভেচ্ছাৰে .....

HANSHA BAHINI

furnishing

An Exclusive Furnishing Showroom

GANESHGURI BRANCH
Shree Krishna Market
Dispur, Guwahati-06
Tel : 90850-11122
Enquiry No. 0361-2232657

SUPER MARKET BRANCH
SGulsan Grand (Traddic Point)
Dispur, Guwahati-06
Tel : 88227-33339
Enquiry No. 0361-2223549

email : hanshabahini@yahoo.com